# অসম গণপৰিষদ চৰকাৰৰ জনজাতি বিৰোধী নীতিৰ প্ৰতিবাদ কৰক

# ১৫ জুনৰ জনজাতি অঞ্চল বন্ধ সমৰ্থন কৰক

শ্ৰদ্ধেয় ছাত্ৰ-ছাত্ৰী আৰু ৰাইজ,

শত সহস্ৰ উপনৈ দিহিঙ দিপাঙৰ পৰা বাগৰি আহি বিশাল ব্ৰহ্মপুত্ৰৰ সৃষ্টি কৰাৰ দৰে বহু জাতি জনজাতিৰ মিলনৰ বহল প্ৰক্ৰিয়াত গঢ় লৈ উঠিছে মহান অসমীয়া জাতি। আজি যদি বিশাল ব্ৰহ্মপুত্ৰৰ শাখা-প্ৰশাখাবোৰ মৰহি যায় নাইবা দুৰ্ব্বল হৈ ৰয় তেনে ব্ৰহ্মপুত্ৰৰ দৰে মহামিলনৰ কেন্দ্ৰ অসম বা অসমীয়া জাতি জানো সমৃদ্ধ হ'ব পাৰে? কিন্তু তেওঁলোক দুৰ্ব্বল সকলক অধিকনিঃশক্তীয়া কৰাৰ বাবেই চলিছে পৰিকল্পিত চক্ৰান্ত। তেওঁলোক জনজাতীয় সকলৰ মুখেৰেই শুনক "...... ...... ...... ...... ...... ...... ...... আমি জনজাতীয়, অসমৰ ভূমিপুত্ৰ, অথচ আমি চনভাঙি সাকুৰা কৰা অসমৰ বুকুতেই আজি আমাৰ বাবে এটুকুৰা স্থল নাই। পেটৰ এচুকুৰা ৰুটি নাই। বৰ্ণ হিন্দুৰ দালাল চৰকাৰে আমাক ভেটি মাটি টুকুৰাৰ পৰাও উচ্ছেদ কৰিবলৈ লৈছে। ওৰ পৰা খেদে তলৈ। নিপানি-নিকানি ... ... । " .. ..... আমাৰ মুখৰ ভাষাটিও কাঢ়ি নিব খোজে সিহঁতে আমাৰ ইচ্ছা-অনিচ্ছালৈ কেৰেপ নকৰি আমাৰ ওপৰত জোৰ কৰি জাপি দিছে সেবা চাকু'লাৰ (SEBA Circular) .... ...." .... ... .. ৰেচম আইন প্ৰয়োগ কৰি সিহঁতে আমাৰ বাপতি সাহোন এৰি মুগা পোহা কৃষ্টিটোৰ ওপৰতো লগাইছে লাইচেঞ্চ, নিয়ন্ত্ৰনৰ আইন ... .. । .. .. ভূমিপুত্ৰ হৈ সিহঁতৰ পৰা আমি অসমীয়া তথা ভাৰতীয়তাৰ পৰিচয় পত্ৰ ল'ব লাগিব ... ... ... ই অপমান চৰম অপমান ... ... .. "

এইখনেই জনজাতীয় সকলৰ খং ক্ষোভৰ জীৱন্ত চিত্ৰ। কোনো এগৰাকী বিখ্যাত মনিষীয়ে কৈছিল "To rebel is always justified" (অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ, সদায়েই ন্যায়সংগত) সেয়ে ভূমিপুত্ৰ জন-জাতি সকলোৰো তেওঁলোকৰ ওপৰত চলা যুগ-যুগৰ শোষণ-শাসনৰ বিৰুদ্ধে গৰজি উঠা অত্যন্ত ন্যায়সংগত এই কথা প্ৰতি সৎ গণতান্ত্ৰিক ব্যক্তিয়ে নিশ্চিত মানি ল'ব। হৰিজন-ট্ৰাইবেল-মুছলিম-শিখবিৰোধী উচ্চবৰ্ণ হিন্দু-হিন্দীবাদী দিল্লীশ্বৰ নবাব ৰাজীবৰ চেলা-চামুণ্ডা অসমৰ চুবেদাৰ আগৰ কংগ্ৰেছ আৰু আজি শাসনাধিষ্ট, কংগ্ৰেছৰেই বি-টিম অ, গ, প ই অসমীয়া মুঠ জনসংখ্যাৰ ৮৭% কোচ, অনুসূচীত জাতি জনজাতি আৰু মুছলমানৰ ওপৰত চলোৱা দীৰ্ঘ ঠগ-প্ৰৱঞ্চনা, জাল-জুৱাচুৰিৰ পৰিণতিত অসমদেশ পুনৰ ভাঙি-চিঙি, খণ্ড-বিখণ্ডিত হোৱাৰ বিপদত পৰিছে। এদিন বৰদলৈ-চলিহা-চৌধুৰীহঁতৰ একে বৈষম্য আৰু প্ৰৱঞ্চনাৰ ফলশ্ৰুতিত আহল-বহল অসমৰ বুকুফালি আতৰি গৈছিল নগা-মিজো-মণিপুৰী ভাই সকল। আজি আকৌ সেই বিপদ প্ৰতিজন অসমীয়াৰ সন্মুখত। অসমীয়া জাতিৰ সমুখত দেখা দিয়া এই বিপদ ৰোধিব পাৰে একমাত্ৰ অসমীয়া জাতিৰ প্ৰকৃত অসমপ্ৰেমী গণতান্ত্ৰিক ব্যক্তি সকলে—যিসকলে অসমীয়া জাতিৰে পিছ পৰা দুৰ্ব্বল

OKDISCD

অংশৰ ওপৰত অসমীয়া উচ্চবৰ্ণবাদী শাসকহঁতে চলোৱা অন্যায় প্ৰবঞ্চনাৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দিয়ে। সেয়েহে আহক কেৱল চলাহি কথাৰে নহয় ৮৭% দুৰ্ব্বল আৰু পিচপৰা অসমীয়াৰ ন্যায় অধিকাৰৰ পক্ষে আন্তৰিকতাৰে থিয় হৈ অসমবাসী সকলো জাতিৰ সম-অধিকাৰৰ ভিত্তিত এক শক্তিশালী-সমৃদ্ধিশালী অসম গঢ়ি তোলাৰ আন্তৰিক শপত লওঁ। অহা ১৫ জুন ৮৭ত জনজাতি সকলৰ ন্যায্য দাবী পূৰণৰ বাবে সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ দ্বাৰা আহুত জনজাতি অঞ্চল বন্ধৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাওঁ আৰু আৱাজ তোলো—

* শাসক শ্ৰেণীৰ উগ্ৰজাতীয়তাবাদ উগ্ৰবৰ্ণবাদ বা ঠগ-প্ৰৱঞ্চনাৰে নহয়, অসমবাসী সকলো জাতিৰ সমঅধিকাৰ, সচা আন্তৰিক ভ্ৰাতৃত্বৰেহে সমৃদ্ধিশালী অসম গঢ়ি উঠিব পাৰে।
* জনজাতীয় সমস্যাৰ গণতান্ত্ৰিক সমাধান লাগে।
* ৰেচম আইন, সেবা চাকু লাৰ, বিকল্প সংস্থাপন নহোৱাকৈ জনজাতীয় সকলৰ ওপৰত উচ্ছেদৰ জাননী আদি জনজাতি বিৰোধী নীতি প্ৰত্যাহাৰ কৰক।
* পিছ পৰা জাতি-জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে থকা আইনসংগত হোষ্টেল গ্ৰেণ্ট, বুক-গ্ৰেণ্ট, জলপানি শীঘ্ৰে আদায় দিয়ক।
* সংৰক্ষণৰ ব্যৱহাৰ পূৰ্ণ প্ৰয়োগ কৰক।

---

ইণ্ডিয়ান ষ্টুডেণ্টছ এছোছিয়েছনৰ কামৰূপ (অবিবক্ত) জিলা কমিটিৰ দ্বাৰা প্ৰচাৰিত দেবজিৎ চৌধুৰীৰ দ্বাৰা প্ৰকাশিত।

OKDISCD

# একলাখতকৈও অধিক জনজাতি লোকক উচ্ছেদ কৰাৰ গণ পৰিষদ চৰকাৰৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰক—সদৌ অসম জনজাতি ছাত্ৰ সন্থা

শ্ৰদ্ধেয় দেশবাসী,

সোনৰ অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে, অসমৰ খিলঞ্জীয়া ৰাইজৰ অস্তিত্ব ৰক্ষাৰ টেটুফলা চিঞঁৰেৰে অসম গণ পৰিষদে চৰকাৰ গঠণ কৰাৰ পাছতেই সোনৰ অসমৰ আচল চৰিত্ৰ প্ৰকাশ পাইছিল, যেতিয়া তামুলপুৰ ট্ৰাইবেল বেল্টৰ ভিতৰত দৰঙ্গা শ্ৰেণী বহিভূৰ্ত বনাঞ্চলত মাৰ্চ মাহৰ ১০ আৰু ১১ তাৰিখে ৮১৩ টা জনজাতি পৰিয়ালৰ ঘৰ দিনৰ পোহৰত বৰ্বৰোচিত ভাবে হাতী লগাই ভাঙি জুই দি ভস্মীভূত কৰিছিল; ষেতিয়া গুৱাহাটীৰ বাহিৰেদি বিকল্প ব্ৰডগেজ ৰেলপথ নিৰ্মাণ কৰাৰ নামত ৩৫ খন জনজাতীয় গাওঁ উচ্ছেদ কৰিবলৈ ওলাইছিল। আৰু আজি চৰকাৰৰ নতুন উচ্ছেদ নীতিয়ে চৰকাৰৰ আচল চৰিত্ৰ আৰু বেছি নগ্ন কৰি তুলিছে।

যেতিয়া, ১৯৭৯ চনৰ ৫ জানুৱাৰীৰ পুৱতি নিশা হাজাৰ হাজাৰ নিৰীহ জনজাতি, চাহ-বাগানীয়া, প্ৰাক্তন সৈনিক নেপালী লোক অসম-নগালেণ্ড সীমান্তত কটা গৈছিল; তেতিয়া আজিৰ অ. গ প. নেতা সকলে চকুৰ পানীৰে ৰাতৰি কাকত তিয়াই দিছিল; কিন্তু পাছ মূহুৰ্ত্তত পাহৰি গৈছিল ঘৰ হেৰুৱা, মাটি হেৰুৱা, আত্মীয়-কুটুম হেৰুৱা সেই হাজাৰ হাজাৰ পৰিয়ালৰ কথা; যি দৰে তেওঁলোকে আজিও অতি সহজেই পাহৰি যায় নগাওঁ মৰিগাওঁৰ বানপীড়িত অঞ্চলত এতিয়া খাবলৈ ৰাইজৰ চাউল নাই। ৫ জানুৱাৰীৰ সেই দুৰ্যোগ ধুমুহাৰ পুৱতি নিশাৰ অসহায় কৰুণ বেদনাক বুকুত বান্ধি লৈ ৮১৩ টা জনজাতি পৰিয়ালে নিজ পিতৃভূমি অসমতেই অনাই-বনাই দুদিন ঘূৰি অৱশেষত থিতাপি লৈছিল কাঠচোৰ, ঠিকাদাৰ, মহলদাৰে কাটি তহিলং কৰা দৰঙ্গা বনাঞ্চলত। কিন্তু পিছ মূহুৰ্ত্তত তেওঁলোকৰ ওপৰত অনা হ'ল বনাঞ্চল বেদখল কৰি বনজ সম্পদ ধ্বংস কৰাৰ অভিযোগ। আৰম্ভ হ'ল এটাৰ পাছত এটাকৈ উচ্ছেদ অভিযান সৰ্বমুঠ আজিকৈ ৬ বাৰ উচ্ছেদ অভিযান চলিল। এতিয়া আকৌ উচ্ছেদৰ বতৰ আহিছে। কিন্তু কলৈ যাব তেওঁলোক? চৰকাৰে এইটো কথাও নকয় কিয়—কলৈ যাব লাগে. তেওঁলোক, বাংলাদেশ নে চীন দেশলৈ? মন্ত্ৰীসভাই অভিযোগ আনিছে জনজাতি মানুহে বনাঞ্চল ধ্বংস কৰিছে। তেওঁলোকে কব খোজে নেকি-অসভ্য বৰ্বৰ জনজাতি বিলাকে বনাঞ্চলত খাবলৈ নাপাই শাল, শলখ, উৰিয়াম, চেগুন নামৰ গছ বিলাক তৰকাৰী বনাই খায়? তেওঁলোকে কব খোজে নেকি-জাৰত লবলৈ এখন কাপোৰ নথকা এই সকল জনজাতিয়ে বনাঞ্চল জুই লগাই দি জাৰত গা সেকে? তেওঁলোকৰ জ্ঞাতাৰ্থে আমি এটা কথা জনাব বিচাৰো যে-হয়, আমি বনাঞ্চলৰ নল [illegible] কলা কচু, ঢেকীয়া, ভেদাই খঁতা তথা অন্যান্য জাবৰ-জোথৰ খাওঁ; কিন্তু উৰিয়াম চেগুন গছবোৰ নাখাওঁ। জনজাতি মানুহে বনৰ চৰাই চিৰিকতি, মাজে সময়ে দুই এটা পহু গাহৰি মাৰি খায়; হাতী, গড়, বাঘ মাৰি খায়। খৰি লুৰি বজাৰত বিক্ৰি কৰে, কাঠৰ কুণ্ডা ভাৰ কৰি আনি বিক্ৰি নকৰে।

এতিয়া আকৌ উচ্ছেদৰ বতৰ আহিছে। 'সোনৰ অসম' গঢ়িবৰ বাবে কংগ্ৰেছী আমোলত কৈও

ব্যাপক হাৰত উচ্ছেদ আচনি প্ৰস্তুত কৰিছে খাছ অসমীয়া চৰকাৰে। এইবাৰ লক্ষ্য কেৱল দৰঙ্গ বনাঞ্চলেই নহয়। কোকৰাঝাৰ হল্টুগাওঁ বনাঞ্চলৰ পৰা আৰম্ভ কৰি শদিয়া লৈকে সকলো বনাঞ্চলত উচ্ছেদৰ গোপন প্ৰ[illegible]ত চলিছে। দক্ষিণ গুৱাহাটীৰ ৩৫ খন জনজাতি গাৱঁক ৰেললাইনৰ নামত উচ্ছেদ কৰিবলৈ গৈ প্ৰবল প্ৰতিবাদৰ সন্মুখত ব্যৰ্থ হৈ এইবাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সিপাৰে মেঘালয় সীমাৰ পাহাৰত গড়ভাঙা অঞ্চলত ১৬ খনতকৈ অ[illegible]ক কাৰ্বি জনজাতি গাৱঁত সংৰক্ষিত বনাঞ্চলৰ নামত উচ্ছেদৰ জাননী ইতিমধ্যে দিয়া হৈছে। এইবাৰ অকল বনাঞ্চলেই নহয়— আন সকলো চৰকাৰী পতিত মাটিৰ পৰাও ব্যাপক উচ্ছেদৰ আঁচনি প্ৰস্তুত কৰা হৈছে।

কেনেকৈ কৰা হৈছে তাকো চাওঁ আহক। পূৰ্বৰ চৰকাৰৰ দিনত আমাৰ নেৰানেপেৰা সংগ্ৰামৰ ফলত বাধ্য হৈ চৰকাৰে একনীতি নিৰ্দ্ধাৰণ কৰিছিল যে চৰকাৰী আদেশ নং F. L. A. 259/85 তাং 25 june, 85 আৰু R. F. S./Sectt/83/66/337 যোগে কাৰ্য্যকৰী নিৰ্দেশ দিয়া হৈছিল যে ১৯৮০ চনৰ পূৰ্বে সংস্থাপন লোৱা লোক সকলক উচ্ছেদ কৰা নহব আৰু বাকী সকলৰ উচ্ছেদৰ ক্ষেত্ৰত আগতীয়া চৰকাৰী অনুমতি ( Prior Govt. approval )ৰ প্ৰয়োজন হব। কিন্তু অতি সম্প্ৰতি গণ পৰিষদ চৰকাৰ এক নতুন নিৰ্দেশ নং F. R. S. 593/81 pt 104 dt 24.9 86 অনুসৰি পূৰ্বৰ সকলো নিৰ্দেশ প্ৰত্যাহাৰ কৰি কোৱা হৈছে যে উচ্ছেদৰ বাবে কোনো চৰকাৰী অনুমতিৰ প্ৰয়োজন নহব আৰু ১৯৮০ চনৰ পূৰ্বৰ সংস্থাপনকাৰী সকলকো উচ্ছেদ কৰা হব। আৰু এতিয়া এই নতুন নিৰ্দেশমতে ব্যাপক উচ্ছেদৰ প্ৰস্তুতি চলিছে।

***আমাৰ আবেদন ঃ—*** এই জনগণ বিৰোধী, জনজাতি বিৰোধী উচ্ছেদ অভিযান ব্যৰ্থ কৰিবৰ বাবে আমি দৃঢ় সংকল্পবদ্ধ হৈছো আৰু যি কোনো পৰিস্থিতিৰ মুখামুখী হবলৈ সাজু। অসমৰ প্ৰতিটো জনজাতি সংগঠন, প্ৰতিটো গণতান্ত্ৰিক দেশপ্ৰেমী সংগঠন, প্ৰতিজন নাগৰিক আমাৰ এই ভাই ভনী, আই-বোপাইৰ ওপৰত পৰিকল্পিত উচ্ছেদক বাধা দিবৰ বাবে প্ৰস্তুত হওক।

প্ৰতিজন জনজাতি ব্যক্তিয়ে নিজকে প্ৰশ্ন কৰক এইখন কাৰ দেশ? কোন এইখন দেশৰ ভূমি পুত্ৰ? কোনে সজাইছে এইখন দেশ কপালৰ ঘাম পেলাই শষ্য-শ্যামলা কৰি? আৰু আজি কোনে কাক এই দেশ এই মাটিৰ পৰা উচ্ছেদ কৰে?

প্ৰতিজন জনজাতি ব্যক্তিয়ে বলিষ্ঠ কণ্ঠে এই কথা ঘোষণা কৰক—এই দেশ, এই মাটি, এই নদী, এই পাহাৰ, এই বনাঞ্চল আমাৰ। আমি ইয়াৰ পৰা উচ্ছেদিত নহওঁ। প্ৰতিখন নদী, প্ৰতিখন পহাৰৰ বুকুত হাত দি, প্ৰতিজোপা গছক সাৱটি ধৰি কৈ দিয়া এইবাৰ যুঁজিম। যিমানেই কঠোৰ নহওঁক কিয় এই যুঁজ। এটাই আৱাজ হওক কোনো জনজাতিক উচ্ছেদ কৰা নচলিব; প্ৰতিজন জনজাতিক য'ত যেনেকৈ আছে তেনেকৈ স্থায়ী মাটিৰ পট্টা দিয়ক।

ঐক্যবদ্ধ আৰু সংগঠিত সংগ্ৰামৰ

আহ্বায়ক, মানৱ অ[illegible]কাৰ সংস্থা ঃ অসম

আহ্বানেৰে

কেন্দ্ৰীয় সমিতি,

"সদৌ অসম জনজাতি ছাত্ৰ সন্থা"

---

সদৌ অসম জনজাতি ছাত্ৰ [illegible]ৰ হৈ শ্ৰী ৰনোজ কুমাৰ পেগু, পৰমানন্দ চায়েঙ্গীয়া, কংশ ফাংচ', মনোৰ[illegible] [illegible]সুমতাৰীৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত আৰু গুৱাহাটী ডিউ প্ৰিণ্টাৰ্ছত মুদ্ৰিত।

সীমি[illegible]মৰ্থ্যৰ বাবে সীমিত সংখ্যক কপিহে ছপা কৰা হ'ল। বক্তব্য একোৰাখি পুনৰ মুদ্ৰনৰ অধিকাৰ সকলো জিলা সমিতি আৰু অনে সকলো জনজাতীয় সংগঠনক দিয়া হ'ল। অৱশ্যে পুনৰ মুদ্ৰণৰ গোহাৰিব প্ৰতিলিপি মুখ্য কাৰ্যালয়লৈ পঠাব লাগিব।

OKDISCD

# জনজাতি সংহতি পৰিষদৰ প্ৰতিষ্ঠা দিৱসত
## পৰিষদৰ আহ্বানত জনসমাবেশ
## স্থান—জনজাতি জিৰণি চ'ৰা (Tribal Rest House), তামুলপুৰ
## সময়- ১৭ এপ্ৰিল, দিনৰ ১২ বজা।

প্ৰিয় ৰাইজ,

অহা ১৭ এপ্ৰিল' ৮৪ তাৰিখৰ দিনা সদৌ অসম জনজাতি সংহতি পৰিষদৰ এবছৰ পূৰ্ণ হব। ১৭ এপ্ৰিলৰ দিনতো সাধাৰণভাৱে অসমবাসী আৰু বিশেষ ভাৱে অসমৰ জনজাতি সকলৰ বাবে গৌৰৱমণ্ডিত দিন। যোৱা বছৰৰ এই দিনটোতেই জনজাতি সংহতি পৰিষদৰ জন্ম হৈছিল অসমৰ জনজাতীয় ৰাইজৰ বুকুত পুহিৰখা শোষণ নিপিড়নৰ মুক্তিৰ স্বপ্নক বাস্তৱায়িত কৰিবলৈ। মুক্তিৰ উদ্দাম আশাক সূৰ্য্যৰ আলোকত তৰঙ্গায়িত কৰিবলৈ। হাজাৰ হাজাৰ বছৰ ধৰি নিপীড়িত জনজাতীয় জনগনৰ মুক্তিৰ স্বপ্নক সাৰ্থক কৰিবলৈ গৈ শ্বহীদৰ মৃত্যুবৰণ কৰা শত শ্বহীদৰ কলিজাৰ তেজেৰে ৰক্তৰঞ্জিত মুক্তি পতাকাক চিৰদিনৰ বাবে উৰ্দ্ধত তুলি ৰাখিবলৈ। প্ৰতিজ্ঞা আছিল শোষকহঁতৰ কুটাঘাট, দমন নিপীড়নক তুচ্ছ কৰি; সিহঁতৰ ৰক্ষাকবচ পুলিচ, বুলেট, কাৰাগাৰ আৰু ন্যায়ালয়ৰ ভাওঁতাবাজীক তুচ্ছকৰি আমি আমাৰ মুক্তি পতাকাক আমি কঢ়িয়াই লৈ যাম। মুক্তিৰ স্বপ্নত উত্তাল জন জোৱাৰৰ আঘাতেৰে আমি সিহঁতক বুজায় দিম-আমি জয়লাভ কৰিমেই।

কি বাস্তৱ অৱস্থাৰ পৰিপ্ৰেক্ষিতত জনজাতি সংহতি পৰিষদৰ জন্ম হৈছিল?

অসমৰ শোষক গোষ্ঠীৰ প্ৰাতিভূ কংগ্ৰেছে (এতিয়াৰ ইন্দিৰা কংগ্ৰেছ) জনজাতীয় ৰাইজৰ আপেক্ষিক অজ্ঞতাৰ সুযোগ লৈ জনজাতীয় সমস্যাটোক প্ৰথমৰ পৰাই কুটাঘাট, দমন নিপীড়ন আৰু অৱজ্ঞাৰে ওলোমায় ৰাখিব বিচাৰে। লিপিৰ আন্দোলনকে ধৰি সমস্ত জনজাতীয় আন্দোলনক ৰক্তবন্যাত ডুবাই দিব বিচাৰে। জনজাতীয় ৰাইজৰ ভিতৰত লোভ দেখুৱাই দালাল সৃষ্টিকৰি, জনজাতীয় আন্দোলনত কুটাঘাট সৃষ্টি কৰি জনজাতীয় ৰাইজক বিভক্ত কৰিব খোজে আৰু সমস্যাটোক সমধানৰ অতীত কৰি তুলিবলৈ প্ৰয়োজন হলে অসমৰ অন্যান্য জনগোষ্ঠীক জনজাতীয় সম্প্ৰদায়ৰ বিৰুদ্ধে অথবা জনজাতীয় ৰাইজক অন্য জনগোষ্ঠীৰ বিৰুদ্ধে উচতায় সাম্প্ৰদায়িক কাজিয়াৰ সৃষ্টি কৰিব বিচাৰে।

জনজাতীয় নেতাসকলৰ একাংশই জনজাতীয় সমস্যাটোক শোষকহঁতৰ "সমস্যাটোকেই সমধানৰ অতীত" কৰি তুলিবলৈ কৰা পৰিকল্পনাৰ প্ৰবক্তা হৈ আহিছে আৰু নিৰ্লজ্যভাৱে শোষকহঁতৰ ওচৰত আত্মসমৰ্পন কৰিছে অথবা সিহঁতৰ নেগুৰত পৰিণত হৈছে।

অসমৰ বৰ্ণ হিন্দু শোষক গোষ্ঠীৰ জনজাতীয় সম্প্ৰদায় সমুহৰ ওপৰত আগ্ৰাসী আক্ৰমনৰ মোকাবিলা কৰিব পৰাকৈ মতাদৰ্শগত আৰু সাংগঠনিক ভাৱে সংহত এক সংগঠনৰ অভাৱ যি জনজাতীয় সমস্যাৰ সঠিক সমাধান দিব পাৰে।

সৰ্ব্বোপৰি অসমৰ অ-জনজাতীয় সাধাৰণ ৰাইজৰ মাজত জনজাতীয় সমস্যাটোৰ সম্পৰ্কত থকা দৃষ্টিভঙ্গীৰ অস্পষ্টতা। জনজাতীয় সমস্যাটোক অসমৰ ব্যাপক জনসাধাৰণৰ গণতান্ত্ৰিক আন্দোলনৰ অঙ্গীভূত কৰা আৰু অন্য জনগোষ্ঠীৰ সাধাৰণ ৰাইজ বিশেষকৈ অসমীয়া জনগোষ্ঠীৰ গনতান্ত্ৰিক আন্দোলনৰ সৈতে সঙ্গতিস্থাপন কৰা দিশটোৰ প্ৰতি জনজাতীয় নেতাসকলে মনোযোগ নিদিয়া।

অতীতৰ জনজাতীয় আন্দোলনৰ নেতিবাচক দিশসমূহৰ পৰা আমি প্ৰত্যক্ষ কৰা এই অন্তৰায় সমূহৰ বিৰুদ্ধে আমি যোৱাটো বছৰ যুঁজ দি আহিছো আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন—অজনজাতীয় সাধাৰণ ৰাইজ যে আমাৰ কোনো প্ৰকাৰেই শত্ৰু নহয়, তেখেতসকল জনজাতীয় আন্দোলনৰ অতীকে আপোন তাক আমি প্ৰতীয়মান কৰিব পাৰিছো। জনজাতীয় আন্দোলনটোক বৃহত্তৰ জনসমাজলৈ লৈ যোৱাৰ বাবে আৰু অসমৰ অন্যান্য জনগোষ্ঠীৰ সমৰ্থন আদায়ৰ বাবে আমি চেষ্টা চলাইছো আৰু বহুখিনি সফল হৈছো। আমি অসম

OKDISCD

সমস্যাৰ গণতান্ত্রিক সমাধান দাবী সমিতিৰ যোগেদি অসমৰ ব্যাপক জনসাধাৰণৰ গনতান্ত্রিক আন্দোলনৰ লগত জনজাতীয় আন্দোলনৰ সংগতি স্থাপন কৰিছো যিটো জনজাতীয় আন্দোলনত নজাৰ সৃষ্টিকাৰী গুৰুত্বপূর্ণ ইতিবাচক উপাদান। এনে এক গণতান্ত্রিক সমন্বিত প্রচেষ্টাৰেহে শ্রেণী আৰু জাতীয় নিপিড়নৰ সমন্বয়ত গঢ়ি উঠা ব্যৱস্থাটোত নিহিত হৈ থকা জাতীয় নিপিড়নৰ ওৰ পেলাব পাৰিম।

আমি একাধিকবাৰ জনজাতি সংহতি পৰিষদৰ তৰফৰ পৰা অসম চৰকাৰৰ ওচৰত জনজাতীয় ৰাইজৰ মৌলিক দাবী সমূহ সমাধানৰ বাবে দাবী তুলিছো। অসম চৰকাৰে আমাৰ সমস্যা সমূহৰ প্রতি তুচ্ছ তাচ্ছিল্য কৰিছে, আমাৰ আশা-আকাঙ্খাক ভ্রূকুটি কৰিছে। জনজাতীয় সমাজক বিভ্রান্ত কৰিবলৈ চৰকাৰে জনজাতীয় সকল কি কাৰণত ঋণগ্রস্ত হ'ল, কি কাৰণত পেটৰ ভাত মুঠা আৰু গা-ৰ গামোছাখনো নোপোৱা হ'ল তাক আবিষ্কাৰৰ বাবে গৱেষনা কৰিবলৈ মহানগৰীত চৰকাৰৰ ভেৰনীয়া বিজ্ঞলোকৰ সভা পাতিছে। বড়ো ভাষাৰ ভবিষ্যত কি হব থিৰাং কৰিবলৈ মুখ্যমন্ত্রী ডাঙৰীয়াই গভীৰ চিন্তাত ঘুমটি মাৰিছে। সিহতে এফালে ঘৰিয়ালৰ চকুলো টুকিছে আনহাতে জনজাতি সংহতি পৰিষদৰ সাধাৰণ সম্পাদক আৰু সভাপতিক গ্রেপ্তাৰ কৰি কাৰাগাৰত নিক্ষেপ কৰিছে। একাংশ জনজাতীয় নেতাই কৈছে—হে বীৰ জনজাতীয় ৰাইজ। তোমালোক এতিয়া শুই থাকা। ভাগ্যৰ চকৰি ঘূৰিলে চৰকাৰে নিজে নিজেই দাবী মানি লব।

চৰকাৰে ভাবিছে জনজাতি সংহতি পৰিষদে ডাঙিধৰা জনজাতীয় সমস্যাৰ সমাধান অসমৰ অ-জন জাতীয় ৰাইজকে ধৰি সকলো লোকৰে গ্রহণযোগ্য সমাধান। গতিকে ই এদিন উত্তাল জোৱাৰৰ সৃষ্টি কৰিবই আৰু এই গণ-জোৱাৰে এদিন দিছপুৰৰ মছনদত বহি থকা হিতেশ্বৰহতৰ দাম্ভিক শিৰ নত কৰিবই। সিহতে মানি লবলৈ বাধ্য হব—জনজাতি সকল গোলাম নহয়- মানুহ- মানৱ সম্প্রদায়ৰ জয় যাত্রাত অংশ লোৱা সুন্দৰতম মানৱ সন্তান হিচাবে জীয়াই থকাৰ অধিকাৰ জনজাতীয় সকলৰ আছে। জনজাতীয় ৰাইজে এই অধিকাৰ আদায় কৰিবই। সেইবাবেই সিহঁত আজি ভীত সন্ত্রস্ত।

আহক। ১৭ এপ্রিলৰ এই মহান দিনটোক আমি স্মৰণ কৰো। প্রতিজ্ঞা কৰো **জনজাতীয় সকলৰ বাবে স্বায়ত্ব শাসিত জিলা আৰু অঞ্চল পৰিষদ গঠন, বড়ো ভাষাৰ চৰকাৰী সহযোগী ভাষাৰ স্বীকৃতি, জনজাতীয় সকলৰ যিসকল এতিয়াও অনুসুচীত হোৱা নাই তেওঁলোকৰ অনুসুচীতকৰণ আৰু অ-জনজাতীয় শোষকহতক জনজাতীয় বেল্ট ব্লকৰ পৰা অপসাৰণ** ইত্যাদি দাবীক লৈ আমি শেষ পর্য্যন্ত যুঁজ দি যাম।

আহক। আমি দাবী তোলো- **জনজাতীয় সংহতি পৰিষদৰ ওপৰত তৰা মিছা গোচৰ উঠাই লওক। পৰিষদৰ সাধাৰণ সম্পাদক অমিতাভ ৰাভা আৰু সভাপতি দেৰহাগ্রা মুছাহাৰীক (সম্প্রতি জামিন প্রাপ্ত)** *বিনাচৰ্ত্তে মুক্তি দিয়ক। জনজাতীয় ৰাইজৰ ওপৰত পুলিচি জুলুম বন্ধ কৰক।*

*১৭ এপ্রিলৰ জনসমাবেশত যোগদান কৰক।*
*জয় আমাৰ হবই।*
*জনজাতি ঐক্য জিন্দাবাদ।*
*জনজাতি সংহতি পৰিষদ জিন্দাবাদ।*

---

জনজাতি সংহতি পৰিষদৰ হৈ শ্রীপ্রবীণ ৰাভা, বলভদ্র বড়োৰ দ্বাৰা প্রকাশিত আৰু ইউনাইটেড্ প্রেছত মুদ্রিত।

OKDISCD

# ঃ সদৌ বড়ো ছাত্ৰ সন্থাৰ ৰাইজলৈ গোহাৰি ঃ

শ্ৰদ্ধেয় ৰাইজ,

অসম এখন বহু জাতিক দেশ । আমাৰ এই অসম দেশ বিভিন্ন জাতিসত্বাৰ সংস্কৃতিৰে সমৃদ্ধ । এই অসমত সংখ্যালঘূ জাতিসত্বাকে ধৰি সকলো জাতিসত্বাৰ শোষিত আৰু মেহনতী জনগণে পৰম্পৰৰ মাজত সাংস্কৃতিক আদান-প্ৰদানৰ মাজেদি মধুৰ সম্পৰ্ক ৰক্ষা কৰি আহিছিল ! কিন্তু আজি এই অসমৰ শেহতীয়া পৰিস্থিতি কি?

আমি **সদৌ বড়ো ছাত্ৰ সন্থাই** " বিদেশী নাগৰিক " বহিস্কৰণৰ দাবী এই বাবেই সমৰ্থন কৰিছিলোঁ যে অসমত বিদেশী নাগৰিকৰ অনুপ্ৰবেশ বন্ধ হওঁক আৰু যিবোৰ অবৈধভাবে অসমত বাস কৰি আছে তেওঁলোকক চিনাক্ত কৰি সাংবিধানিক আৰু গণতান্ত্ৰিক উপায়েৰে নিজ নিজ দেশলৈ ওভোটাই পঠিওৱা হওঁক ! কিন্তু এতিয়া আমি দেখিছোঁ যে বৃহৎ জাতিসুলভ দাম্ভিকতাত মত্ত হৈ এই আন্দোলনে আজি সকলো সংখ্যালঘূ জাতিসত্বা জনগণৰ মাজলৈ সন্ত্ৰাস আৰু সংশয়ৰ ৰাজত্ব নমাই আনিছে । এফালে ই বিভিন্ন জাতিসত্বাৰ মাজত অনৈক্য অসূয়াৰ সৃষ্টি কৰিছে আৰু আনফালে বিভিন্ন মৌলিক সমস্যাক লৈ কৰা আন্দোলন সমূহক বাধা দিছে । এই আন্দোলনৰ নেতৃত্বই "শান্তি আৰু সম্প্ৰীতি" ৰক্ষাৰ আহ্বান দিছে যদিও প্ৰকৃততে এওঁলোকে সংখ্যালঘূ জাতিসত্বাৰ ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশৰ সলনি ধ্বংসৰ আঁচনিহে লৈছে ।

১৯৫২ চনৰ পৰাই বড়োসকলে বড়োভাষাৰ স্বীকৃতি দানৰ বাবে যি আন্দোলন কৰি আহিছে অসম সাহিত্য সভাই সদায় তাৰ বিৰোধিতা কৰি আহিছে । ১৯৭৪ চনত বড়ো ভাষাৰ লিপিৰ কাৰণে বড়োসকলে কৰা আন্দোলনক "অসম সাহিত্য সভা" আৰু "সদৌ অসম ছাত্ৰ সন্থাই" বিৰোধিতা কৰিছিল । সেই সময়ত বড়োসকলৰ এই আন্দোলনৰ বিৰোধিতা কৰা বহু অসমীয়া যুৱকে বড়ো ৰমণীৰ সতীত্ব হৰণ কৰিছিল । অলপতে গুৱাহাটীৰ ওচৰৰ ফুলুং চাপৰিত বিদেশীৰ বেদখল উচ্ছেদ কৰাৰ নামত সদৌ অসম ছাত্ৰ সন্থাৰ "দেশ প্ৰেমিক" সকলে "জয় আই অসম" ধ্বনি দি এই অসমৰেই আদি সন্তান বড়োভাষী হাবিৰাম আৰু বিহুৰামক নৃশংষ ভাবে হত্যা কৰিছিল । ইতিহাস আজিও সাক্ষী আছে··· । আৰু আজি "বিদেশী বহিস্কাৰৰ" নামত এওঁলোকে যিবিলাক কাৰ্য্য-কলাপ চলাইছে সেইবোৰো অনা অসমীয়া ভাষা-ভাষী সকলৰ অধিকাৰ খৰ্ব কৰি নিজৰ দাম্ভিক প্ৰভুত্ব প্ৰতিষ্ঠাৰেই প্ৰচেষ্টা নহয়নে ?

অলপতে " সদৌ অসম ছাত্ৰ সন্থা " আৰু " সদৌ বড়ো ছাত্ৰ সন্থা " ৰ মাজত পাচ দফীয়া দাবীৰ ভিত্তিত যি আলোচনা হৈছিল তাত তেওঁলোকে বড়ো সকলৰ পাচদফা দাবী ( বড়ো চৰকাৰী সহযোগী ভাষা, ট্ৰাইবেল বেল্ট আৰু ব্লক, জন-জাতিৰ বাবে চাকৰি সংৰক্ষণ, জনজাতীয় বৃত্তি ইত্যাদি) মানি লোৱা নাছিল । কিন্তু সেই একেই ছাত্ৰ সন্থাৰ একেই নেতৃত্বই আজি ট্ৰাইবেল বেল্টৰ পৰা বিদেশী বহিস্কাৰ কৰি বড়োসকলৰ কলা-সংস্কৃতি সংৰক্ষণ কৰিব লাগে বুলি কৈ আমাক আভুৱা ভাবিব খুজিছে । তদুপৰি তেওঁলোকে অসমৰ আদিবাসী বড়োসকলক "পৰিচয় পত্ৰ" ও দিব খুজিছে । ই বড়োসকলৰ প্ৰতি চৰম অপমানজনক ব্যৱহাৰ নহয়নে ?

আমাৰ দেশৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰিবৰ্ত্তন নোহোৱাকৈ, আমূল ভূমি সংস্কাৰ, আৰু বিদেশী শক্তিৰ হস্তক্ষেপৰ অন্ত নেপেলোৱাকৈ নিবনুৱা সমস্যা, খাদ্য সঙ্কট, বয়-বস্তুৰ মূল্য বৃদ্ধি আদিৰ ওৰ পেলাব পৰা নাযায় । প্ৰকৃত পক্ষে জাতীয় স্বাৰ্থ আৰু প্ৰগতিৰ কথা চিন্তা কৰিবলৈ হলে মূল সমস্যাৰ কেৰোণবোৰৰ বিৰুদ্ধেহে যুঁজিব লাগিব । সংখ্যালঘূ জাতিসত্বাৰ ওপৰত অত্যাচাৰ নমাই আনি জাতিক উন্নত কৰা নাযায়— যি কথা যিকোনো যুক্তিবাদী লোকেই দ্বিধাহীনভাবে মানি লব । আজি বহিৰাগত বহিস্কাৰৰ নামত যি অশুভ পৰিস্থিতি সৃষ্টি কৰা হৈছে সি পৰোক্ষভাবে দেশী-বিদেশী শোষকৰ স্বাৰ্থহে পুৰণ কৰিছে ।

সেয়েহে ৰাইজ, আহক আমি সকলো জাতিৰ সম অধিকাৰৰ নীতিক উৰ্দ্ধত তুলি ধৰোঁ, বৃহৎ জাতিসুলভ দাম্ভিকতাৰ বিৰোধিতা কৰোঁ আৰু বহিৰাগত বহিস্কৰণৰ বাবে এই আন্দোলনৰ নেতৃত্বৰ দৰে আকোঁৰগোজ মনোভাব নলৈ সুস্থভাবে এটা ৰাজনৈতিক ঐক্যমতত উপনীত হৈ ইয়াৰ আইনগত ৰূপ দিয়াত সহায় কৰোঁ ।

★ **সদৌ বড়ো ছাত্ৰ সন্থা জিন্দাবাদ ।**

---

সদৌ বড়ো ছাত্ৰ সন্থাৰ হৈ তেজপুৰ জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকৰ দ্বাৰা প্ৰচাৰিত ।

OKDISCD

# টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবীত জনজাতি জনগন জাগ্রত হওঁক।
# সাংবিধানিক অধিকাৰৰ দাবীত ঐক্যবদ্ধ হওঁক।

শ্রদ্ধেয় সংগ্রামী সতীর্থ,

সম্ভাষণ জানিব। জয় জয়তে টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবী সমিতিৰ তৰফৰ পৰা আমাৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। উজনি অসমৰ মাৰ্ঘেৰিটাৰ হস্তান্তৰ এলেকাৰ টিৰাপ জনজাতি বেষ্টনিৰ লগতে তিনিখন মৌজা মাকুম, বুঢ়ীদিহিং, টিৰাপ মৌজা আৰু ইয়াৰ কাষৰীয়া পাৰ্বত্য আৰু ভৈয়াম জনজাতি অধ্যুষিত বৃহৎ অঞ্চল সামৰি ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ আধাৰত "টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ" গঠন কৰিবলৈ বিভিন্ন সংগঠন সমূহে দাবী জনাই আহিছে। এই সীমান্ত অঞ্চলত বসবাস কৰা থলুৱা পাৰ্বত্য জনগোষ্ঠি চিংফৌ টাই ফাকে, টাংচা নগা, চেমা নগা, খাময়াং খামতি, ভৈয়াম জনজাতি সোনোৱাল, মিচিং দেউৰী আদি সীমান্তমুৰীয়া ভাষীক আৰু ধৰ্মীয় সংখ্যালঘূৰ উপৰিও অন্যান্য পিছপৰা শ্ৰেণী মৰাণ মটক, আৰু চাহ-জনজাতি লোক সকলক পূৰ্বৰ চৰকাৰ সমূহে স্বাধীনতাৰ ৫০ বছৰৰ পিছতো তেওঁলোকৰ ভূমি, ভাষা, সংস্কৃতিৰ ৰক্ষণা বেক্ষণৰ ক্ষেত্ৰত প্ৰতাৰণা, শোষণ আৰু বঞ্চিত নীতিয়ে এই জনগোষ্ঠি সকলক অতিষ্ঠ কৰি পেলাইছে। জনজাতি বেষ্টনিৰ হাজাৰ হাজাৰ বিঘা ভূমি বিদেশী অ-জনজাতি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত হব পৰা নাই। কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ জনজাতি সকলৰ ক্ষেত্ৰত ৰূপায়িত কল্যানমূলক আঁচনিসমূহো এই লোকসকলৰ ক্ষেত্ৰত প্ৰতাৰিত আৰু বঞ্চিত। এওঁ লোকৰ স্থানীয় অঞ্চলৰ ওপৰত থকা সাংবিধানিক, ৰাজনৈতিক আৰু সামাজিক মৰ্য্যদাৰ সামান্যতম অধিকাৰো অন্যায় ভাবে কাঢ়ি নিয়া হ'ল। বিদেশী বে-দখলকাৰীক জনজাতিৰ বেষ্টণিৰ পৰা আজিও উচ্ছেদ কৰা নহ'ল। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে হাজাৰ হাজাৰ বিদেশীৰ ভোট বেংকৰ বাবে হাজাৰ হাজাৰ বিদেশী নেপালীক, বাংলাদেশী আৰু অ-জনজাতি লোকৰ জনজাতি বেষ্টনিত সংস্থাপিত কৰি অসম ভূমি আইন জলাঞ্জলী দি দিয়া হ'ল। অসম গণ পৰিষদৰ দিনত কোনো ধৰণৰ স্থানীয় জনজাতি মুখিয়াল, সংগঠন আদিৰ লগত পৰামৰ্শ নোলোৱাকৈ সহকাৰী ৰাজনৈতিক প্ৰাধিকাৰী (Asstt. Political officer) পদটো বিলুপ্ত কৰি নিষ্ক্ৰিয় কৰা হল আৰু জনজাতি বিৰুদ্ধি নীতিত চৰকাৰী বিষয়া লিপ্ত হ'ল। অসম চৰকাৰে ভূমি নীতি বিৰুদ্ধি কামত লিপ্ত হৈ জনজাতি বেষ্টনি ভঙাত উঠি পৰি লাগিছে। যাৰ বাবে Assam Land Revenue Regulation Act. 1886, Chapter X, সকলো সাংবিধানিক দফা জলাঞ্জলি দিয়া হৈছে। অসম চৰকাৰে অসম চুক্তিৰ দফা ১০ আখৰে আখৰে পালন কৰা নহ'ল।

এইদৰে চৰকাৰে বিভিন্ন সময়ত জনজাতি জনকল্যানৰ নামত ৰূপায়িত আচনি সমূহ পদে পদে এই সীমান্ত মুৰীয়া ভাষীক আৰু ধৰ্মীয় সংখ্যালঘু জনজাতি সকলক বঞ্চিত আৰু প্ৰতাৰিত কৰি আহিছে। সেয়ে বৰ্ত্তমান স্বায়ত্ব শাসনৰ দ্বাৰাই জনজাতিসকলৰ ভাষা-সংস্কৃতি ভূমি, সম্পদ ৰক্ষণাবেক্ষণৰ উপৰিও ৰাজনৈতিক অৰ্থ নৈতিক আৰু সামাজিক আশাই আকাখ্যাৰ ক্ষেত্ৰত সাংবিধানিক স্বীকৃতি প্ৰদান কৰি অধিক ক্ষমতা প্ৰদান কৰক। আহঁক, আমি এই সাংবিধানিক ন্যাৰ্য্য দাবিত একত্ৰিত হৈ আগবাঢ়ি যাওঁ।

আমাৰ দাবী :—

১। মাৰ্ঘেৰিটাৰ মহকুমাৰ অন্তৰ্গত হস্তান্তৰ এলেকাৰ টিৰাপ জনজাতি বেষ্টনিৰ লগতে মাকুম, বুঢ়িদিহিং, টিৰাপ মৌজা আৰু ইয়াৰ কাষৰীয়া বৃহৎ এলেকা সামৰি ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ আধাৰত টিৰাপ অতিশীঘ্ৰে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰক।

২। জনজাতি বেষ্টনিত নেপালি গো-পালক সকলক সংৰক্ষিত জাতি ( Protected Class ) হিচাবে ঘোষণা কৰা জাননিখন অতি শীঘ্ৰে বাতিল কৰক.

৩। জনজাতি বেষ্টনিত অবৈধ বিদেশী আৰু অজনজাতি বে-দখলকাৰী চাহ চিত্ৰনলা, বাগান, অবৈধ বাসিন্দাক অতি শীঘ্ৰে উচ্ছেদ কৰক।

৪। সহকাৰী ৰাজনৈতিক প্ৰাধিকাৰী পদটো কাৰ্য্য ক্ষমৰ পুণৰ ব্যৱস্থা কৰক।

৫। মাৰ্ঘেৰিটাৰ মহকুমাত Tribal Sub Plan জনজাতি উপপৰিকল্পনাৰ ব্যৱস্থা কৰক।

৬। আন্তঃৰাষ্ট্ৰীয় ঐতিহাসিক ষ্টীলৱেল পথটো পুনৰ মুকলিৰ ব্যৱস্থা কৰক।

৭। মাৰ্ঘেৰিটা বিধান সভাৰ আসন খন পাৰ্বত্য জনজাতি সকলৰ বাবে সংৰক্ষণৰ কৰক।

৮। জনজাতি সকলক ভূমি পট্টন দিয়া খৰতকীয় কৰক।

৯। বিভিন্ন বিভাগত খালী হৈ থকা পাৰ্বত্য আৰু ভৈয়াম জনজাতি বেকলক সমূহ অতি শীঘ্ৰে পূৰণ কৰক।

১০। সীমান্ত পুঁজি সংব্যৱহাৰ কৰক আৰু সীমান্ত উন্নয়ন খণ্ড Boarder Development Block স্থাপন কৰক।

১১। ডিগবৈৰ Oil India আৰু Coal India ত স্থানীয় জনজাতি নিবনুৱাক নিযুক্তিৰ ব্যবস্থা কৰক।

১২। জনজাতি বেষ্টনিৰ ভিতৰত সকলো অ-জনজাতি গাওঁ পঞ্চায়ত সভাপতি, সদস্য, চৰকাৰী গাওঁবুঢ়াক অতিশীঘ্ৰে বৰখাস্ত কৰক।

১৪। মাৰ্ঘেৰিটা পেঙেৰী পথটো পকীকৰণ আৰু ডিগবৈ বৰডোমছা পথটো অতি শীঘ্ৰে মেৰামতি কৰক।

১৫ সমগ্ৰ অসমত বলৱত হোৱা কলা আইন আৰু সেনা সন্ত্ৰাস অতি শীঘ্ৰে বন্ধ কৰক।

**॥ জনজাতি ঐক্য জিন্দাবাদ ॥**

টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবীৰ সহযোগী সংগঠন সমূহ—

মাৰ্ঘেৰিটা পাৰ্বত্য জনজাতি জিলা পৰিষদ, মাৰ্ঘেৰিটা জিলা জনজাতি যুৱ সচেতন মঞ্চ জনজাতি ছাত্ৰ ফেডাৰেচন, জনজাতি শান্তি পৰিষদ, মাৰ্ঘেৰিটা ট্ৰাইবেল সংঘ, চিংফৌ জাতীয় পৰিষদ, চেমা নগা জাতীয় পৰিষদ, টাংচা জাতীয় পৰিষদ, টাইফাকে জাতীয় পৰিষদ, খাময়াং জাতীয় পৰিষদ, খামটি জাতীয় পৰিষদ; চিংফৌ মহিলা সমিতি, সোনোৱাল কছাৰী জাতীয় পৰিষদ, সংযুক্ত জনজাতি মঞ্চ, দেউৰী ছাত্ৰ সন্থা, মিচিং জাতীয় পৰিষদ, মাৰ্ঘেৰিটা।

---

টিৰাপ স্বায়ত্ব শাসিত জিলা পৰিষদ দাবী সমিতিৰ হৈ সভাপতি শ্ৰীজন চেমা, সম্পাদক শ্ৰীমানচেলা চিংফৌ প্ৰচাৰ সম্পাদক চাওঁ প্ৰসন্ন টুৰুং আৰু সংযুক্ত জনজাতিমঞ্চৰ সম্পাদক শ্ৰীলম্বোধৰ হাজৰিকাৰ দ্বাৰা প্ৰচাৰিত আৰু প্ৰকাশিত তাং—১২/৯/৯৬

OKDISCD

# বঞ্চিতজনৰ ঐক্যমঞ্চ আৰ্মকাৰ নেতৃত্বত নিপীড়িত মানুহৰ পদযাত্ৰাৰ আহ্বান ঃ

## *নিপীড়িত মানুহৰ ঐক্য আৰু নিৰাপত্তাৰ বাবে ঐক্যবদ্ধ হওঁক ! ঐক্যবদ্ধ শক্তিৰ ভিত্তিত কাঢ়ি আনক প্ৰকৃত অধিকাৰ, মৰ্য্যাদা আৰু গণতন্ত্ৰ !*

শ্ৰদ্ধেয় ৰাইজ,

আজি এনে এক মুহূৰ্ত্তত, আমি আমাৰ এই পদযাত্ৰাত চামিল হৈছো, যেতিয়া এফালেদি যেনেকৈ এক সৰ্বনাশী অৰ্থনৈতিক বিপৰ্য্যয়ে আমাক গ্ৰাস কৰিবলৈ উদ্যত হৈছে, সীমাহীন দাৰিদ্ৰ আৰু কৰ্মহীনতাই আমাক খুলি খুলি খাইছে, আনফালেদি থলুৱা-অথলুৱা প্ৰশ্নক কেন্দ্ৰকৰি এক চৰকাৰী আৰু বেচৰকাৰী সন্ত্ৰাসবাদৰ ষড়যন্ত্ৰমূলক চক্ৰবেহুৱে আমাক ঘেৰি ধৰি মৃত্যু আৰু বিভীষিকাৰ প্ৰেতনৃত্য আৰম্ভ কৰিছে।

এই শাসকীয় আৰু গোষ্ঠী সন্ত্ৰাসৰ প্ৰেতনৃত্য আৰম্ভ হৈছে নিপীড়িত ভাই সকলৰ নিজৰ ভৱিষ্যৎ নিজেই নিৰ্ধাৰণ কৰাৰ দাবীক কেন্দ্ৰ কৰি। প্ৰকৃত স্বাধীনতা, প্ৰকৃত গণতন্ত্ৰ আৰু প্ৰকৃত আত্মনিয়ন্ত্ৰণৰ সংগ্ৰাম কেতিয়াও ভ্ৰাতৃহত্যা আৰু শাসক দলৰ দালালীৰ জৰিয়তে আহিব নোৱাৰে। যি আছে সি হ'ল প্ৰতাৰণা আৰু আত্ম প্ৰতাৰণা, আৰু আছে আত্মঘাতী বিভাজন। আজি তাকেই আমি প্ৰত্যক্ষ কৰিছো, বড়ো জনজাতিৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নত তাকেই দেখিছো অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ প্ৰশ্নত, তাকেই দেখিছো সদৌ অসমতে জাতিসমস্যাৰ প্ৰশ্নত। আহক, আমি ভ্ৰাতৃহত্যা আৰু দালালী দুয়োটাকে প্ৰত্যাখ্যান কৰো।

সকলো অসমবাসীৰ বাবেই যেতিয়া আজি চৰম সামাজিক অশান্তি এক সাধাৰণ ৰূপত বিৰাজ কৰিছে, তেতিয়া উগ্ৰজাতীয়তাবাদী সাম্প্ৰদায়িক সকলে 'আলী-কুলি-বঙালী-নেপালী" বুলি অভিহিত কৰা গোষ্ঠীসমূহৰ সাধাৰণ মানুহখিনি প্ৰতিটো দিন, প্ৰতিটো নিশা, বিশেষকৈ, এই অঞ্চলত (অৰ্থাৎ পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাত) জীৱন আৰু মৃত্যুৰ সীমানাত থিয়হৈ কটাব লগা হৈছে।

"আলী" অৰ্থাৎ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহখিনিৰ বিৰুদ্ধে কি ভোটাধিকাৰৰ প্ৰশ্নত, কি মাটিৰ অধিকাৰৰ প্ৰশ্নত, কি মানুহৰ মৰ্য্যাদাৰ প্ৰশ্নত যি অন্যায় হৈ আছে তাৰ প্ৰতিবাদ লাগে, তাৰ প্ৰতিকাৰ লাগে। আহক আমি সকলোৱে লগলাগি ঐক্যবদ্ধভাবে ইয়াৰ বাবে এক সংগ্ৰামী জোৱাৰ গঢ়ি তুলো যাৰ গুৰিত থাকিব এই সম্প্ৰদায়ৰ খাটীখোৱা মেহনতী মানুহবোৰ। আমি আৰু এই মানুহখিনিৰ মূল্যবান জীৱনবোৰ হত্যাকাৰীৰ সহজ চিকাৰ হৈ থাকিবলৈ নিদিওঁ। আহক, প্ৰতিৰোধ গঢ়ো। "কুলী" অৰ্থাৎ ঝাড়খণ্ডী সমাজৰ মানুহখিনিৰ বিৰুদ্ধে থকা ভাবুকি, এওঁলোকৰ বিৰুদ্ধে থকা শোষণ-বঞ্চনা আৰু বৈষম্যৰ প্ৰতিকাৰ আমি বিচাৰিছো। 'চিডিউল' হিচাবে হেৰোৱা অধিকাৰখিনি ঘুৰাই পোৱাৰ বাবে আহক আমি যুজত আগবাঢ়ো। মাটিৰ অধিকাৰ আহক, আমি সুৰক্ষিত কৰো। আহক, এওঁলোকক অপমান আৰু অবজ্ঞাৰ পৰা মুক্ত কৰি মহান সাংস্কৃতিক ঐতিহ্যক পুনৰুদ্ধাৰ কৰো।

OKDISCD

"বঙালী" মানুহখিনিৰ জীৱনৰ অনিশ্চয়তা আৰু অৰ্থনৈতিক দুৰৱস্থা আজি তেওঁলোকক এক গ্লানিময় জীৱনৰ পিনে ঠেলি দিছে। আহক, এওঁলোকৰ নাগৰিকত্বক সুনিশ্চিত কৰাৰ যুজত এওঁলোকক লগ দিওঁ। এওঁলোকৰ বুকুৰ অৱৰুদ্ধ ক্ষোভক ভাষা দিওঁ।

"নেপালী" মাহনুখিনিৰ জীৱন সামাজিক নিৰাপত্তাহীনতা অপমান আৰু বঞ্চনাৰ জীৱন। আহক, এওঁলোকৰ নিৰাপত্তা আৰু মৰ্য্যাদাৰ বাবে এক গণতান্ত্ৰিক প্ৰতিবাদ সংগ্ৰামত আমি চামিল হওঁ।

অসমৰেই ভূমিপুত্ৰ কোঁচ-ৰাজবংশী-ক্ষত্ৰিয় গোষ্ঠীৰ মানুহখিনি অন্যান্য নিপীড়িত গোষ্ঠীৰ মানুহৰ দৰেই অবহেলিত, বঞ্চিত আৰু নিপীড়িত। সীমাহীন দাৰিদ্ৰ্যৰ বিভীষিকা এওঁলোকৰ জীৱনৰো চিৰলগৰী। আনকি, প্ৰতাৰণামূলকভাবে অনেকবাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো, আজিলৈকে এওঁলোকক অনুসূচীকৰণ কৰা নহ'ল। আহক, এওঁলোকৰ প্ৰাপ্য অধিকাৰসমূহৰ বাবে এওঁলোকৰ যুজত আমি চামিল হওঁ, কাঢ়ি আনো ন্যায্য অধিকাৰ সমূহ।

এনেবোৰ সংগ্ৰামৰ বিজয়ৰ ওপৰতেই নিৰ্ভৰ কৰিছে, অসমৰ সকলো ৰাইজৰ বাবে এখন গণতান্ত্ৰিক, ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত সামাজিক শান্তিৰ সমৃদ্ধ অসমৰ বাস্তৱতা। আহক, এই বাস্তবতাক অস্বীকাৰ নকৰি, সকলো ধৰণৰ দাম্ভিকতা, আৰু সংকীৰ্ণতাক পৰিহাৰ কৰি চকু মেলি চাওঁ আমাৰ সকলোৰে সাধাৰণ শত্ৰুৰ পিনে। তাত দেখিম এক অতিকেন্দ্ৰীক ফেচিবাদী শাসণ-শোষণৰ যন্ত্ৰ, আৰু তাক অধিকাৰ কৰি বহি আছে এক বৰ্ণবাদী জাতিদাম্ভিক সাম্প্ৰদায়িক শাসক শ্ৰেণীয়ে, যাৰ পিচফালে আছে দানবাকৃতি সাম্ৰাজ্যবাদৰ কলা ছাঁ। এই শতৰু সকলে তেওঁলোকৰ সংকটৰ বোজাৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু মুনাফাৰ হাৰ বৃদ্ধি কৰিবলৈ পাতিছে হাজাৰটা লুণ্ঠনৰ আৰু নিৰ্মম দমন নিপীড়ণৰ জাল। এই জালত বন্দী আজি অসমীয়া বড়ো ৰাভা লালুঙ মিছিং কোঁচ-কছাৰী-মৰাণ-মটক আৰু "আলী-কুলি-বঙালী-নেপালী"। আহক আমি আটায়ে ঐক্যবদ্ধ হওঁ আমাৰ সাধাৰণ শতৰুৰ বিৰুদ্ধে, ব্যৰ্থ কৰো নতুন অৰ্থনৈতিক নীতিৰ প্ৰতাৰণাক, সৃষ্টি কৰো ফেডাৰেল ভাৰতত ফেডাৰেল অসমক, অৰ্জন কৰো প্ৰকৃত আত্মনিয়ন্ত্ৰণ, সুনিশ্চিত কৰো অধিকাৰ আৰু নিৰাপত্তা।

* * * *

আমাৰ এই পদযাত্ৰা হওঁক সেই লক্ষ্যৰ পিনে এক দুৰ্নিবাৰ যাত্ৰা, আলোকৰ যাত্ৰা

* * * *

আমাৰ এই পদযাত্ৰা হওঁক দিচা বাগিছাৰ নিহত ঝাড়খণ্ডী শ্ৰমিকৰ আৰু বচনগাঁৱত নিহত সংখ্যালঘু শ্ৰমিকৰ গধুৰ সোঁৱৰণত উছৰ্গীত

—আৰ্মকা-JSPৰ পদযাত্ৰীসকল

---

আৰ্মকা আৰু ঝাড়খণ্ডী সংগ্ৰাম পৰিষদৰ হৈ সৰ্বশ্ৰী মুকুট সিংহ চুতীয়া ৰবীন টুডু, কুশল মানকি, আব্দুৰ ৰেজ্জাক আৰু চিদ্দিকুৰ ৰহমানৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। ৪/২/৯৫

OKDISCD

# কোঁচ-ৰাজবংশীক অনুসুচিত জনজাতি কৰাৰ দাবীত

কোঃ ৰাঃ সংগ্ৰাম সমিতিৰ ৯ আগষ্টৰ অসম বন্ধত সহযোগ
কৰিবলৈ আম'কাৰ গোঁহাৰি

শ্ৰদ্ধেয় ৰাইজ,

যি কোঁচ-ৰাজবংশী সকলে নিজৰ পূৰ্বৰ জনজাতীয় পৰিচয় বিসৰ্জন দি অসমীয়া জাতি গঠনৰ অন্যতম মূল উপাদান আৰু কাৰিকৰ হিচাবে বিৰাট ভুমিকা পালন কৰিছিল, যি কোঁচ-ৰাজবংশীয়ে অসমীয়া জাতীয়তাবাদী নেতৃত্বই 'অস্তিত্বৰক্ষা'ৰ নামত কৰি অহা প্ৰতিটো আন্দোলনৰ সেনানীৰূপে নিঃসঙ্কোচে ওলাই আহিছিল, সেই কোঁচ-ৰাজবংশী সকলেই অসমীয়া জাতীয়তাবাদী শাসক গোষ্ঠীৰ শোষণ শাসনৰ চেপাত নিজৰ সৰ্বস্ব হেৰুওৱাৰ বেদনাত আজি হাঁহাকাৰ কৰিব লগা হৈছে। দীৰ্ঘদিনৰ বঞ্চনাৰ কৰুণ উপলব্ধিৰে আজি নিজৰ গোষ্ঠীটোক অনুসুচিত জনজাতিৰ তালিকাভুক্ত কৰিবলৈ আন্দোলনত নামিব লগা হৈছে। যদিও অসমৰ বৰ্ণহিন্দু-জাতীয়তাবাদী নেতৃত্বই অসমৰ কোঁচ ৰাজবংশীসকল পশ্চিমবঙ্গ, মেঘালয়, ত্ৰিপুৰা আদিৰ দৰে অনুসুচিভুক্তি নকৰি উচ্চ জাত বিলাকৰ লৈতে প্ৰতিদ্বন্দিতাৰ মাজলৈ ঠেলি দিছে, তথাপি বাস্তৱ জীৱনে এইটো সুন্দৰকৈ দেখুৱাইছে যে এই বিৰাট জনগোষ্ঠীটোৰ লোকসকল উচ্চ জাতৰ লৈতে ফেৰ মাৰিব পৰা অৱস্থাত নাই। ফলত, অনুসুচিত হোৱা হ'লে যিকণ চৰকাৰী সা-সুবিধা তেওঁলোকে পাব পাৰিলেহেঁতেন, তাৰ পৰাও তেওঁলোকক বঞ্চিত কৰি আটাইবোৰ সা-সুবিধা উচ্চ বৰ্ণৰ ভোগ দখললৈ নিবৰ ষড়যন্ত্ৰহে যে কোঁচ-ৰাজবংশীক অনুসূচিভুক্ত নকৰাৰ আৰত লুকাই আছে সেই কথা বুজিবলৈ আজি কাৰো বাকী নাই। সেইকাৰণে, চৰকাৰৰ বহি থকা জাতীয়তাবাদী কৰ্ণধাৰ সকলে কোঁচ-ৰাজবংশীৰ অনুসূচীকৰণৰ দৰে দীৰ্ঘদিনীয়া দাবীবোৰকো আওকাণ কৰি আহিছে। নিপীড়িত জাতি-বৰ্ণবোৰে যেতিয়াই নিজৰ জাতি গোষ্ঠীগত অধিকাৰ সাব্যস্ত কৰিবলৈ দাবী তুলিছে তেতিয়াই এচাম লোকে তাৰ মাজত সাম্প্ৰদায়িকতাবাদৰ গোন্ধ পাই নাক কোঁচাইছে আৰু চিঞৰ-বাখৰ কৰি বৰ্ণবাদী সাশক শিবিৰৰ ৰক্ষকৰ ভাওত অৱতীৰ্ণ হৈছে। আম'কাই এওঁলোকৰ এনে চিঞৰ-বাখৰৰ বিপৰীতে কোঁচ-ৰাজবংশীকে ধৰি বিভিন্ন নিপীড়িত জনগোষ্ঠীৰ অনুসুচিকৰণ বা সংৰক্ষণ ব্যৱস্থাৰ পূৰ্ণ কাৰ্যকৰীকৰণ পক্ষে প্ৰচাৰ চলাইছে বা আন্দোলনত ভাগ লৈছে এই কাৰণেই যে এনে সংস্কাৰ ব্যৱস্থাই নিপীড়িত জাতি-বৰ্ণবোৰক জাতি-বৰ্ণগত শোষণ বঞ্চনাৰ সম্পূৰ্ণ বিলুপ্তিৰ বাবে সংগ্ৰামৰ বাটত এঢাপ আগুৱাই দিব গোষ্ঠীগত শোষণ-বঞ্চনাৰ ওপৰত টিকি থকা সামন্তীয়-পুজিবাদী শোষণ পদ্ধতিক আকামিলা কৰি স্বৈৰাচাৰী ৰাজনৈতিক ব্যৱস্থাক দুৰ্বল কৰিব। লগতে, আম'কাই এই কথা বাৰংবাৰ দোঁহাৰি আহিছে যে যি একচছত্ৰী শাসন ক্ষমতাৰ বলত বৰ্ণবাদী শক্তিয়ে জাতি-বৰ্ণগত শোষণ-পীড়ণ চলাই থাকিব পাৰিছে, সেই শাসন ব্যৱস্থাক (সি অগপ বা কংগ্ৰেছ যি ৰঙৰে নহওঁক) নিঃশেষ কৰি প্ৰতিটো জনগোষ্ঠীৰ স্বায়ত্বশাসনৰ ব্যৱস্থাৰে এক নতুন গণতান্ত্ৰিক গণৰাজ প্ৰতিষ্ঠা অবিহনে জাতি-বৰ্ণগত শোষণ বঞ্চনাৰ বিলুপ্তি নঘটিব। সেয়ে, আমি কোঁচ-ৰাজবংশী ৰাইজকে ধৰি সকলোলৈকে গোঁহাৰি জনাওঁ তেওঁলোকে যেন নিজৰ আৰ্থ-সামাজিক অধিকাৰৰ দাবীবোৰৰ সংগ্ৰামৰ লগে লগে পুৰণি শাসনতন্ত্ৰৰ পতন ঘটাই নতুন গণৰাজ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বাবেও নিজকে প্ৰস্তুত কৰি তোলে।

ইনকিলাৱ জিন্দাবাদ !
অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ ( আম'কা )
জিন্দাবাদ ।

OKDISCD

# 'নাৰীৰ বিৰুদ্ধে চলা অত্যাচাৰ, ধৰ্ষণ তথা সন্ত্ৰাসৰ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰীলৈ নাৰী মুক্তি সন্থাৰ মুকলি চিঠি'

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া,

যি মুহূৰ্ত্তত আপোনালোক আৰু আপোনালোকৰ সমৰ্থনপুষ্ট বাতৰিকাকতে অসমৰ ৰাইজক আন্দোলনৰ গইনা লৈ কিছু কিছু আন্দোলনকাৰীয়ে হিংসা, নিৰ্য্যাতন আদি পন্থাৰ আশ্ৰয় লোৱা বুলি হৈ চৈ লগাই দিছে সেই একে সময়তে আপোনালোকে ৰাজ্যৰ আৰক্ষী বাহিনী আৰু অন্যান্য সশস্ত্ৰ বাহিনীৰ দ্বাৰা শান্তি ৰক্ষাৰ অজুহাতত সাধাৰণভাবে নিৰীহ জনগণ, বিশেষকৈ নাৰীৰ বিৰুদ্ধে যি ব্যাপক সন্ত্ৰাস, অত্যাচাৰ তথা ধৰ্ষণৰ ঢল নমাইছে তাক সুকৌশলে গোপন কৰি ৰাখিব বিচাৰিছে।

হাজাৰ বাধা তথা ভাবুকিৰ প্ৰাচীৰখনৰ মাজেদি দুৰ্গন্ধময় কলংকজনক এনে ঘটনাবোৰ ৰাইজৰ চকুত একেবাৰে নপৰাকৈ থকা নাই।

কোকৰাঝাৰৰ ওচৰৰ ভুমকা-বিষমুৰি গাৱঁত আৰক্ষী বাহিনীৰ লোকে ১৯৮৮ চনৰ জানুৱাৰী মাহত যি নাৰকীয় ধৰ্ষণলীলা চলাইছিল তাক অস্বীকাৰ তথা গোপন কৰাৰ চেষ্টা আপোনালোকে কৰা নাছিলনে? বিভিন্ন স্বেচ্ছাসেবী প্ৰতিষ্ঠান তথা নাৰী সংগঠনসমূহে অসমৰ, অসমবাসীৰ বিবেকৰ প্ৰতিনিধি হিচাবে সিদিনা নেৰানেপেৰা প্ৰচেষ্টা চলাই উচ্চ ন্যায়ালয়ৰ সহায় নোপোৱা হলে আপোনালোকে হয়তো ঘটনাটোক ৰাজনৈতিক অপপ্ৰচাৰ বুলি কবৰত শুৱাই থলেহেঁতেন।

যি কি নহওক. সিদিনা উচ্চন্যায়ালয়ৰ নিৰ্দেশ পাই টোপনিৰ পৰা সাৰ পাই উঠি ঘৰীয়ালৰ চকুপানী টুকি ৰাজহুৱাভাবে ঘোষণা কৰিছিল, নাৰীসমাজৰ বিৰুদ্ধে কোনো অন্যায়কেই কোনো অজুহাততেই আপোনালোকে সহ্য নকৰে। বাৰু সহ্যই যদি নকৰে তেনেহ'লে আমাক জানিব দিব পাৰিবনে, ৰাইজক জানিব দিব পাৰিবনে, আপোনালোকে দোষীক কি শাস্তি বিহিছে।

আমাক কওক —১৯৮৮ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮৯ চনৰ ফেব্ৰুৱাৰী এই চৈধ্যটা মাহৰ ভিতৰতে আপোনাৰ সহকৰ্মী ভৃগু কুমাৰ ফুকনৰ মন্ত্ৰীত্বাধীন আৰক্ষী বাহিনীৰ লোকে অসমৰ অন্ততঃপক্ষে চাৰি ঠাইত নাৰী ধৰ্ষণৰ নিচিনা পৈশাচিক কলংকজনক কামত লিপ্ত হোৱাৰ সাহস কেনেকৈ কৰে! এই ঘটনাবোৰৰ এটাতো দোষীয়ে শাস্তি পোৱা আজিলৈ আমাৰ চকুত নপৰিল।

আপোনালোকে মন নকৰিলেও, আমি মন কৰিবলৈ বাধ্য হৈছো যে এই আটাইবোৰ ঘটনাৰ বলি আটাইকেইগৰাকী নাৰীয়েই হয় অনুসূচীত জনজাতি, নহয় পিছপৰা শ্ৰেণীৰ নাইবা ধৰ্মীয় সংখ্যালঘু গোষ্ঠীৰ। এনে হোৱাটো এটা বিশেষ ঘটনাচক্ৰ, নে ই আপোনালোকে শাসনাধীন কৰি ৰখা সমাজখনৰ নিষ্ঠুৰ বাস্তবতাৰ এটি দাপোন-চিত্ৰ।

বড়ো আন্দোলনকাৰীৰ এটা অংশৰ দ্বাৰা সংঘটিত হিংসাত্মক ঘটনাৰ বিৱৰণীত কোনো কথাই হয়তো আপোনালোকে ঢাকি ৰখা নাই, কিন্তু আন্দোলন দমনৰ নামত আপোনালোকে পঠিয়াই দিয়া সশস্ত্ৰ বাহিনীয়ে আৰু আপোনালোকৰ ৰাজনৈতিক মদতপুষ্ট বেচৰকাৰী তথাকথিত 'ৰাইজে' কি হিংস্ৰ পাশবিকতাৰে নিৰীহ গৰীব বড়োগাভৰু-বৃদ্ধাক অত্যাচাৰ কৰিছে, ধৰ্ষণ কৰিছে, গুপ্তাঙ্গৰে বাঁহ সুমুৱাই দিছে তাক জানো অসমৰ ৰাইজক আপোনালোকে জানিব দিছে। আপোনালোকৰ আৰক্ষী তথা চোৰাংচোৱা বাহিনীয়ে প্ৰশাসনৰ হতুৱাই এইবোৰ ঘটনাক উদ্দেশ্যপ্ৰণোদিত ভাবে বিকৃত কৰোৱাৰ কাৰ্য্যক স্বীকাৰ কৰাৰ নৈতিক সাহস আপোনাৰ চৰকাৰৰ আছেনে? কোকৰাঝাৰ জিলাৰ ঢালিগাওঁ থানাৰ অন্তৰ্গত দক্ষিণ-চুকানীপাৰাৰ ধনেশ্বৰী ব্ৰহ্ম নামৰ বড়ো গাভৰু বোৱাৰী জনীৰ দেহত ১৪ মাৰ্চৰ দিনা বঙাইগাওঁ চহৰৰ নামঘৰৰ পথাৰত জাতিৰক্ষাৰ নামত আপোনালোকৰেই সমৰ্থক বুলি জনাজাত ডেকাসকলে মধ্যযুগীয় বৰ্বৰতাৰ যি চিণ আঁকি দিছে, তাক আপুনি নিশ্চয় গুৱাহাটীৰ মেডিকেল কলেজ হাস্পাতালত প্ৰত্যক্ষ কৰিছে, আৰু হাস্পাতালৰ নথিত কেনেকৈ ঘটনাটোক গাপ দিয়া হৈছে সিও নিশ্চয় আপোনাৰ অবিদিত নহয়। সেই একে দিনাই

OKDISCD

কিমান গৰাকী নাৰী বঙাইগাওঁ চহৰত পাশৱিক অত্যাচাৰৰ বলি হৈছে, মৃত্যুক সাৱটি লব লগা হৈছে, কিমান গৰাকী এতিয়াও সন্ধানহীন হৈ আছে তাৰ হিচাপ নিশ্চয় আপোনালোকে ৰাখিছে। আৰু যদি ৰখা নাই, তেন্তে জানিব ইতিহাসে সেই হিচাপ সঠিক ভাবেই ৰাখিব।

বৌমাৰী অঞ্চলৰ কিছুমান ভিতৰুৱা ঠাইত ৰেইড কৰিবলৈ গৈ ঘৰত পোৱা মাইকী মানুহক সম্পূৰ্ণ নাঙঠ কৰি বগৰাই গাৰ উপৰেদি পুলিচে পেৰেড পৰ্য্যন্ত কৰিছে এই কথাক অপপ্ৰচাৰ বুলি উৰুৱাই দিবনে ? কোকৰাঝাৰ জিলাৰ কচুগাওঁৰ সনোতি ব্ৰহ্ম নামৰ বড়ো গাভৰু গৰাকীক আৰক্ষী বাহিনীৰ লোকে ধৰ্ষণ কৰে—ই জানো অসত্য ?

উদাহৰণ আৰু নবঢ়াও।

জালাহৰ কিশোৰী চন্দ্ৰা আৰু ভবানীৰ ধৰ্ষণকাৰী আৰক্ষীৰ লোককেইজনে ন্যায়িক দণ্ডাধীশৰ আদালতত দোষ স্বীকাৰ কৰি জবানবন্দী দিয়াৰ পিচতো বিধানসভাত আপোনাৰ গৃহমন্ত্ৰীয়ে ধৰ্ষণৰ ঘটনাক অস্বীকাৰ কৰা কাৰ্য্যই কি সূচায় ? ডাক্তৰৰ সন্দেহজনক প্ৰতিবেদনখনক ইমান গুৰুত্ব দি আপোনালোকে ধৰ্ষণকাৰীৰ পক্ষত থিয় দিয়া নাইনে ?

কোকৰাঝাৰৰ ৰাজবংশী বৃদ্ধা নিৰুবালা ৰায়ক আপোনাৰ পুলিচ আৰু প্ৰশাসনে মিলি বাংলাদেশী বুলি দেশৰ পৰা বহিস্কাৰ কৰি দিয়া নাইনে ? আজিও সন্ধানহীন হৈ থকা নিৰুবালা ৰায়ক আপোনাৰ চৰকাৰে ওভোটাই আনিব পাৰিব নে ?

সমগ্ৰ অসমতে নাৰীৰ বিৰুদ্ধে হোৱা অন্যায় অত্যাচাৰৰ গি অলেখ গোচৰ আপোনাৰ চৰকাৰৰ অধীন ন্যায়পালিকা আৰু আৰক্ষী চকীবোৰত নথিবদ্ধ হৈ আছে, সেইবোৰৰ শেহতীয়া অবস্থান সম্পৰ্কে শ্বেতপত্ৰ প্ৰকাশ কৰি ৰাইজৰ আগত থিয় হোৱাৰ সৎসাহস আপোনাৰ চৰকাৰৰ আছে নে ?

শ্ৰদ্ধেয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, যিজন বিষয়াক হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হৈ থাকোতে আপোনালোকক ডাণ্ডাই দি ঠাণ্ডা কৰাৰ বাবে নিযুক্ত কৰা হৈছিল সেইজন বিষয়াকেই আপোনালোকে কোকৰাঝাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিয়োগ কৰি আপোনালোকে পৰোক্ষে হিতেশ্বৰ শইকীয়াৰেই দলৰ লোক হৈ যোৱা নাই নে ?

১৯৮০ চনৰ ১২ ফেব্ৰুৱাৰীত আপোনালোকেই অসম জুৰি নাৰী নিৰ্য্যাতন বিৰোধী দিবস পালন কৰিছিল, আৰু আজি অদৃষ্টৰ কি পৰিহাস ১৯৮৯ ৰ ১২ ফেব্ৰুৱাৰীৰ দিনা আপোনালোকৰ আৰক্ষীবাহিনীয়ে 'চন্দ্ৰা ৰয়' আৰু 'ভবানী নাথ' নামৰ দুজনী পিছপৰা সম্প্ৰদায়ৰ ছোৱালীক আৰক্ষী অধীক্ষকৰ কাৰ্য্যালয়ৰ চৌহদতেই গণ-ধৰ্ষণ কৰিলে।

পঞ্জাবৰ ৰাজ্যপাল সিদ্ধাৰ্থ শংকৰ ৰায়ে পঞ্জাবৰ তথাকথিত সন্ত্ৰাসবাদ দমন কাৰ্য্যৰ বৰ-মুৰব্বী আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান কে পি এছ গিলৰ (অসম আন্দোলনৰ প্ৰথম ছোৱাৰ কথা মনত পৰে নে ?) দ্বাৰা নিগৃহীতা মহিলা আই এ এছ বিষয়া শ্ৰীমতী ৰূপন দেওল বাজাজ'ক জাতিৰ স্বাৰ্থত তেওঁৰ অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ উপদেশ দিছিল। আপুনিও তেনে কৰিব নে ?

আমি অপোনাৰ ওচৰত এইখন মুকলি চিঠিৰ জৰিয়তে দাবী জনাইছো :

১। ইতিমধ্যে বিচাৰাধীন হৈ থকা নাৰীৰ বিৰুদ্ধে অত্যাচাৰৰ গোচৰবোৰৰ শেহতীয়া অৱস্থা সম্পৰ্কে এমাহৰ ভিতৰত শ্বেতপত্ৰ প্ৰকাশ কৰি দোষী ব্যক্তিবোৰৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ৰাইজক জনাওক।

২। বড়ো নাৰীৰ ওপৰত চলা পাশবিক অত্যাচাৰ সমূহৰ তদন্তৰ বাবে বিচাৰ বিভাগীয় তদন্তৰ ব্যৱস্থা কৰক।

৩। বিচৰাধীন গোচৰবোৰৰ বিচাৰ অনতিপলমে সম্পূৰ্ণ কৰাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা লওক।

ইতি

অসম ৰাজ্যিক কমিটি

নাৰী মুক্তি সন্থা

নাৰী মুক্তি সন্থাৰ হৈ মাধুৰী বৰা আৰু স্মৃতিজ গগৈ'ৰ দ্বাৰা প্ৰকাশিত, মুদ্ৰিত আৰু প্ৰচাৰিত। ২৬।৪।৮৯

OKDISCD

# অসমৰ বাবে স্বায়ত্বশাসনৰ প্ৰশ্নত আৰ্মকাৰ বিশেষ অভিবৰ্তন

জাগীৰ'ড, ৮/৯ চেপ্তেম্বৰ ৯০

এটা সামগ্ৰিক বঞ্চনাৰ অনুভূতিয়ে অসমৰ মানুহক আকুহি খাইছে । অসমৰ বিপুল প্ৰাকৃতিক সম্পদক লুটি—পুতি নিবলৈ উদগ্ৰীৱ কেন্দ্ৰীয় চৰকাৰে অসমৰ উন্নয়নৰ দিশত ন্যায় কৰা নাই বুলি ৰাইজৰ ক্ষোভ । নিঃসন্দেহে অসম শোষণ আৰু বঞ্চনাৰ চিকাৰ হৈছে । চাহ-উদ্যোগ আৰু তেলৰ পৰা উচিত ৰয়েল্টী অসমে পোৱা নাই । অসমৰ তেলেৰে ৰাজ্যৰ বাহিৰত দুটা শোধনাগাৰ চলোৱা হৈছে কিন্তু অসমত প্ৰতিটো শোধনাগাৰৰ বাবে ৰাইজ আন্দোলন কৰিব লগা হয় । অসমৰ কয়লা লুট হৈছে । অসমৰ প্লাইউডৰ বাবদ অসমে নাগালেণ্ডৰ তুলনাতো কম টকা পায় । অসমৰ মৰাপাটৰ কল বন্ধ হৈ যায় অথচ অসমৰ মৰাপাটেৰে পঃ বংগৰ ১৩টা মৰাপাট কল চলি থাকে । অশোক কাগজ কলৰ বন্ধ দুৱাৰ খোল নাখায় । ৰিজাৰ্ভ বেংককে মুখ্য কৰি ৰাষ্ট্ৰীয়কৃত বেংকসমূহে অসমৰ প্ৰতি বৈষম্যমূলক বঞ্চনা কৰে । ভাৰতবৰ্ষৰ উন্নত ৰাজ্য-সমূহৰ তুলনাত অসমত মালবস্তু ৰেলৰ তুলনাত পথ-পৰিবহনেদি বেছি আহে । ফলত নিত্যব্যৱহাৰ্য সামগ্ৰীৰ দাম অসম্ভৱ বৃদ্ধি হয় । ......এইসকলো মিলি অসমৰ মানুহৰ ক্ষোভ পুঞ্জীভূত হৈ উঠিছে আৰু প্ৰতিবাদৰ পথ বিচাৰিছে ।

সদৌ অসম ছাত্ৰ সন্থা, অসম গণ পৰিষদ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু আন আঞ্চলিক ৰাজনৈতিক দলকেইটা সকলোৰে ৰাজনৈতিক উপজীব্য একেটাই কেন্দ্ৰৰ বঞ্চনাৰ বিৰুদ্ধে সংগ্ৰাম । মাহীআইৰ শোষণৰ বিৰুদ্ধে কান্দোন-কাটোন, ইননি বিননি আৰু তৰ্জন-গৰ্জন—সুৰ-তাল-লয় নিমিলিলেও এওঁলোকে প্ৰায়েই কোৰাচ গায় । কোনো কোনোৱে অসমৰ বাবে স্বায়ত্বশাসন পৰ্যন্ত বিচাৰে । কিন্তু এটা কথাত এওঁলোক সকলো একমত : দিল্লীৰ পৰা দিচপুৰলৈ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ লাগে । কিন্তু দিচপুৰৰ পৰা তললৈ ? সেয়া অসম্ভৱ ।

এনে পৰিস্থিতিত অসমৰ সামগ্ৰিক স্বাৰ্থত আন্দোলনৰ দায়িত্বও আৰ্মকাই কান্ধত তুলি ল'বলৈ বাধ্য হৈছে । আমাৰ স্পষ্ট কথা উত্তৰ ভাৰত হিন্দীভাষী উচ্চ বৰ্ণহিন্দু দালাল পুঁজিপতি জমিদাৰ গোষ্ঠীৰ হাতৰ পৰা ক্ষমতা কাঢ়ি আনিব লাগিব । ভাৰতৰ ফেডাৰেল পুনৰগঠন হ'ব লাগিব । কেন্দ্ৰৰ হাতত থাকিব প্ৰতিৰক্ষা, বৈদেশিক পৰিক্ৰমা, মুদ্ৰা আৰু যোগাযোগ, বাকী সমস্ত বিভাগ অসমলৈ ( তথা অন্যান্য ৰাজ্যলৈ ) বিকেন্দ্ৰীকৰণ কৰিব লাগিব । পূৰ্ণ আত্মনিয়ন্ত্ৰণ বা স্বায়ত্বশাসন অবিহনে অসমৰ সাৰ্বিক উন্নতি অসম্ভৱ । গেচ ক্ৰেকাৰ, লুপ লাইন আদি সমস্যাটোৰ একো একোটা বিন্দুহে, সমাধান নহয় । কিন্তু সমান জোৰেৰে আমি আৰু ক'বলৈ বিচাৰোঁ। যে

OKDISCD

ক্ষমতা দিল্লীৰ পৰা বিকেন্দ্ৰীকৰণ দিচপুৰৰ বৰ্ণবাদী প্ৰভুহঁতৰ উপভোগৰ বাবে নহয় । দিচপুৰৰ পৰা নিম্নতম পৰ্যায়লৈকে বিকেন্দ্ৰীকৰণ, স্বায়ত্বশাসন হ'ব লাগিব । ফেডাৰেল অসমো ।

এই সমগ্ৰ প্ৰশ্নটোৰ ওপৰত গভীৰ আৰু ব্যাপক ভাবে চিন্তাচৰ্চা কৰি এক সংগ্ৰামী ৰূপৰেখা প্ৰস্তুত কৰিবলৈ অহা ৮ আৰু ৯ চেপ্তেম্বৰত জাগীৰ'ডত আৰ্মকাৰ এক বিশেষ অভিবৰ্তন অনুষ্ঠিত হ'ব । অভিবৰ্তনখনি সৰ্বপ্ৰকাৰে সফল কৰি তুলিবলৈ ৰাইজক আন্তৰিক আবেদন জনালোঁ।

OKDISCD

অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদৰ ( আৰ্মকা ) কেন্দ্ৰীয় কমিটিৰ হৈ প্ৰচাৰ সম্পাদক ভবেন শ্যামৰ দ্বাৰা প্ৰচাৰিত ।

# নিৰ্ব্বাচনী ইস্তাহাৰ

## অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ (আৰ্ম্‌কা)

### সমঅধিকাৰ আৰু সমমৰ্য্যদাৰ, স্বাধীনতা আৰু গণতন্ত্ৰৰ

### ফেডাৰেল অসম-ফেডাৰেল ভাৰতৰ বাবে

### ধনু আৰু কাঁড়ৰ চিনত

### আৰ্ম্‌কাৰ প্ৰাৰ্থীক ভোট দিয়ক। সূচনা কৰক সংগ্ৰামৰ নতুন দিন ॥

OKDISCD

শ্ৰদ্ধেয় অসমবাসী ৰাইজ,

বহু অনিশ্চয়তা, বহু অমীমাংসিত প্ৰশ্ন আৰু একেসময়তে বহু আশংকা আৰু আনন্দৰ মাজত অসমলৈ আকৌ নিৰ্বাচন আহিছে। এই নিৰ্বাচন আহিছে যোৱা পাঁচটা বছৰৰ অপশাসন, সীমাহীন আৰু নিৰ্লজ্জ দুৰ্নীতি, ক্ষমতা লিপ্সাৰ নিকৃষ্ট ৰাজনীতি, ঘৃণণীয় সাম্প্ৰদায়িকতা, ভীতি প্ৰদৰ্শন, হত্যা, অপহৰণ, লুণ্ঠনৰ বিভীষিকাৰ পাছত। এই নিৰ্বাচন আহিছে পাঁচমাহ জোৰা ৰাষ্ট্ৰপতি শাসন আৰু অপাৰেশ্যন বজৰংগৰ পাছত। এই নিৰ্বাচন অনুষ্ঠিত হ'ব চেবা (অসম মাধ্যমিক শিক্ষা পৰিষদ) ৰ ভাষা চাৰ্কুলাৰ, বনাঞ্চলৰ পৰা উচ্ছেদ জাননী, ৰেচম আইনৰ মীমাংসা নোহোৱাকৈ; এবছু, এ এচ ডি চি, আটচু, টি এম পি কে, আৰছু, এটচু আদছু আদিৰ জনজাতি আন্দোলন; ঝাড়খণ্ডী/আদিবাসী/চাহজনগোষ্ঠী, মৰাণ, মটক, আহোম, কোঁচ-ৰাজবংশী চুতীয়া আদি জনগোষ্ঠীৰ আন্দোলনৰ কোনো মীমাংসা নোহোৱাকৈ। অসমত কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি, গেচ ক্ৰেকাৰ প্ৰকল্পৰ কোনো চূড়ান্ত মীমাংসা নকৰাকৈ। আনকি এই নিৰ্বাচন অনুষ্ঠিত হ'ব অসংখ্য সংখ্যালঘু ভাৰতীয় নাগৰিকৰ নাগৰিকত্বক ফাঁচী কাঠত ওলোমাই ৰাখি।

এই নিৰ্বাচনত সঠিক সিদ্ধান্ত ল'বলৈ হ'লে আমি অৱশ্যেই তথাকথিত 'স্বাধীনতা'ৰ পাছৰ ৪৪ টা বছৰৰ এটা বস্তুনিষ্ঠ খতিয়ান ল'ব লাগিব। হেজাৰ হেজাৰ শ্বহীদৰ ত্যাগৰ বিনিময়ত ১৯৪৭ চনত অসমতো প্ৰতিষ্ঠা হৈছিল কংগ্ৰেছ চৰকাৰ। গাওঁবাসী দুখীয়া খেতিয়ক, মজদুৰ, পাছপৰা জাতি-জনজাতিৰ অজস্ৰজনৰ তেজক কামত লগাই গাদীত বহা গোপীনাথ বৰদলৈ, বিমলা চলিহা, দেবেশ্বৰ শৰ্মা, মহেন্দ্ৰ মোহন চৌধুৰীৰ দৰে নেতাবোৰে তেনেহ'লে বঞ্চিত, নিপীড়িত সেইবোৰ জাতি-জনজাতিৰ মানুহৰ বাবে বহুত কিবাই কৰিব লগা আছিল। কিন্তু কৰিলে কি? অনুসূচিত জাতি-জনজাতি হিচাবে কোঁচ-ৰাজবংশী আৰু ঝাড়খণ্ডী/আদিবাসী/চাহজনগোষ্ঠীৰ বাবে থকা স্বীকৃতি আৰু সংৰক্ষণ বাতিল কৰি জনজাতিৰ পৰা সংৰক্ষণৰ অধিকাৰ কাঢ়ি ল'লে। আহোমৰ পৰা সংৰক্ষণৰ সুবিধা কাঢ়ি ল'লে আৰু ১৯৫০ চনৰ কমিউনিষ্ট অপাৰেচনৰ নামত তেওঁলোকৰ ওপৰত চলালে অকথ্য অত্যাচাৰ। নেপালীসকলৰ পৰা কাঢ়ি নিলে গ্ৰেজিয়াৰ হিচাবে পোৱা সামান্য সুবিধাও। মুছলীমৰ পৰা কাঢ়ি ল'লে ১৯২১-৪৭ লৈ উপভোগ কৰা সংৰক্ষণৰ সুবিধা। কেৱল সেয়াইনে? এই কংগ্ৰেছী উগ্ৰজাতীয়তাবাদীহঁতে ১৯৫০, '৬০, '৬৪, '৬৮, '৭২ আৰু '৭৯-৮৩ ত অবিৰামভাৱে নিপীড়িত জনগোষ্ঠীসমূহৰ ওপৰত সংঘটিত কৰালে এলানি ভাতৃঘাতী গণহত্যাকাণ্ড য'ত প্ৰাণ হেৰুৱালে হেজাৰ-হেজাৰ নিপীড়িত মানুহে। এওঁলোকৰ বেছিভাগেই সংখ্যালঘু, জনজাতি তথা আন নিপীড়িত জাতিসত্বাৰ লোক।

প্ৰথম ছোৱাত কংগ্ৰেছী খদ্দৰ চোলা আৰু গান্ধী টুপী পিন্ধিয়েই এই শাসক-শোষকহঁতে সংখ্যালঘু আৰু অন্যান্য পাছপৰা সম্প্ৰদায়ৰ মাজত ভাতৃঘাতী গৃহযুদ্ধ লগাই বৰ আয়াসতে ৰাজ্য ভাগ কৰি গৈছিল। পাছলৈ কংগ্ৰেছী চোলাত তেজৰ ছিটিকণিয়ে কৰাল মৰাত সিহঁতে ১৯৭২ চনত আছু আৰু ১৯৮৫ চনত অগপ-আল্‌ফা মাৰ্কা নতুন চোলা পিন্ধি লয়।

এই বৰ্বৰ নিৰ্যাতন, হত্যা আৰু লুণ্ঠনৰ বিৰুদ্ধে অসমৰ শোষিত নিপীড়িত মানুহে যে প্ৰতিবাদ কৰা নাছিল, এনে নহয়, কৰিছিল। কিন্তু সেই প্ৰতিবাদবোৰ আছিল নিচেই অকলশৰীয়া আৰু স্বতঃস্ফূৰ্ত বা বিক্ষিপ্ত। ১৯৮৩ চনত ভাতৃঘাতী গণহত্যাকাণ্ডৰ ৰক্তলীলাৰ মাজৰ পৰা ঠন ধৰি উঠে প্ৰতিবাদৰ নতুন ধাৰা। আৰম্ভ হয় বঞ্চিত-নিপীড়িত মানুহক ঐক্যবদ্ধ কৰাৰ নতুন প্ৰক্ৰিয়া। '৮৫ ৰ নিৰ্বাচনত অসমৰ এই সংখ্যাগৰিষ্ঠ নিপীড়িত মানুহৰ অধিকাৰৰ হকে কথা কোৱাৰ বাবেই ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হৈছিল আঠজন ছাত্ৰক। প্ৰতিবাদত ওলাই আহিছিল অসমৰ নিপীড়িত জনগোষ্ঠীসমূহৰ আটাইবোৰ সংগঠন আৰু হেজাৰ হেজাৰ জনসাধাৰণ। জন্ম হ'ল অসমৰ অনুসূচিত জাতি-জনজাতি, অন্যান্য পাছপৰা শ্ৰেণী, সংখ্যালঘু তথা গণতান্ত্ৰিক মানুহৰ সংগ্ৰামী ঐক্যমঞ্চ আৰ্মকাৰ। লগে লগে অসমৰ উগ্ৰজাতীয়তাবাদী বৰ্ণবাদী শাসকগোষ্ঠীটোৱে হাতত তুলি ল'লে অস্ত্ৰ। আশ্ৰয় ল'লে সন্ত্ৰাসবাদৰ আৰু ১৯৮৬ চনৰ ২৭ মে' তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰত গুলীয়াই হত্যা কৰিলে আমাৰ প্ৰিয় নেতা শ্বহীদ সৌৰভ বৰাক। তাৰপাছত তেওঁলোকে আজিলৈকে এজনৰ পাছত এজনকৈ গোপনে পিছফালৰ পৰা গুলীয়াই অথবা অপহৰণৰ পাছত অত্যাচাৰ কৰি হত্যা কৰিছে— অমিতাভ ৰাভা, শ্যামল বসু, ভুবন অধিকাৰী, কৃষ্ণ বাহাদুৰ ৰাউত ছেত্ৰী, কৃষ্ণ শইকীয়া, প্ৰেমধৰ বৰা, মাণিক দাস, অক্ষয় কলিতা আৰু স্বপন বৰ্মণক। তথাপি আৰ্মকা ৰৈ যোৱা নাই। অটলভাৱে যুঁজি গৈছে ফেডাৰেল ভিত্তিত অসমৰ পুনৰগঠন, প্ৰতিটো জনগোষ্ঠীৰ বাবে জনসংখ্যা অনুপাতে সংৰক্ষণ, সম-অধিকাৰ, সম-মৰ্যাদাৰ হকে। ৰাজ্যজোৰা হেজাৰ-হেজাৰ কি. মি. বিয়পা পদযাত্ৰা, চাইকেল/মটৰ চাইকেল অভিযান, ধৰ্ণা, বিক্ষোভ পথবন্ধ, ৰেলবন্ধ, অসম বন্ধ, কলুৰা গেচ, লাঠি, জেল, শ্বহীদী, এই সকলোবোৰৰ মাজেৰে আগবাঢ়ি গৈছে আৰ্মকাৰ সংগ্ৰাম আৰু আজি ই ৰাজ্যখনৰ এক বিপুল জনসংখ্যা আৰু প্ৰতিটো জনগোষ্ঠীক সামৰি লোৱা বৃহত্তম গণ-আন্দোলনত পৰিণত হৈছে।

দীৰ্ঘম্যাদী দাবীসমূহৰ বাহিৰেও চেবাচাৰ্কুলাৰ বাতিল আৰু ৰেচম বিল প্ৰত্যাহাৰ, উচ্ছেদ বন্ধ, কটন কলেজ মুছলীম-জনজাতি ছাত্ৰাবাস সংৰক্ষণ, বাব্ৰী মছজিদ ৰক্ষা, চাহমজদুৰৰ ব'নাচ, সংখ্যালঘু নাগৰিকৰ ওপৰত বিদেশী বুলি হাৰাশাস্তি বন্ধ আদি অসংখ্য দাবীত আৰ্মকাই দিনো সংগ্ৰামত লিপ্ত হৈছে।

এনে বহুবোৰ সংগ্ৰামৰ মজিয়াত থিয় হৈ আৰ্মকাই এই শিক্ষা লাভ কৰিছে যে নিপীড়িত মানুহৰ অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক বিকাশ ৰাজনৈতিক অধিকাৰ অবিহনে আকাশ কুসুম মাত্ৰ। আনহাতে বৰ্ণবাদী শোষক-শাসকহঁতে চৰকাৰখনকে দুৰ্গ হিচাবে লৈ বাৰে বাৰে ওপৰত নমাই আনে শোষন-দমন। সেয়েহে আৰ্মকাই নিপীড়িত মানুহৰ বাবে ৰাজনৈতিক অধিকাৰ অৰ্জনৰ বাবে সংগ্ৰামৰ আহ্বান জনাইছে।

## অন্যান্য দল আৰু সংগঠনবোৰৰ সম্পৰ্কে :

বৰ্ণবাদী, উগ্ৰজাতীয়তাবাদী সন্ত্ৰাসবাদী বাহিনী আলফাৰ বিষয়ে ইমানখিনি কোৱাই যথেষ্ট যে ৰাষ্ট্ৰসংঘলৈ লিখা চিঠিত অসমৰ ৫০ লাখ বিদেশী নাগৰিক ( অৰ্থাৎ সংখ্যালঘু )ৰ প্ৰশ্ন তুলি, সংৰক্ষণৰ দ্বাৰা উপকৃত মানুহক চিৰিয়াখানাৰ জন্তুৰ লগত তুলনা কৰি, নিৰ্জাতিকৰণৰ নামত অসমৰ নিপীড়িত জাতিসত্তাৰ মানুহক নিশ্চিহ্ন কৰাৰ চক্ৰান্ত কৰি আৰু সংখ্যালঘুসকলক উচ্ছেদ ( মঙ্গলদৈ, লক্ষীমপুৰ ) কৰি ই নিজৰ স্বৰূপ নিজেই উদঙাই দিছে। চূড়ান্ত দুৰ্নীতিপৰায়ণ অগপই আলফাক লালন-পালন কৰিছে, সংৰক্ষণ উঠাই দিয়াৰ চক্ৰান্ত কৰিছে, চেবা চাৰ্কুলাৰ জাৰি কৰি অসমীয়াৰ বাহিৰে বাকী ভাষাৰ ডিঙি চেপি ধৰিছে আৰু জনজাতি উচ্ছেদ কৰিছে, এই দুয়োৰে তালত তাল মিলাই নাচিছে বাগিছে আছু আৰু জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে।

জনতা দলে সৰ্বভাৰতীয় ক্ষেত্ৰত আংশিকভাৱে মণ্ডল আয়োগৰ পৰামৰ্শ কাৰ্যকৰীকৰণ আৰু বাব্ৰী মছজিদ ৰক্ষা তথা সৰু ৰাজ্য গঠনৰ পক্ষত থিয় হ'লেও জাতীয় মৰ্চাত অগপক সাবটি ধৰিছে, আল্ফাৰ ক্ষেত্ৰত উদাসীনতা অৱলম্বন কৰিছে, সংখ্যালঘু বিৰোধী-জনজাতি-বিৰোধী অসম চুক্তিক সমৰ্থন কৰিছে, মণ্ডল আয়োগৰ মূল গুৰুত্বপূৰ্ণ অংশখিনি কাৰ্যকৰী কৰা নাই আৰু কাশ্মীৰ আৰু পঞ্জাবত দমনমূলক নীতি অৱলম্বন কৰিছে।

জাতীয় মৰ্চাৰ অন্তৰ্গত এই দল আৰু দুৰ্বল হোৱা স্বত্বেও কংগ্ৰেছ ( এচ )ৰ প্ৰতি তথাপিও আমি ঐক্য আৰু সংগ্ৰামৰ নীতিকে পোষণ কৰিব বিচাৰো। কিন্তু অগপৰ লগ নেৰালৈকে, আল্ফাৰ বিৰুদ্ধে মাত নমতালৈকে তেওঁলোকৰ লগ আমি লাগিব নোৱাৰো।

সংৰক্ষণ-বিৰোধী, কেন্দ্ৰিকতাবাদী চি পি এমেতো সংগ্ৰামী মেজাজ আৰু সাহসেই হেৰুৱাই পেলাইছে। চি পি আই-আই পি এফৰ আশা আলফাক তৈলমৰ্দন কৰি উগ্ৰজাতীয়তাবাদী ভোজসভাৰ এৰেহা চোৱোৱা।

OKDISCD

উৎকট হিন্দু সাম্প্ৰদায়িকতাবাদী বি জে পি আৰু বাতৰি কাকতৰ পাততে দপ্ দপাই থকা বাকী আঞ্চলিক দলবোৰতো কাগজৰ বাঘ। নিৰ্বাচনত সিহঁতে অসমত বিশেষ একোৱে প্ৰভাৱ পেলাব নোৱাৰে।

অসমৰ নিপীড়িত সংখ্যালঘু ৰাইজে বৰ আশাৰে সংযুক্ত সংখ্যালঘু মৰ্চাক তেওঁলোকৰ নিজৰ অধিকাৰ অৰ্জনৰ মঞ্চ হিচাবে গঢ়লৈ উঠাটো বিচাৰিছিল, কিন্তু সংখ্যালঘু মৰ্চাৰ নেতৃবৃন্দই সেইয়া কৰিবলৈ ব্যৰ্থ হ'ল আৰু আচৰণ কৰিলে সম্পূৰ্ণ শাসক শ্ৰেণীৰ প্ৰতিনিধিৰ দৰেই।

অসম চুক্তিৰ জৰিয়তে অগপক শাসনত বহুৱা কংগ্ৰেছ (ই) দলে আকৌ যোৱা সময়ছোৱাত এফালে আল্ ফাক প্ৰশংসাৰ বাণী বিলালে আনফালে পৰিস্থিতি হাতৰ বাহিৰ হোৱাত সামৰিক বাহিনী আৰু ক'লা আইনৰ জৰিয়তে ৰাইজক জীয়াতু ভোগালে। বাবৰী মছজিদৰ দুৱাৰ হিন্দু ধৰ্মান্ধহঁতৰ বাবে খুলি দিয়া এই দলৰ শাসন কালতে ভাৰতবৰ্ষত সবাতোকৈ বেছি সাম্প্ৰদায়িক গণহত্যাকাণ্ড ঘটালে। মণ্ডল আয়োগৰ পৰামৰ্শাৱলী তথা সংৰক্ষণৰ বিৰোধী, উগ্ৰ হিন্দীবাদী, ফেচিষ্ট, কেন্দ্ৰীভূত ৰাষ্ট্ৰৰ সমৰ্থক এই দলৰ সান্দহ খোৱা বালি আজি সমগ্ৰ ভাৰততে তল যাওঁ যাওঁ।

অসমৰ ক্ষেত্ৰত সেয়ে কংগ্ৰেছ (ই) আৰু অগপক নিশ্চিতভাৱে পৰাজিত কৰিবলৈ আৰু বি জে পিক এটা ভোটো নিদিবলৈ আমি ৰাইজক আহ্বান জনাইছো। আনহাতে আমাৰ প্ৰায় সমস্ত দাবীৰ ক্ষেত্ৰতে আমাৰ সৈতে সহমত পোষণ কৰাত আৰু কান্ধত কান্ধ মিলাই সংগ্ৰাম কৰাৰ কাৰণে চি,পি,আই (এম-এল) দলৰ সৈতে আমি এক সংগ্ৰামী ঐক্যত আবদ্ধ হৈছো। অসমৰ ৩/৪ খন বিধানসভা আসনত তেওঁলোকে আমাৰ প্ৰতীকৃত প্ৰতিদ্বন্দ্বিতা কৰিব।

## নিখিল বড়ো ছাত্ৰ সন্থা তথা বড়ো ৰাইজলৈ নিবেদন :

বড়োলেণ্ড দাবী সম্পৰ্কত মতপাৰ্থক্য থাকিলেও বড়োসকলৰ বাবে অসমৰ ভিতৰতে স্বায়ত্বশাসিত ৰাজ্যৰ দাবীত আমি যুঁজি আহিছো। বিছমুৱী ভুমকাৰ গণধৰ্ষণকে ধৰি বড়োসকলৰ ওপৰত সমস্ত ধৰণৰ ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বিৰুদ্ধে আমি যুঁজিছো। ৩-জনীয়া বিশেষজ্ঞ কমিটিৰ কাম কাজত উচ্চন্যায়ালয়ৰ স্থগিতাদেশ যোগে দিয়া বাধাৰ আমি বিৰোধী। সেয়েহে বড়োসকলৰ ন্যায্য আশা আকাংক্ষাক লৈ সংসদ-বিধানসভাৰ ভিতৰতো সংগ্ৰাম চলাবলৈ বড়ো নেতৃবৃন্দক আমাৰ লগত যুটীয়া প্ৰচেষ্টা চলাবলৈ আমি আহ্বান জনাইছো।

## ঐক্যৰ প্ৰসংগত :

ইয়াৰ বাহিৰেও অসমৰ সমস্ত জনগোষ্ঠীগত আৰু গণতান্ত্ৰিক দল, সংগঠন আৰু ব্যক্তিৰ ওচৰত আমাৰ আন্তৰিক আহ্বান : কংগ্ৰেছ (ই), অগপ, বিজেপি ৰ বাহিৰে বাকী সকলোৱেই এক ব্যাপক ঐক্যমঞ্চ আৰু বৃহত্তম গণ আন্দোলনৰ সূচনা কৰো আহক।

## এই সংগ্ৰামী ৰূপৰেখাৰ ভিত্তিত :

১। সংগ্ৰামী জনগোষ্ঠীসমূহক স্বায়ত্বশাসন প্ৰদানৰ জৰিয়তে অসমৰ ফেডাৰেল পুণৰগঠন। অসমবাসীক পূণ স্বায়ত্বশাসন প্ৰদানৰ ভিত্তিত ভাৰতৰ ফেডাৰেল পুণৰগঠন।

২। দহ বছৰৰ বাবে অসমৰ পৰা কেন্দ্ৰই কৰ-কাটল, শুল্ক, ৰাজহ নিয়া বন্ধ কৰি সেই টকাৰে অসমৰ উদ্যোগীকৰণ, অসমৰ তেলৰ ৰয়েল্টী বৃদ্ধি। চাহৰ বিদেশী মালিকানা বাজেয়াপ্ত। মুখ্য কাৰ্য্যালয়সমূহ অসমলৈ স্থানান্তৰ। ডিব্ৰুগড়লৈকে ব্ৰডগেজ সম্প্ৰসাৰণ। বেংকিং উদ্যোগত অসমৰ প্ৰতি বৈষম্য বন্ধ। মালভাড়া ভৰ্তুকী ( freight subsidy ) অসমৰ ক্ষেত্ৰত প্ৰদান। গুৱাহাটীত international dry port স্থাপন। ব্ৰহ্মপুত্ৰৰ ওপৰত তৃতীয় দলং সমাপ্ত আৰু চতুৰ্থ দলং আৰম্ভ।

৩। আধিয়াৰ আৰু মাটিমালিকৰ মাজত অসম প্ৰজাস্বত্ব আইন ( ১৯৭২ )ৰ প্ৰয়োগ। মাটিৰ ওপৰত দেৱোত্তৰ স্বত্ব বিলোপ আৰু ভূমিহীনৰ মাজত বিতৰণ ; চিলিং উদ্বৃত্ত মাটিৰ বিতৰণ।

৪। নদী জলউত্তোলন-তথা-সিঞ্চন ( River lift irrigation) ৰ জৰিয়তে এফালে ব্যাপক জলসিঞ্চন আনফালে বানপানী প্ৰতিৰোধ।

৫। নিৰ্বাচিত প্ৰতিনিধিক প্ৰত্যাহাৰ কৰাৰ অধিকাৰ ( Right to recall ) ৰ আইনী ৰূপ দান।

৬। মণ্ডল আয়োগৰ পৰামৰ্শমতে চাকৰিৰ বাহিৰেও শিক্ষা অৰ্থ নৈতিক ক্ষেত্ৰত অ' বি চিৰ বাবে সংৰক্ষণৰ কাৰ্য্যকৰীকৰণ, সংৰক্ষণৰ পৰিমাণ জনসংখ্যা অনুপাতে বৃদ্ধি।

OKDISCD

৭। সকলো জনগোষ্ঠীৰ বাবে জনসংখ্যা অনুপাতে সংৰক্ষণৰ সপক্ষে প্ৰচাৰ।

৮। কোঁচ-ৰাজবংশী, মৰাণ, মটক আৰু শৰণীয়াসকলৰ অনুসূচীকৰণ।

৯। ঝাড়খণ্ডী-আদিবাসী-চাহজনগোষ্ঠীক অনুসূচিত জাতি-জনজাতিৰ তালিকাত ভৰ্তি। প্ৰতিখন চাহবাগিছাত এটাকৈ পঞ্চায়ত গঠন। চাহমজদুৰসকলৰ বাবে দেওবাৰৰ মজুৰী।

১০। অসম চুক্তিৰ বাতিলকৰণ। সংখ্যালঘুসকলক অ' বি চিৰ তালিকাত ভৰ্তি। চৰৰ মাটিৰ ম্যাদী পট্টন, পথঘাট নিৰ্মাণ। ১৯৪৭ চনক ভিত্তিবছৰ হিচাবে লৈ মন্দিৰ-মছজিদ আদিৰ স্থিতি অক্ষুন্ন ৰখা। সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধৰ বাবে হিন্দু মুছলীম সমান সমান সংখ্যাত লৈ ৰায়ত পুলিচ বাহিনী ( riot police force ) গঠন।

১১। চেবা চাকু লাৰ বাতিল কৰণ।

১২। সংগ্ৰামী জনগোষ্ঠীসমূহক ৰাজ্য, জিলা, ব্লক আদি বিভিন্ন পৰ্যায়ৰ স্বায়ত্তশাসন প্ৰদান। জনজাতি ভাষা-সংস্কৃতিসমূহৰ সুৰক্ষাৰ বাবে জনজাতি ভাষা-সংস্কৃতি একাডেমী আৰু যাদুঘৰ প্ৰতিষ্ঠা। অনাতাঁৰ আৰু গুৱাহাটী দূৰদৰ্শন ( প্ৰয়োজন হ'লে দ্বিতীয় চেনেল খুলি )ৰ যোগেৰে সিবিলাক ভাষা-সংস্কৃতিৰ প্ৰচাৰৰ সুবিধা বৃদ্ধি।

১৩। নেপালী ভাষাক সংবিধানৰ অষ্টম অনুসূচীত ভৰ্তি। নেপালীসকলক ১৯৪৭ ৰ আগৰ দৰেই গ্ৰেজিয়াৰ হিচাবে সুবিধা প্ৰদান।

১৪। মণিপুৰী আৰু বড়ো ভাষাক সংবিধানৰ অষ্টম অনুসূচীত ভৰ্তি। বিষ্ণুপ্ৰিয়া ভাষাত প্ৰাথমিক পৰ্যায়ত শিক্ষাদান।

১৫। ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ উপযুক্ত সংৰক্ষণ। তাই ভাষা সংস্কৃতি আৰু বুৰঞ্জী অধ্যয়নৰ বাবে তাই একাডেমী প্ৰতিষ্ঠা, বিশ্ববিদ্যালয় দুখনত বিশেষ আসন আৰু বিভাগ প্ৰতিষ্ঠা।

১৬। অসমৰ পাৰ্বত্য অঞ্চলত স্থায়ীভাবে বসবাস কৰা বড়ো আৰু লালুং (তিৱা) সকলক আৰু ভৈয়াম অঞ্চলত বসবাস কৰা কাৰ্বি, গাৰো, মান-তাই-ভাষী, যিকোনো নগা জাতি, মাৰ আদিসকলক স্বতঃ জনজাতিৰ তালিকাভুক্ত কৰা। অসমৰ জনজাতিসকলৰ মাজত পাহাৰ আৰু ভৈয়ামৰ চৰকাৰী পাৰ্থক্য বিলোপকৰণ। অনুসূচীত জাতি-জনজাতিৰ বাবে থকা সংৰক্ষণ আৰু ৰ'ষ্টাৰ প্ৰথাৰ আক্ষৰিক কাৰ্য্যকৰীকৰণ। অনুঃ জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰতি মহকুমা সদৰ ঠাইতে ছাত্ৰাবাস স্থাপন আৰু মাহে ৫০০ টকাৰ ছাত্ৰাবাস অনুদান মঞ্জুৰ।

১৭। বৰাক উপত্যকাত এখন আৰু কোকৰাঝাৰত আন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় অবিলম্বে স্থাপন।

১৮। লোকপিয়লত কাৰচাজি বন্ধ কৰাৰ উদ্দেশ্যে প্ৰতি জনগোষ্ঠীৰ গণনাকাৰীৰ নিযুক্তি।

১৯। অগপৰ দুৰ্নীতি আৰু নাৰীঘটিত কেলেংকাৰীবোৰৰ ন্যায়িক তদন্ত। আল্ফাৰ লগত অগপৰ গোপন সম্পৰ্কৰ স্বৰূপ উদ্ঘাটন।

২০। আল্ফাৰ হাতত আৰু অসম আন্দোলনত নিহত-আহতসকলৰ পৰিয়ালবৰ্গলৈ উপযুক্ত ক্ষতিপূৰণ।

২১। চৰকাৰী খৰচত নেলী-গহপুৰ আদিত শ্বহীদ উদ্যান আৰু শ্বহীদ স্তম্ভ প্ৰতিষ্ঠা।..........

..........শ্ৰদ্ধেয় ৰাইজ, এই গোটেইবোৰ আমাৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি নহয়, আমাৰ আগত দিনৰ সংগ্ৰামৰ ৰূপৰেখাহে। আমাৰ সংগঠন—আন্দোলনে যদি অসমত চৰকাৰ গঢ়িবলৈ সক্ষম হয় তেনেহ'লে আমাৰ চৰকাৰে ৰাইজৰে লগ লাগি দিল্লী তথা অসম চৰকাৰৰ ভিতৰতে থকা অশুভ শক্তিবোৰৰ বিৰুদ্ধে এক দৃঢ়পণ সংগ্ৰাম আৰম্ভ কৰিব। যদি আপোনালোকে আমাক বিৰোধী পক্ষ হিচাবেহে দায়িত্ব দিয়ে তেতিয়াও বিধানসভা-লোকসভাৰ ভিতৰে-বাহিৰে আপোনালোকৰ সৈতে লগলাগি আমি সংগ্ৰামৰ জৰিয়তে এই দাবীসমূহ পূৰণ কৰিম। আহক তেনেহ'লে। অসমৰ মাটিত নিপীড়িত মানুহৰ ৰাজনৈতিক ক্ষমতা দখলৰ প্ৰথমটো উদাহৰণ আমি স্থাপন কৰো। সংসদীয় আৰু সংসদ বহিৰ্ভূত দুয়োটা সংগ্ৰামৰ মাজেৰেই আহক প্ৰস্তুত হওঁ নিপীড়িত মানুহৰ চূড়ান্ত মুক্তিৰ বাবে; প্ৰতিষ্ঠা কৰো আধাৰশিলা সকলো জনগোষ্ঠীৰ বাবে সমমৰ্য্যাদা, সমঅধিকাৰপূৰ্ণ, সুখী, সমৃদ্ধিশালী অসমৰ। বিজয় আমাৰ অনিবাৰ্য।

---

অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ (আৰ্ম্কা)ৰ কেন্দ্ৰীয় নিৰ্বাচনী কমিটিৰ পক্ষে অধ্যাপক সব্যসাচী ৰাভা, অমৰজ্যোতি গগৈ, আব্দুৰ ৰেজ্জাক, খগেন ৰাজবংশী, ডাঃ ৰণোজ পেগু, অধ্যাপক দেৱব্ৰত শৰ্মা, আব্ৰাহাম চাংগা, সুশান্ত কৰ, মুকুট সিংহ চুতীয়া, অধ্যাপক ৰাণাপ্ৰসাদ দেউৰী, হৰেশ্বৰ বৰ্মণ, চানো শ্যাম, দীনেশ হাচঁদা, ডাঃ কংস ফাংচ', বাণীকান্ত বসুমতাৰী, ভাৰত ভূষণ ৰায়, পূৰ্ণ নেৱাৰৰ হৈ ব্ৰজেন মহন্তৰ দ্বাৰা প্ৰচাৰিত আৰু ভৱানী তামুলীৰ দ্বাৰা গুপ্ত প্ৰিন্টাৰ্চ, ডিচপুৰত মুদ্ৰিত।

OKDISCD

# অসম সম্মিলিত ছাত্ৰ অভিবৰ্ত্তন

## আৰু কেন্দ্ৰীয় জয়া দিৱস

**২৫, ২৬ আৰু ২৭ মাৰ্চ, ১৯৮৯**

সৰুপথাৰ (গোলাঘাট)

শ্ৰদ্ধেয় ৰাইজ,

অসম আজি অগ্নিগৰ্ভা। **গভীৰ এক সংঘাটে আজি অসমৰ জনজীৱনক** ব্যতিব্ৰস্ত কৰি তুলিছে। এফালে গভীৰ অৰ্থনৈতিক সংকট, বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ, চুবুৰীয়া আটাই-কেইখন ৰাজ্যৰ লগত জটিল সীমা সমস্যা, চৰম দুৰ্নীতি আৰু প্ৰশাসনহীনতাই সৰ্বসাধাৰণ জন-সাধাৰণক জৰ্জৰিত কৰি তুলিছে আৰু আনহাতেদি অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে স্বকীয় অস্তিত্বৰক্ষা তথা স্বনিয়ন্ত্ৰনৰ অধিকাৰ প্ৰতিষ্ঠাৰ তীব্ৰ সংগ্ৰামত লিপ্ত হৈছে। জনজাতি সকলৰ একাংশৰ পৃথক ৰাজ্যৰ আন্দোলন, কাৰবি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ স্বায়ত্ব শাসিত ৰাজ্যৰ বাবে আন্দোলন, সংৰক্ষণ আৰু অনুসূচী কৰণৰ দাবীত চাহ-জনজাতি, কোচ-ৰাজবংশী, মৰাণ মটক, তাই-আহোম আদিৰ আন্দোলনসমূহে সেই জনগোষ্ঠীৰ লোকৰ প্ৰবল জনসমৰ্থনেৰে তীব্ৰ ৰূপ ধাৰণ কৰিছে আৰু প্ৰতিটো জনগোষ্ঠীৰ মাজত সুপ্ত হৈ থকা ক্ষোভক প্ৰকাশ কৰিছে। কিন্তু এই আন্দোলনসমূহৰ মাজত প্ৰয়োজনীয় সমন্বয় আৰু একতা নথকাৰ সুযোগ লৈ চৰকাৰী দমন নমাই অনা হৈছে। অন্যহাতেদি দেশখনৰ প্ৰাকৃতিক দুৰ্যোগ, চৰম অৰ্থনৈতিক সংকট আৰু নৃ-গোষ্ঠীগত সংকট (Ethnic crisis)ৰ সময়ত সংকীৰ্ণ বৰ্ণবাদী ক্ষুদ্ৰ শাসক গোষ্ঠীটোৰ হাতত দেশখনত বিৰাজ কৰিছে চৰম অৰাজকতা। অসম আজি নেতৃত্ব বিহীন, ভৱিষ্যৎ অনিশ্চিত।

এইখন অসমত এদিন এনে অৰাজকতাৰ সময়ত দেশলৈ শান্তি, স্থিৰতা ঘূৰাই আনিবৰ বাবে গণতান্ত্ৰিক প্ৰমূল্যসমূহক জীয়াই ৰাখিবৰ বাবে জেৰেঙা পথাৰত জয়মতীয়ে অত্যাচাৰী শাসকৰ হাতত নিজৰ জীৱন বলিদান দিছিল। আজি অসমত যি অৰাজকতা আৰু অনিশ্চয়তাৰ সৃষ্টি হৈছে তাক নাইকিয়া কৰি দেশলৈ শান্তি আৰু প্ৰগতি অনাৰ দায়িত্ব আমাৰ হাতত আহি পৰিছে। এই জ্বালামুখী পৰিস্থিতিত আমি দায়িত্বহীন ভাৱে বহি থাকিব নোৱাৰো। আমি দেশ আৰু জাতিৰ মূল শত্ৰুক চিনাক্ত কৰিব লাগিব। সমগ্ৰ জনগণক ঐক্যবদ্ধ কৰাৰ ঐতিহাসিক দায়িত্ব আমি পালন কৰিব লাগিব। আমিয়েই আৰম্ভ কৰিব লাগিব মূল শত্ৰুৰ বিৰুদ্ধে এক আপোচহীন সংগ্ৰাম।

এই ঐতিহাসিক দায়িত্ব পালন কৰিবৰ বাবে আমি সদৌ তাই-আহোম ছাত্ৰ সন্থা আৰু সদৌ অসম জনজাতি ছাত্ৰ সন্থাই আগন্তুক জয়া দিৱসৰ সময়ত অহা ২৫, ২৬ আৰু ২৭ মাৰ্চ ১৯৮৯ তাৰিখে গোলাঘাট জিলাৰ সৰুপথাৰত অসমৰ সকলোবোৰ জনগোষ্ঠীগত ছাত্ৰ সংগঠনৰ এক "সন্মিলিত ছাত্ৰ অভিবৰ্ত্তন" আৰু কেন্দ্ৰীয় ভাৱে জয়া দিৱস উদ্‌যাপন কৰিবলৈ আগবাঢ়িছো। আমি অভিৱৰ্ত্ত-নলৈ নিমন্ত্ৰণ কৰা ছাত্ৰ সংগঠনবোৰ হ'ল —

সিপিঠিত

সদৌ তাই আহোম ছাত্ৰ সন্থা আৰু সদৌ অসম জনজাতি ছাত্ৰ সন্থা (সংগঠক তথা আহ্বায়ক), সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা, কাৰবি ছাত্ৰ সন্থা, ডিমাছা ছাত্ৰ সংস্থা, সদৌ অসম নেপালী ছাত্ৰ সন্থা, সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থা, সদৌ মিচিং ছাত্ৰ সন্থা, সদৌ অসম দেউৰী ছাত্ৰ সন্থা, সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সদৌ অসম মান-টাই ভাষী ছাত্ৰ সন্থা, সদৌ অসম মটক ছাত্ৰ সন্মিলন, সদৌ অসম শৰণীয়া ছাত্ৰ সন্থা, সদৌ অসম অনুসূচীত জাতি ছাত্ৰ সন্থা, সদৌ অসম কোচ-ৰাজবংশী ক্ষত্ৰিয় যুৱ ছাত্ৰ সন্মিলনী, কাছাৰ গণতান্ত্ৰিক যুৱ-ছাত্ৰ সংগ্ৰাম সমিতি, সদৌ অসম মণিপুৰী ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, তিৱা ছাত্ৰ সন্থা ইত্যাদি।

এই গুৰুত্বপূৰ্ণ অভিৱৰ্ত্তনখনৰ শেষৰ দিনা ২৭ মাৰ্চ তাৰিখে জয়া দিৱস উপলক্ষে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা আৰু সন্ধিয়ালৈ অসমৰ সকলোবোৰ জনগোষ্ঠীৰ সাংস্কৃতিক দলৰ এক বাৰে-ৰহনীয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।

অভিৱৰ্ত্তনৰ এই সকলো কাৰ্য্যসূচীৰ সফল ৰূপায়নৰ বাবে সকলো ৰাইজৰ পৰা দান-বৰঙণি আৰু সক্ৰিয় সহযোগ কামনা কৰা হ'ল।

জটিলতা দূৰ কৰক— সমস্যা মাধানত ভাগ লওক। সকলোৰে সমান অধিকাৰৰ ভিত্তিত ঐক্য আৰু শান্তি স্থাপন আমাৰ লক্ষ্য হওক।

## সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ হৈ

সব্যসাচী ৰাভা, উপদেষ্টা।
তুলসী বৰদলৈ „
ৰনোজ পেগু, সভাপতি
ৰাণা প্ৰসাদ দেউৰী, উপ-সভাপতি।
দেৱকান্ত ৰামছিয়াৰী, সাঃ সম্পাদক।
পুহেশ্বৰ বৰদলৈ, যুটীয়া সম্পাদক।
নামেশ্বৰ বড়ো, প্ৰচাৰ সম্পাদক।
বাবুল ৰাভা, সদস্য।

## সদৌ তাই আহোম ছাত্ৰ সন্থাৰ হৈ

প্ৰমোদ বৰুৱা, সভাপতি।
দয়াকৃষ্ণ গগৈ, কাৰ্য্যকৰী সভাপতি।
অতুল ৰাজকোঁৱৰ, উপ সভাপতি।
দিলীপ বৰগোহাঁই „
অৰুণ গগৈ, সাধাৰণ সম্পাদক।
ৰিপুনাথ বুঢ়াগোহাঁই সহঃ সাঃ সম্পাদক।
দিপালী চেতিয়া, সহ সম্পাদিকা।
ৰত্ন গগৈ, সহ সম্পাদক।

## অভ্যৰ্থনা সমিতিৰ হৈ উপদেষ্টামণ্ডলী

দুৰ্গানাথ সন্দিকৈ।
প্ৰবীন কোঁৱৰ।
প্ৰতাপ ফুকন।
ৰবীন টুডু।
ভাগ্যনাথ সন্দিকৈ, সভাপতি।

হলিৰাম পাটগিৰি, উপ-সভাপতি।
দিলীপ বৰগোহাঁই সাঃ সম্পাদক।
ৰাজীৱ বৰপাত্ৰগোহাঁই, কাৰ্যকৰী সম্পাদক।
দোলেশ্বৰ কোঁৱৰ, সদস্য।
দিলীপ সন্দিকৈ। „
খগেন কুটুম। „

# অসমত ৰাষ্ট্ৰপতি শাসন আৰু সামৰিক হস্তক্ষেপৰ বাবে দায়ী আল্‌ফা-অগপক চিনি ৰাখক !

## অগপ-পন্থী আল্‌ফাৰ পৰিবৰ্তে কংগ্ৰেছী- আলফাৰ উদয়ৰ সম্ভাৱনা নিৰ্মূল কৰক !!

## নিৰ্বিচাৰ সামৰিক অত্যাচাৰ নহয়, জংগী গণপ্ৰতিৰোধেৰে সন্ত্ৰাসবাদৰ কবৰ খান্দক !!

যোৱা ২৭ নবেম্বৰ তাৰিখে মাজৰাতি অসমত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হয় আৰু সামৰিক বাহিনীৰ হস্তক্ষেপ আৰম্ভ হয়। এই ঘটনাত কংগ্ৰেছ (ই) ৰ দৰে কিছুমানৰ 'আনন্দ নধৰে হিয়া' হৈছে। আনহাতে আলফা-অগপ-আছুহঁতে ফ্ৰাঁট দিয়া বসুমতী পাতালে লুকাও বুলি বিমাৰ ধৰিছে।

অসমৰ জনগণৰ ওপৰত ফেচিষ্ট কেন্দ্ৰীয় শাসন আৰু সামৰিক অত্যাচাৰ নমাই অনাৰ দ্বায়িত্ব প্ৰধানকৈ আলফা-অগপই স্বীকাৰ কৰিবই লাগিব। হত্যা-অপহৰণ ডকাইতিৰ অন্তহীন জুৱাখেলাত নামি পৰা আলফাই এই কথা পাহৰি যাব নেলাগিছিল যে ইয়াৰ অবৈধ জন্মদাতা আছুৱে ১৯৮৫ চনৰ ১৫ আগষ্টৰ মাজনিশা কংগ্ৰেছ (ই) ৰ লগত যি গোপন চুক্তি কৰিছিল তাৰ মৰ্ম আছিল ঃ দিল্লীৰ হিন্দী হিন্দু শাসকবৰ্গৰ বিশ্বস্ত এজেণ্ট হিচাপে অসম শাসন কৰা। তাৰ বাবেই বৈধ সন্তান অগপৰ জন্ম, অবৈধ সন্তান আল্‌ফাৰ লালন-পালন। যেতিয়ালৈকে আল্‌ফাই নিপীড়িত বঞ্চিত মানুহৰ বিৰুদ্ধে তাৰ হত্যা-অপহৰণ অত্যাচাৰ চলাই আছিল তেতিয়ালৈকে দিল্লীয়ে তাৰ প্ৰতি 'মৌনম্ সন্মতি লক্ষণম্' কৰি আছিল। কিন্তু যেতিয়া আল্‌ফাৰ লোভ-লালসাই সীমা চেৰাই গৈ সাম্ৰাজ্যবাদী বিদেশী পুঁজি আৰু সৰ্বভাৰতীয় বৃহৎ পুঁজিৰ লাভৰ ভাগ বিচৰাৰ পৰ্যায় পালেগৈ (লুটপাতৰ ভাগ বিচৰাইতো আল্‌ফাৰ পুঁজিবাদ বিৰোধী বিপ্লৱ !) তেতিয়াই দিল্লীৰ প্ৰভুহঁতে কঠোৰভাৱে সোঁৱৰাই দিব লগা হ'ল — যে দিল্লী দিচপুৰ মিত্ৰতাত দিল্লীহে মালিক — আলফা অগপ নিতান্তই অনুগত। ইয়াৰ অন্যথা হ'লে হয়তো ৰাক্ষকৈ এশিকনি দিয়া হ'ব। খাল খান্দি ঘৰিয়াল মাতি আনিছে আল্‌ফা-অগপই। এতিয়া 'ভেকো কৰা মোকো নিয়া' বুলি বিননি জুৰিলে কি হ'ব? দিল্লীৰ লগত লুটপাতৰ ভাগ লৈ হোৱা এই ডকাইতৰ কাজিয়াত আমাক, অসমৰ ৰাইজক চামিল হ'বলৈ আহবান জনাই লাভ নাই। অসমৰ ৰাইজৰ ওপৰত ফেচিষ্ট ৰাষ্ট্ৰপতি শাসন আৰু সামৰিক অত্যাচাৰৰ বাট মুকলি কৰাৰ বাবে আমি ইয়াক ৰাইজৰ আদালতত থিয় কৰাবলৈহে বৈ আছো। সংৰক্ষণ বিৰোধী, উচ্চবৰ্ণবাদী, নিপীড়িত মানুহৰ জাতশত্ৰু অগপ-আল্‌ফাৰ প্ৰতি আমাৰ অকণো সহানুভূতি নাই, পুতৌ নাই।

### এইবাৰ কংগ্ৰেছী - আল্‌ফাৰ আবিৰ্ভাৱ ?

ভষ্মাসুৰক সি যাৰে মূৰত হাত দিয়ে তাৰে মূৰ ছিগি পৰিব বুলি কোনে বৰ দিছিল? শিৱই। ভষ্মাসুৰে মূৰ ছিঙো বুলি কোনে পলাই ফুৰিব লগা হৈছিল? শিৱই। ১৯৮৫ চনৰ ১৫ আগষ্টৰ মাজনিশা মৃতপ্ৰায় আছুৰ লগত গোপন চুক্তি কৰি কোনে অগপক অসমখন গতাই দিছিল? কংগ্ৰেছে (ই)। নিজে দিল্লীৰ সিংহাসনত বহি থাকিও অগপৰ সৌজন্যত আল্‌ফাৰ অতপালি কোনে বাঢ়ি যাবলৈ দিছিল? কংগ্ৰেছে (ই)। আল্‌ফাৰ গুলীত ৫২ জন সদস্য হেৰুৱাই কোনে পলাই ফুৰিছিল? কংগ্ৰেছে (ই)। আমাৰ খুবেই মনত আছে যে সৌ সিদিনালৈকে ৰোহিতেশ্বৰৰ মৃত্যুৰ আগলৈকে হিতেশ্বৰ শইকীয়াই কৈ ফুৰিছিল যে আল্‌ফা এটা দেশপ্ৰেমিক সংগঠন আৰু নিৰ্বাচনত তেওঁ তাৰ সহায় বিচাৰিব। এই দলৰ কোনোজন নেতাৰ মৃত্যুতে দলটোৱে সামান্যতম প্ৰতিবাদৰ পথতো নমা নাছিল। আত্মসমৰ্পণবাদী, মেৰুদণ্ডহীন, কাপুৰুষৰ এই দলে এতিয়া সামৰিক বাহিনীৰ যোগেদি আল্‌ফাক দমন কৰি শান্তি অনা বুলি ভোটৰ বজাৰলৈ ওলাব। কিন্তু মঞ্চত আল্‌ফা দমনৰ নাটক চলি থাকিলেও নেপথ্যত চলিব আৰু এখন নাটক। আল্‌ফাৰ মাজত বিভাজন অনা হ'ব। এটা অগপৰ আল্‌ফা, আনটো কংগ্ৰেছৰ। ১৯৮৩-৮৫ চনত আমি

OKDISCD

দেখা খেলখনৰ পুনৰাবৃত্তি হ'ব। সেইদিনা যেনেকৈ আন্দোলনকাৰী একাংশৰ ওপৰত থকা অপৰাধমূলক গোচৰবোৰ তুলি লোৱা-নোলোৱা, টকা আৰু চাকৰিৰ ভাবুকি আৰু টোপৰ জৰিয়তে বহুতকে কংগ্ৰেছে নিজৰ ফলীয়া কৰিছিল – ৰাতিটোৰ ভিতৰতে বহু আন্দোলনকাৰীয়ে কংগ্ৰেছী খদ্দৰ চোলাৰ আঁৰত মোট সলাইছিল, ঠিক সেই ঘটনাই ঘটিব এইবাৰো। হত্যা, ডকা-ইতিৰ অসংখ্য গোচৰৰ পৰা বচাই দি পুনসংস্থাপৰ প্ৰলোভন আৰু অন্যথাই জীৱন ধ্বংস আৰু পুলিচী অত্যাচাৰৰ ভাবুকিৰে কংগ্ৰেছে অৱশ্যেই আদৰ্শহীন আলফাৰ একাংশক পৰিণত কৰিব বিচাৰিব নিজৰ দেহৰক্ষী আৰু গুণ্ডাবাহিনীত। অসমৰ সমূহ নিপীড়িত ৰাইজৰ পক্ষে আমি কংগ্ৰেছক সঁকীয়াই দি কওঁযে ৰাইজৰ পৰম ঘৃণা আৰু ৰোষৰ পাত্ৰ এই উগ্ৰজাতীয়তাবাদী সন্ত্ৰাসৰ চৰ্দাৰ হঁতক আমি কাৰ গাড়ীত দেখা পাওঁ সেয়া আমাৰ বিচাৰ্য নহয়। অগপ মাৰ্কা বৰ্ণবাদী সন্ত্ৰাসৰ বাবেআমাৰ যেনেকৈ দয়া নাই, তেনেকৈ কংগ্ৰেছী মাৰ্কা উগ্ৰজাতীয়তাবাদী সন্ত্ৰাসৰ বাবেও আমাৰ ক্ষমা নাই। চোলা সলনি হ'লেও, পতাকা সলনি হ'লেও ৰাইজে ঠিকেই চিনি ল'ব নিজৰ শত্ৰুক।

কাৰণ ৰাইজে ক্ৰমশঃ বেছি বেছি স্পষ্টকৈ চিনি পাব ধৰিছে কংগ্ৰেছ (ই) কো। এইটো–টোৱেইতো সেই দল যি ১৯৫০ চনত 'কমিউনিষ্ট অপাৰেচন'ৰ নামত পুলিচ-মিলিটাৰীৰ হতুৱাই নিপীড়িত মানুহৰ ওপৰত নমাইছিল বৰ্বৰ অত্যাচাৰ; ইয়াৰ উদ্যোগতেইতো ১৯৫০, ১৯৬০, ১৯৬৫, ১৯৭২ ত সংখ্যালঘু মানুহৰ বিৰাট বিৰাট গণহত্যাকাণ্ডবোৰ সংঘটিত হৈছিল; ১৯৮৩ চনত ক্ষমতালৈ অহাৰ পাছত ইটো নেলী-গহপুৰ-চাউলখোৱা-মুকালমুৱাৰ গণহত্যাকাণ্ডকে ধৰি সেই সময়ছোৱাত অসমত সংঘটিত ১০,০০০ হত্যাকাণ্ডৰ এটাৰো বিচাৰ নকৰি হত্যাকাৰীবোৰক টিঙিল ঘিলাই ফুৰিবলৈ এৰি দিছিল আৰু তেনেকৈয়ে প্ৰস্তুত কৰিছিল আলফাৰ জন্মক্ষেত্ৰ। আজি এই দলেইতো ভাৰতৰ মুঠ জনসংখ্যাৰ ৫২%' অ'বিচি সকলৰ বাবে সংৰক্ষণৰ বিৰোধীতা কৰিছে, বাবৰি মছজিদৰ দুৱাৰ খুলি দি তাক ধ্বংস কৰাৰ পথ মুকলি কৰিছেতো কংগ্ৰেছেই।

ভাৰতবৰ্ষৰ বৃহত্তম ব্ৰাহ্মণ্যবাদী দল কংগ্ৰেছ কাহানিও অসমৰ নিপীড়িত মানুহৰ ত্ৰাণকৰ্তা হ'ব নোৱাৰে; ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ মালিকানাধীন সামৰিক বাহিনীৰ বেয়নেটৰ আগেৰে আমাৰ শান্তি নাহে। পঞ্জাব, কাশ্মীৰ, শ্ৰীলংকা—পৃথিবীৰ ক'তো সামৰিক বাহিনীয়ে সন্ত্ৰাসবাদ বা জংগী উগ্ৰপন্থীক নিঃশেষ কৰিব পৰা নাই। জনগণ বিৰোধী ৰজাঘৰীয়া সন্ত্ৰসবাদী বাহিনীৰ মোকাবিলা কৰিব জংগী, সচেতন জনগণেই। আৰ্মকাই যি পথেৰে হত্যা সন্ত্ৰাসৰ মোকাবিলা কৰি তেজেতিতা পথ গঢ়কি লাখ লাখ জনগণক উদ্দীপ্ত কৰিছিল বীৰত্বপূৰ্ণ প্ৰতিৰোধৰ বাবে, এঘৰীয়া কৰি আনিছিল সন্ত্ৰাসবাদক, সেই পথেৰেই কেৱল সন্ত্ৰাসবাদক কবৰ দিয়া সম্ভৱ। সামৰিক বাহিনী আৰু ৰাষ্ট্ৰপতি শাসনক যিসকলে স্বাগতম জনাইছে তেওঁলোকে বুজা উচিত বালিলৈ যিপাত শৰ, সুগ্ৰীবলৈও সেই একেপাতেই। কালিলৈ আমাৰ গণতান্ত্ৰিক অধিকাৰ আৰু আন্দোলন সমূহৰ ওপৰতো ৰাষ্ট্ৰপতি শাসনৰ অজুহাতত এই একেই সামৰিক বাহিনীয়ে নৃশংসভাৱে জপিয়াই পৰিব পাৰে।

**আমাৰ দাবী** ● **অবিলম্বে মুক্ত নিৰ্বাচন।**

● **ৰাষ্ট্ৰপতি শাসন আৰু সামৰিক বাহিনীৰ আশু প্ৰত্যাহাৰ।**

**আমাৰ আহ্বান** ● **সন্ত্ৰাসবাদৰ বিৰুদ্ধে জংগী গণপ্ৰতিৰোধ।**

● **কংগ্ৰেছী ফেচিষ্ট বিপদৰ বিৰুদ্ধে গণ-আন্দোলন।**

বঞ্চিত মানুহ জাগিছে। বিজয় আমাৰ অৱধাৰিত।

---

আৰ্মকা (অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ) ৰ উজনি অসম জ'নৰ হৈ অমৰ জ্যোতি গগৈ, অভিৰাম চাংগা, দৌলত মৰাণ, হেমচন্দ্ৰ দলে, কামালুদ্দিন শইকীয়া, ব্ৰজেন মহন্ত, ৰবীন টুডু, সুনিন্দ্ৰা দেউৰী আৰু ভবেন শ্যামৰ দ্বাৰা প্ৰচাৰিত। ২৯।১১।৯০ তিনিচুকীয়া।।

OKDISCD

বৈচিত্র্যৰ প্ৰতি ভাবুকি আৰু সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে

# অসম ৰাজ্যিক অভিবৰ্তন

● ১৫, ১৬ আৰু ১৭ নৱেম্বৰ '৮৮, গুৱাহাটী ●

## ১৫ নবেঃ '৮৮ দিনৰ ১ বজাত গুৱাহাটীৰ জজ খেলপথাৰত মুকলি সমাবেশ

---

বিশিষ্ট অতিথি —

চৈয়দ চাহাবুদ্দিন, এম পি। চৌধুৰী ব্ৰহ্মপ্ৰকাশ, প্ৰাক্তন মুখ্যমন্ত্ৰী, দিল্লী। অজিত সিং বেইন্চ, ন্যায়াধীশ, চণ্ডীগড়। ৰাম বিলাস পাচোৱান, এম পি। গুৰুচৰণ সিং বাব্বৰ, সভাপতি সদৌ ভাৰত শিখ সন্থা। জাফৰ ৰাব জিল্লানী, উত্তৰ প্ৰদেশ বাবৰী মছজিদ সংগ্ৰাম সমিতি। ভগবান দাস। প্ৰকাশ আম্বেদকাৰ কেপ্তেইন অমৰিন্দৰ সিং। কাট্টি পল ৰাও, দলিত মহাসভা, অন্ধ্ৰপ্ৰদেশ। ইন্দৰ সিং জায়জী, আকালী এম এল এ। চলমান হাচমী। গিয়ানী অজিত সিং, পাঞ্জাবৰ প্ৰখ্যাত ৰাজনৈতিক কৰ্মী। পি চি তিৱাৰী, সা: সম্পাদক, উত্তৰখণ্ড সংঘৰ্ষ বাহিনী। প্ৰদীপ তাম্তা, সাংগঠনিক সম্পাদক, উত্তৰখণ্ড সংঘৰ্ষ বাহিনী। মীনা তাম্তা, সম্পাদিকা, উত্তৰখণ্ড মহিলা সমিতি। কে কে এছ দাস, সম্পাদক, চিদিয়ান, কেৰেলা। এম গোপীনাথ, দলিত সংঘৰ্ষ সমিতি, কৰ্ণাটক। ভি আনাইমুথু, দলিত নেতা। সোণাল মেহতা, গুজৰাটৰ ৰাজনৈতিক কৰ্মী। মনিষী জানী। চৈয়দ মহবুবুল্লাহ, পশ্চিম বঙ্গ। বচ্চন সিং সৰল, শিখ কন্ফাৰেঞ্চ, পশ্চিম বঙ্গ। অৰুণ মাঝি। সুগত সেনগুপ্ত। বিদ্যুৎ ভাগৱত, নেত্ৰী, খাৰদ জোশী আন্দোলন। বাসন্তী ৰমন। বিনোদ তিৱাৰী। শ্বাহীদ চিদ্দিকী, সম্পাদক, নয়ী দুনিয়া। ড' মিলিণ্ড তিৱান, নাগপুৰ দলিত নেতা। ভাস্কৰ নন্দী। ডাঃ ৰনোজ পেগু। ডাঃ জয়ন্ত ৰংপি। গোলাপ বৰবৰা। মৌলানা আব্দুল হক। ফণী মেধি। সব্যসাচী ৰাভা। দেবব্ৰত শৰ্ম্মা।

---

শ্ৰদ্ধেয় ৰাইজ,

একালেদি ঐক্য আৰু সংহতিৰ প্ৰশ্ন আৰু আনফালেদি স্বায়ত্বশাসন আৰু স্বকীয় অধিকাৰ ৰক্ষা কৰাৰ আপ্ৰাণ প্ৰচেষ্টা —ইয়াৰ মাজেদি আগবাঢ়িছে আজিৰ ভাৰত তথা অসম। দেশজুৰি আজি বঞ্চিত, নিপীড়িত, দলিত জনগোষ্ঠীয়ে স্বায়ত্ত-শাসন আৰু জাতিগত অস্তিত্ব ৰক্ষাৰ আন্দোলনত নামি পৰিছে। আনহাতেদি চৰকাৰে ঐক্য আৰু অখণ্ডতাক ৰক্ষা কৰিবলৈ টৈগ দমন নিৰ্য্যাতনৰ পথ লমাই আনিছে।

এই অৱস্থাটো আজি কোনেও আওকাণ কৰিব নোৱাৰে। আজি আমাৰ সকলোৰে সন্মুখত মূল প্ৰশ্নটো হ'ল— বৈচিত্ৰ্যক জীয়াই ৰাখিও এখন ঐক্যবদ্ধ ভাৰত গঢ়িব পৰা যায়নে? সকলো জাতি-গোষ্ঠী নিপীড়িত, বঞ্চিত, দলিত আৰু সংখ্যালঘুৰ বাবে সমান অধিকাৰ আৰু সম-মৰ্য্যাদাৰ ভিত্তিত ফেডাৰেল ভাৰত তথা অসম গঢ়িব পৰা যায়নে? এই সকলোবোৰ বিষয়লৈ আন্তৰিক প্ৰচেষ্টাৰে আলোচনা কৰিবলৈ ১৫, ১৬ আৰু ১৭ নৱেম্বৰত তিনি দিনীয়াকৈ গুৱাহাটীত এখন অভিবৰ্তনৰ আয়োজন কৰা হৈছে। এই অভিবৰ্তনৰ আহ্বান ৰাখিছে অসমৰ প্ৰায় দেৰশ' জন বিশিষ্ট বুদ্ধিজীৱি জনগোষ্ঠীগত নেতা, গণতান্ত্ৰিক ব্যক্তি আৰু উদ্বিগ্ন নাগৰিকে।

উক্ত অভিবৰ্তনত বিশেষকৈ ১৫ নৱেম্বৰৰ জজ খেলপথাৰত হব লগা জনসভাত দলে বলে ভাগ লবলৈ সমাজৰ সকলো অংশৰ লোকক আহ্বান জনাইছোঁ।

ধন্যবাদ

---

অভিবৰ্তনৰ আহ্বায়ক সমিতিৰ হৈ লক্ষ্মীনাথ পাংগিং, খোলোক গগৈ, মুকুট সিংহ চুতীয়া, সব্যসাচী ৰাভা, মঃ গিয়াছউদ্দিন, নামেশ্বৰ বড়ো, দেবজিৎ চৌধুৰী অদিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ভিউ প্ৰিন্টাৰ্চ গুৱাহাটী-৭ত মুদ্ৰিত।

OKDISCD

# 'विचित्रता की प्रति खतरा और साम्प्रदायिकता की खिलाफ असम का राज्यिक सम्मिलन'

## 15 से 17 नवम्बर 1988 गुवाहाटी

**आम सभा**

15 नवम्बर : 2 बजे से

स्थान : जज फिल्ड, गुवाहाटी

प्रधान वक्ता : सैयद साहाबुद्दिन एम. पि., चौधरी ब्रह्मप्रकाश, भूतपूर्व मुख्यमंत्री; अजित सिं बेईनश, न्यायाधीश, चण्डीगढ़, राम बिलास पासवान,-एम. पि., गुरु-चरण सिं बाब्बर अध्यक्ष अखिल भारत शिख संस्था, जाफर वब जिललानी-उ. प्र. बाबरी मसजिद संग्राम समिति, कान्ति पद्म राओ-दलित महासभा, अन्ध्र।

भगवान दास
प्रकाश आम्बेदकार
कैप्टैन अमरिन्दर सिं
सैयद महिवउल्लाह उल्लान-प. बंग।
शरत चन्द सिनहा
ईन्दर सिं जयजो
गोलाप वरबरा
डा० रणोज पेगु
फणी मेधी आदि।

OKDISCD

प्यारे देशबासियों,

वर्तमान देशके सामने एक ओर जहा राष्ट्रीय एकता और अखण्डता का प्रश्न है, वँही दूसरी ओर स्वायत्त शासन और गुष्ठीगत अधिकार बचाने की कोशिस दिलो जान से चल रही है। वर्तमान असम प्रान्त भी इसका अपवाद नहीं है। आज सारा देश में वंचित, शोषित और दलीत जनजातीयों में स्वायत्त शासन और जातिगत अस्तित्व रक्षा की जो लहर चल रही है, उससे सार देश जल रहा है। एक ओर जाँहो ब्राह्मण्यबाद के खिलाफ आवाज उठ रही है तो दूसरी ओर सरकार एकता और अखण्डता के नाम पर कठोर कदम उठा रही है।

इस वास्तविकता को स्वीकार किये विना कोइ नहीं रह सकता। आज हमारे सामने मुख्य प्रश्न यह उठता है कि क्या हम इन तमाम विचित्रताओं के वीच एक शक्तिशाली भारत का निमार्ण नहीं कर सकते हैं? क्या हम सभी जनगोष्ठी शोषित दलित, और अल्प संख्यक के लिये समान अधिकार और समान मर्यादा के उपर निष्ठा से एक फेडरल भारत बर्ष तथा असम का निर्माण नहीं कर सकता है? इन सभी विषयों पर विचार करने के लिये आगामी 15, 16 और 17 नवम्बर के दिन गुवाहाटी में एक सम्मिलन का आयोजन किया गया है। इस सम्मिलन को असम के लग भग दो सौ विद्वान तथा विभिन्न राजनैतिक नागरीकों ने आहवान किया है। उस सम्मिलन में प्रधान रुप से 15 नवम्बर को जज फिल्ड में होनेवाला आम सभाको सफल बनाने के लिये समाज के सभी वर्ग जैसे किसान, मजदूर, छात्र युवा तथा विद्वानों को आमंत्रण किया गया हैं।

धन्यबाद

सम्मिलन आह्वायक कमिटि के ओर से लक्ष्मी नाथ पांगिं के द्वारा प्रकाशित और डिउ प्रिन्टार्स में मूद्रित।

# পদযাত্ৰাৰ সফল পৰিসমাপ্তিৰ পাছত আমকাৰ আহ্বান

# ১৫ জুনৰ অসম বন্ধ সফল কৰক

**আমাৰ শ্ৰদ্ধাৰ অসমবাসী ৰাইজ!**

অসমৰ শাসন ক্ষমতাত অধিষ্ঠিত, খুববেছি ১৩% মানুহৰ স্বাৰ্থ ৰক্ষী, জাতি-বৰ্ণবাদী, উগ্ৰজাতিদাম্ভিক শাসক চক্ৰ-টোৱে চলোৱা অৰ্থ নৈতিক আৰু সামাজিক শোষণ আৰু বঞ্চনাৰ ফলত একালৰ আহল-বহল অসম আজি ছিন্ন ভিন্ন; যিকণ বাকী আছে সিও আজি বিপন্ন। উক্ত গোষ্ঠীটোৰ তেনে অদূৰদৰ্শী, সংকীৰ্ণ গোষ্ঠীবাদ আৰু দাদাগিৰিৰ ফলতেই আজি 'উদয়াচল' পৃথক ৰাজ্য, কেন্দ্ৰীয় শাসিত ট্ৰাইবেললেণ্ড আৰু স্বায়ত্বশাসিত কাৰ্বি আংলং-উত্তৰ কাছাৰ ৰাজ্যৰ বাবে আন্দোলন চলিছে। মিছিংসকলে অলপতে স্বায়ত্ব শাসিত ৰাজ্য বিচাৰিছে; লালুংসকলে স্বায়ত্বশাসিত জিলা বিচা-ৰিছে। প্ৰায় সকলো জনজাতিৰ মাজতেই স্বায়ত্বশাসনৰ আকাংক্ষা তীব্ৰ. কোঁচ-ৰাজবংশীসকলৰ মাজত 'কমতাপুৰ'ৰ দাবীদাৰ এটা ধাৰা বিদ্যমান। পৃথক কাছাড়, তাই-আহোমসকলে এসময়ত দাবী কৰা উজনি অসম স্বায়ত্বশাসিত গোট, সংখ্যালঘু সংঠনসমূহে শেহতীয়াকৈ উটোৱা স্বায়ত্বশাসনৰ দাবীৰ কথাও প্ৰসংগতঃ উল্লেখ কৰিব পাৰি। ....এই পৰিস্থিতিত অসম আজি খণ্ড-বিখণ্ড হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ উঠিছে। এনে জটিল সন্ধিক্ষণতো অসমক ঐক্যবদ্ধ কৰি ৰাখিবলৈ যিসকলে আন্তৰিকতাৰে বিচাৰে সেইসকলে বুজিব লাগিব: বড়োসকলৰ ক্ষেত্ৰত কৰাৰ দৰে হত্যা-লুণ্ঠন আৰু বিশমুৰী-ভূমকাৰ দৰে গণনাৰীধৰ্ষণৰ যোগেৰে অসমক ঐক্যবদ্ধ কৰি ৰাখিব পৰা নেযাব। বিনাচৰ্তে, বিনাপ্ৰশ্নে কাৰো ভৰিৰ তলত থাকিবলৈ আজি আৰু কোনো ৰাজী নহয়। অসমক ঐক্যবদ্ধ কৰি ৰখা আৰু একেসময়তে বিভিন্ন জনগোষ্ঠীসমূহৰ ন্যায্য আশা-আকাংক্ষা পূৰণ কৰাৰ উদ্দেশ্যে সেয়ে আমি দাবী তুলিছো:

> "সংগ্ৰামী জনগোষ্ঠীসমূহক বিভিন্ন স্তৰৰ স্বায়ত্বশাসন দি অসমৰ ৰাজনৈতিক ক্ষমতাৰ ফেডাৰেল ভিত্তিত পুনৰ গঠন কৰক।"

আমাৰ দৃঢ় বিশ্বাস, এই ব্যৱস্থাই আনকি ক্ষুদ্ৰতম জনগোষ্ঠীসমূহৰ আকাংক্ষাকো পূৰ্ণতা দিব, আনহাতে একতাও অটুত থাকিব।

অসমৰ সমাজজীৱনত যোৱা তিনিবছৰে সংৰক্ষণৰ প্ৰশ্নটোৱেও তোলপাৰ লগাইছে। বৰ্ণবাদী ষড়যন্ত্ৰই পাহাৰ ভৈয়াম বুলি বিভক্ত কৰি ৰখা জনজাতিসকলে ডুয়োঠাইতে সংৰক্ষণৰ দাবীত, অসমৰ ৫০ লাখ চাহমজদুৰ-প্ৰাক্তন চাহ মজদুৰ/আদিবাসী/ঝাড়খণ্ডীয়ে অনুসূচীকৰণ আৰু সংৰক্ষণৰ দাবীত, ৫০লাখ কোঁচ ৰাজবংশীয়ে একেই দাবীত, তাই আহোমসকলে স্বকীয়া লোকপিয়ল আৰু সংৰক্ষণৰ দাবীত সংগ্ৰামৰ পথ লৈছে। মৰাণ-মটক আৰু সংখ্যালঘুসকলেও সদৃশ দাবী উঠাইছে। অনুঃ জাতি-জনজাতিৰ বাবে থকা সংৰক্ষণ আখৰে আখৰে প্ৰয়োগ আৰু অন্যান্য পাছপৰা শ্ৰেণীৰ বাবে মণ্ডল আয়োগৰ পৰামৰ্শ (২৭% সংৰক্ষন) কাৰ্য্যকৰীকৰণৰ দাবীতো আছেই। তলত দিয়া তা-লিকাখনেও অসমত চলি থকা জাতি-বৰ্ণগত বৈষম্য আৰু তাক আঁতৰাবলৈ সংৰক্ষণৰ দাবীৰ যুক্তিযুক্ততা প্ৰমাণ কৰিব:

বৰ্ণ / জাতিৰ ভিত্তিত অসমৰ চৰকাৰী চাকৰিৰ তালিকা

(উৎস: Statistical Abstract, 1978, Published by Directorate of Economics & Statistics. Govt of Assam)

| জাতি/বৰ্ণ | ১ম শ্ৰেণী | ২য় শ্ৰেণী | ৩য় শ্ৰেণী | ৪ৰ্থ শ্ৰেণী |
|---|---|---|---|---|
| ১। অনুসূচিত জাতি | ৫৬(৩·৮৭%) | ১৮৫(৪·১%) | ৩,৬৭৯(৫·৬৪%) | ৩,০৮১(১০·৩%) |
| ২। অনুঃ জনজাতি (পাহাৰীয়া) | ৯(২·০১%) | ৪৭(০·১%) | ১,৫০২(২·৩%) | ৫৮৮(১·৯৬%) |
| ,, (ভৈয়ামৰ) | ৪৪(৩·০৪%) | ১১২(১·৪৮%) | ৩,৯৪২(৬·০৫%) | ১,৩৯০(৪·৬৮%) |
| ৩। অন্যান্য পাছপৰা শ্ৰেণী (O.B.C.) | ১৭১(১১·৮১%) | ৭৯৮(১৭·৭১%) | ২,০৮৬(৩·৬৬%) | ৯৫৬(৩·১৯%) |
| ৪। মুছলিম | ১৬৮(১১·৬১%) | ৫১৭(১১·৪৭%) | ৭,৩৯৬(১১·৩৫%) | ৩,১৯৯(১০·৪৬%) |
| ৫। অন্যান্য (বৰ্ণহিন্দু) | ৯৯৯(৬৯·০৩%) | ২,৮৪৬(৬৩·১৭%) | ৪৬,৫১৭(৭৩·৪৫%) | ২০,৭৭৪(৬৯·৩৮%) |
| ৬। মুঠ | ১৪৪৭(১০০%) | ৪,৫০৭(১০০%) | ৬৫,১২০(১০০%) | ২৯,৫৮৮(১০০%) |

([illegible])

OKDISCD

আৰ্মকাই সেয়ে পৃথকে পৃথকে উক্ত আন্দোলনসমূহৰ ন্যায্য দিশলৈ সমৰ্থন জনোৱাৰ উপৰিও দাবী তুলিছে :

''প্ৰতি জনগোষ্ঠীৰ বাবে ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক
সকলো দিশতে জনসংখ্যা অনুপাতে সংৰক্ষণৰ ব্যৱস্থা কৰক।"

এই দাবীসমূহ অসমৰ ব্যাপক ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ উদ্দেশ্যৰেই আৰ্মকা অৰ্থাৎ অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ আহ্বানক্ৰমে আমি মে' মাহৰ আৰম্ভণীৰ পৰা অসমৰ পূব আৰু পশ্চিম প্ৰান্তৰ ক্ৰমে শদিয়া আৰু ধুবুৰীৰ পৰা গুৱাহাটীলৈ মুঠ ২৭ দিনীয়া প্ৰায় দুহেজাৰ কি: মিঃ জোৰা পদযাত্ৰা কৰিছিলো। দহখন জিলাৰ মাজেৰে, প্ৰায় এশখন সৰু-ডাঙৰ নগৰ-মহানগৰ আৰু কেবাহাজাৰ গাঁৱৰ মাজেৰে চলিছিল বিৰামবিহীন আমাৰ পদযাত্ৰা। এদিনতে যান-বাহনেৰে যাব পৰা পথ আমি অতিক্ৰম কৰিছিলো সুদীৰ্ঘ ২৭ দিনত। পোনে পোনে ৰাজ-পথেৰে কেৱল নহয়, একা-বেকাকৈ, অকাই-পকাই। মূৰৰ ওপৰত প্ৰখৰ ৰ'দ অথবা বজ্ৰপাত, ধুমুহা, বৰষুণ সকলো নেওচি দিনে ৩০/৪০ কিঃ মি:কৈ চলিছিল আমাৰ কষ্টকৰ পদযাত্ৰা। অসমৰ গাঁৱে-ভূঞে বাগানে-বস্তিয়ে বাস কৰা লাখ লাখ দৰিদ্ৰ- দলিতৰ হাঁহি আৰু কান্দোনৰ ভাগ ল'বলৈ অহা আমাৰ পদযাত্ৰীসকলক ৰাইজৰ আশীৰ্বাদ, মৰম আৰু সহযোগে বলীয়ান কৰি তুলিছিল। ঠায়ে ঠায়ে হেজাৰ-বিজাৰ ৰাইজে আমাৰ পদযাত্ৰাত চামিল হৈছিলহি। সৰ্বমুঠ প্ৰায় একলাখ লোকে বিভিন্ন প্ৰকাৰে এই পদযাত্ৰাত অংশ লৈছিলহি। চমু কথাত আমাৰ পদযাত্ৰা পৰিণত হৈছিল এখন ইস্তাহাৰত, এটা প্ৰচাৰ আন্দোলনত, এটা সংগ্ৰামৰ বীজ ৰোপনকাৰী যন্ত্ৰত। তদুপৰি বোধহয় এই পদযাত্ৰাই দলিত মানুহৰ দিগ্বিজয়ী মহাপদযাত্ৰাত পৰিণত হ'ব ধৰিছিল। ইয়াতেই ভয় পাই অসম চৰকাৰে পুলিচ লগাই শদিয়াত পদযাত্ৰাৰ আৰম্ভণীতেই টলালে গ্ৰেপ্তাৰ আৰু থানা হাজোতত মাৰধৰ; সুদীৰ্ঘ ১৪ দিনৰ সফলতাৰ পাছত ১৭মে'ৰ ৰাতি বোকাখাতত পদযাত্ৰাৰ ওপৰত পুলিচ আৰু বৰ্ণবাদীহঁতৰ যৌথ আৰু বিফল আক্ৰমণ, পাছদিনা কঁহৰাত ১১৩ জন পদযাত্ৰীক ষড়যন্ত্ৰমূলকভাৱে গ্ৰেপ্তাৰ আৰু দহদিন কাৰাৰুদ্ধকৰণ, জাগীৰ'ডৰ পৰা পুনৰ পদযাত্ৰা অব্যাহত ৰাখিব বিচৰা ২০০ জন পদযাত্ৰীক গ্ৰেপ্তাৰ; আনফালে ধুবুৰীৰ পৰা অহা পদযাত্ৰীসকলক কোকৰাঝাৰ জিলাত সোমালেই গুলী কৰা হ'ব বুলি প্ৰবেশ কৰিবলৈ নিদিয়া, বৰপেটা ৰ'ড পোৱাৰ আগতে পুলিছে পুনৰ পদযাত্ৰা বন্ধ কৰা, গুৱাহাটীত পদযাত্ৰীসকলক মাইক আৰু শ্লোগান দিবলৈ নিদি কণ্ঠৰুদ্ধ কৰা, জালুকবাৰীত ২৭ মে'ত সমাবেশৰ বাবে অহা এ'বাচ লোকক আটক কৰা ইত্যাদি বিভিন্ন দমন-নিপীড়ণ স্বত্বেও দুয়োদল পদযাত্ৰীয়ে গুৱাহাটী আহি পায় আৰু নিৰ্ধাৰিত ২৭ মে'ত জজখেল পথাৰত আৰ্মকাৰ প্ৰথম জাতীয় শ্বহীদ সৌৰভ বৰাৰ স্মৃতিদিবস দৃপ্ততাৰে সৈতে পালন কৰে। বানপানীৰ ফলত আহিব নোৱৰা উজনি অসমৰ আৰ্মকা কৰ্মীসকলে যোৰহাটতো শ্বহীদ দিবস পাতে। আৰু এইদৰে এমুঠি বৰ্ণবাদী ধুৰন্ধৰ মানুহ আৰু প্ৰকৃতিৰ কঠিন বাধাক বুঢ়া আঙুলি দেখুৱাই এদল প্ৰতিজ্ঞাবদ্ধ নতুন মানুহে ৰচনা কৰিলে প্ৰতিবাদৰ এক নতুন গাথা; ঘোষণা কৰিলে তূৰ্যনাদেৰে জেহাদৰ কথা।

ইয়াৰ উপৰিও কেৱল ভাষা/ধৰ্মৰ পাৰ্থক্যৰ ভিত্তিত বিদেশীৰ লেবেল লগাই ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিব খোজা IMDT আইনৰ সংশোধনৰ বিৰুদ্ধে, ভূমিপুত্ৰ আৰু পাছপৰা শ্ৰেণী বিৰোধী বৰ্ণবাদী ৰেচম আইন বাতিলৰ দাবীত, কটন কলেজৰ জনজাতি আৰু মুছলীম ছাত্ৰবাস দুটা সাৰ্বজনীনকৰণৰ নামত সাম্প্ৰদায়িক স্বাৰ্থত দখল কৰাৰ প্ৰতিবাদত, বানসমস্যাৰ স্থায়ী সমাধানৰ দাবীত আৰু বানসাহায্য বিতৰণৰ ক্ষেত্ৰত সাম্প্ৰদায়িক বৈষম্যৰ বিৰুদ্ধে, বিকল্প সংস্থাপন নিদিয়াকৈ দলিত-নিপীড়িতসকলক উচ্ছেদৰ বিৰুদ্ধে, বিভিন্ন জনগোষ্ঠীৰ নিজা ভাষা-সংস্কৃতিৰ অধিকাৰৰ পক্ষে, অসমৰ আঞ্চলিক অৰ্থনৈতিক অনগ্ৰসৰতাৰ বিৰুদ্ধেও আৰ্মকাই যুঁজি আহিছে। ....

পদযাত্ৰাৰ যোগেৰে প্ৰচাৰিত প্ৰতিবাদক সংগ্ৰামলৈ ৰূপান্তৰ কৰাৰ বাবেই অহা ১৫ জুনত পুৱা পাঁচ বজাৰ পৰা আৰ্মকাই ১২ ঘন্টীয়া সৰ্বাত্মক অসম বন্ধৰ আহ্বান জনাইছে। গাখীৰ, পানী, বিজুলীযোগান, চিকিৎসাসেৱা আৰু বানসাহায্যক উক্ত বন্ধৰ পৰা ৰেহাই দিয়া হৈছে।

★ ১৫ জুন হওক প্ৰতিবাদৰ প্ৰতীক; অচল কৰি দিয়ক সিদিনা সমগ্ৰ অসম।

★ পৰৱৰ্তী সংগ্ৰামৰ কাৰণে সাজু হওক; বিজয় আমাৰ অনিবাৰ্য।

[ মনত ৰাখিব, অসমৰ দলিত-নিপীড়িত ৮৭% মানুহে ঐক্যবদ্ধভাৱে এয়াই প্ৰথম অসম বন্ধ কৰিব; ইয়াত ৮৭% ৰ সন্মান জড়িত ]

---

অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ (আৰ্মকা)ৰ কেন্দ্ৰীয় কমিটিৰ হৈ ক্ৰমে সব্যসাচী ৰাভা, অমৰজ্যোতি গগৈ, আনন্দ বৰদলৈ, ৰনোজ কুমাৰ পেগু, খগেন ৰাজবংশী, আব্দৰ ৰেজ্জাক, দেৱেন দাস, বিনয় বসুমতাৰী ৰবীন টুডু, মুছফিকা বেগম আৰু মুকুট সিংহ চুতীয়াৰ দ্বাৰা প্ৰচাৰিত আৰু কেন্দ্ৰীয় প্ৰচাৰ দপ্তৰৰ হৈ ভবেন শ্যামৰ দ্বাৰা প্ৰকাশিত। ১ জুন। ১৯৮৮। ডিউ প্ৰিন্টাৰ্চ, গুৱাহাটী। পদযাত্ৰা আৰু অসম বন্ধ বুলেটিন নং ৪।

OKDISCD

"আমাক এনে স্বাধীনতা নালাগে য'ত স্বাধীনতাৰ নামত কেৱল শোষকৰ চোলাহে সলনি হয়। আমাক সেই স্বাধীনতা লাগে য'ত নিপীড়িত জনগোষ্ঠী সমূহে ও দলিত জনতাই এথাজ খোৱাৰ আৰু এসাজ পিন্ধাৰ গেৰান্টি পাব।"

"য়ে আজাদী ঝুথা হ্যায়, সে্ৰফ চামৰা কা এদল হ্যায়।"

# ১৫ আগষ্টত অসমৰ সংগ্ৰামী মঞ্চ সমূহৰ প্ৰতাৰণা দিৱস সফল কৰক।

OKDISCD

১৯৪৭ চন ১৫ আগষ্ট। (তথাকথিত) বৰ্ত্তমান স্বাধীন ভাৰতৰ সবাতোকে মহান আৰু গৌৰৱৰ দিন। সেইদিনাই ছুটা শক্তিকাজুৰি থকা পৰাধীনতাৰ শৃংখল চিঙি ভাৰত স্বাধীন হ'ল। ৰঙা পাথৰেৰে নিৰ্মিত সুউচ্চ অট্টালিকাৰ পৰা নেহেৰুৱে ঘোষনা কৰিলে ভাৰতৰ স্বাধীনতাৰ কথা আনুষ্ঠানিকভাবে। ত্ৰিৰংগ ঝান্দা উৰিল মুক্তাকাশত। ভাৰত মুক্ত হ'ল।

কিন্তু সঁচাকৈয়ে সকলো ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিলেনে? সঁচাকৈয় ভাৰতৰ দলিত নিপীড়িত জনগোষ্ঠীসমূহে হাজাৰবছৰীয়া শোষণ শৃংখলৰ পৰা সচা অৰ্থত মুক্ত হলনে?

ভাৰতে স্বাধীনতা পালে সঁচা আৰু নিঃসন্দেহে এই স্বাধীনতা ভাৰতৰ জাতীয় মুক্তি সংগ্ৰামত এক মাইলৰ খুটি। কিন্তু স্বাধীনতাৰ নামত স্বাধীনতাৰ পাচত সকলো সুবিধা সুযোগ হাত কৰিলে উত্তৰ ভাৰতৰ হিন্দীবলয়ৰ এচাম উচ্চবৰ্ণ হিন্দুলোকে আৰু হিন্দুজাত ব্যৱস্থাত উচ্চ স্থান পোৱা আন জাতি সম্প্ৰদায় লোকে। আনহাতে ভাৰতৰ দলিত নিপীড়িত জনগোষ্ঠীসমূহ যি সকল একেই হিন্দু জাত ব্যৱস্থাত নিম্ন স্থানত ঠাই পায় অথচ যিসকল ভাৰতৰ মুঠ জনসংখ্যাৰ ৮৭% তকৈও বেছি সেইসকলে বান্ধ খালে শোষণৰ আন এডাল শৃংখলত যাৰ চাবিকাঠি থাকিল এচাম উচ্চবৰ্ণহিন্দুৰ লোকৰ হাতত আৰু যাৰ শোষণ, নিস্পেষণ, বৰ্ব্বৰতা বগা বঙালতকৈ এখোপ চৰাহে। এইচাম লোকে এহাতেদি স্বাধীনতাকে সৰ্বস্ব বুলি শ্লগান দি দলিত নিপীড়িত জনগণৰ মুক্তি সংগ্ৰামৰ মুখনি মাৰিলে। অন্যহাতেদি আৰম্ভ কৰিলে হাজাৰটা জালিয়ানৱালাবাগৰ পুনৰাবৃত্তি। কেৱল নিপীড়িত জনগণৰ পক্ষত মাত মতাৰ বাবেই নকালবাৰীত দহ হাজাৰলোকৰ হত্যা কৰা, নেলী, গহপুৰ, মুকালমুৱাত নিপীড়িত জনগোষ্ঠীৰ তপত তেজেৰে ফাকুৱা খেলা, বাঘমৰা ভূমকাত নিপীড়িত জনগোষ্ঠীৰ ৰমণীৰ ইজ্জত লুটা — এই বিলাক তাৰেই জলন্ত দৃষ্টান্ত। এইখন স্বাধীন ভাৰততেই আজি বছৰি হাজাৰজন হৰিজনক জীয়াই জীয়াই জুইত পুৰি মৰা হয়; হাজাৰজন হৰিজন ও দলিত জাতিৰ ৰমণী ধৰ্ষিতা হয় — এইখন স্বাধীন ভাৰততেই

মানুহে ডাষ্টবিনৰ এৰেহা খাই, কুকুৰৰ গাখীৰ খাই, নিজৰ তেজ, কিডনি- চকু বেচি জীয়াই থাকিব লাগে। এইয়া কি সচাকৈয়ে স্বাধীনতা ? স্বাধীনতাৰ নামত এইয়া প্ৰতাৰণা নহয়নে ? স্বাধীনতাৰ নামত এইয়া জঘন্য প্ৰতাৰণা। এই স্বাধীনতাই শোষকৰ কেৱল চোলাটোহে সলনি কৰিলে, ভিতৰৰ ৰূপটো একেই থাকিল। সেয়ে বিষ্ণু ৰাভাৰ সুৰত সুৰ মিলাই আজি আমিও কওঁ —

য়ে আজাদী ঝুথা হ্যায়, স্ৰেফ চামৰা কা বদল হ্যায়।

আমাক লাগে সচাঁ স্বাধীনতা, আমাক লাগে সচাঁ গণতন্ত্ৰ।

শ্ৰদ্ধেয় ৰাইজ,

হাজাৰজনৰ তেজৰ বিনিময়ত পোৱা ১৯৪৭ চনৰ পোন্ধৰ আগষ্টৰ দিনটোক আমি অৱমাননা কৰিব খোজা নাই। কিন্তু এই মহান দিনটোৰ সুযোগ লৈ স্বাধীনতাৰ নামত ৪২ টা বছৰে আমাৰ প্ৰতি যি প্ৰতাৰণা কৰা হ'ল, তাৰ প্ৰতিবাদ আমি কৰিমেই। প্ৰতিটো জনগোষ্ঠীৰ সমধিকাৰ আৰু সম ইজতৰ ভিত্তিত শোষণবিহীন সচাঁ অৰ্থত স্বাধীন ভাৰতৰ প্ৰতিষ্ঠাৰ এই সংগ্ৰামত আপুনিও চামিল হওক। প্ৰতাৰণা দিৱস সফল কৰি তোলক।

★নিপীড়িতৰ ঐক্য জিন্দাবাদ।

---

সদৌ তাই আহোম ছাত্ৰ সন্থা, সদৌ অসম জনজাতি ছাত্ৰসন্থা, সদৌ অসম কোচ ৰাজবংশী ক্ষত্ৰিয় যুৱ ছাত্ৰ সন্মিলন, কোচ ৰাজবংশী সংগ্ৰাম পৰিষদ, সদৌ অসম কোচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলন, সদৌ অসম সংখ্যালঘু ছাত্ৰসন্থা, সদৌ অসম চুতীয়া যুৱ ছাত্ৰ সন্মিলন, সদৌ অসম দেউৰী ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থা, সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন' সদৌ অসম মৰাণ ছাত্ৰ সন্থা, সংখ্যালঘু সংগ্ৰাম পৰিষদ, ঝাৰখণ্ডী সংগ্ৰাম পৰিষদ, সদৌ অসম মান (টাইভাগী) ছাত্ৰসন্থা লালুং যুৱ মৰ্চা আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ হৈ সমন্বয় ৰক্ষী সমিতিৰ যোৰহাট জিলাৰ সমন্বয় ৰক্ষক মৃগাং সূৰ্য্য দলে, শ্ৰীঅৰুণ ৰাজখোৱা আৰু চাও বিপিন মহন ফুকনৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত। ১৪।৮।৯০, যোৰহাট।

***১৫ আগষ্টত—"বৈষম্য বিৰোধী দিৱস" হিচাবে পালন কৰি চৰকাৰী কাৰ্য্যসুচী বৰ্জন কৰক।**

**★১ অক্টোবৰত—১২ ঘণ্টীয়া "সংখ্যালঘু অধ্যুষিত অঞ্চল বন্ধ" সফল কৰক।**

শ্ৰদ্ধাৰ অসমবাসী ৰাইজ/প্ৰিয় ছাত্ৰ-ছাত্ৰী সকল,

আমি গভীৰ ক্ষোভ আৰু উদ্বেগেৰে লক্ষ্য কৰিছো যে, অসমৰ বিভিন্ন সংখ্যালঘু জনগোষ্ঠীয়ে চৰম বিৰোধীতা কৰা সত্বেও অসমৰ বিদেশী খেদা আন্দোলনকাৰী সকলৰ লগত কেন্দ্ৰীয় ৰাজীব চৰকাৰে ১৯৮৫ চনৰ ১৫ আগষ্টত অসাংবিধানক আৰু আমানৱীয় ভাবে অসম চুক্তি স্বাক্ষৰিত কৰিলে। তাৰ পিছতো সংখ্যালঘু জন সাধাৰণে অসম চুক্তি বাতিল কৰিবলৈ ব্যাপক গণআন্দোলন গঢ়ি তোলা সত্বেও অবৈধ চুক্তিখন কাৰ্য্যকৰী কৰাৰ নামত সংখ্যালঘু জনসাধাৰণক হাৰাশাস্তি কৰিয়ে থকা হৈছে।

যোৱা ১৯৮৫ চনত প্ৰস্তুত কৰা ভোটাৰ তালিকাৰ পৰা কেইবা লাখো সংখ্যালঘু ভোটাৰৰ নাম কৰ্ত্তন কৰি সংখ্যালঘু সকলৰ মৌলিক অধিকাৰ খৰ্ব কৰাৰ পিছতো বৰ্ত্তমানে আকৌ এচাম সংখ্যালঘু বিদ্বেষী সাম্প্ৰদায়িক চক্ৰই ১৯৬৬ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত অন্যায় ভাবে ১৯৮৮ চনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে গভীৰ ষড়যন্ত্ৰ চলাই আছে—যাৰ দ্বাৰা পুনৰাই লাখ লাখ সংখ্যালঘু ভোটাৰৰ নাম কটা হব। সেইদৰে এইবাৰ কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু জনসাধাৰণে চৰম বিৰোধীতা কৰা সত্বেও '১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী আইনখন' সংশোধন কৰি উগ্ৰ বৰ্ণবাদী সকলক সন্তুষ্ট কৰিবলৈ ভাৰতীয় সংখ্যালঘু নাগৰিকক হাৰাশাস্তি কৰাৰ পথ মুকলি কৰিলে।

বিগত অ-গ-প চৰকাৰৰ শাসন কালত অসম চুক্তি কাৰ্য্যকৰী কৰাৰ নামত এক পক্ষীয় ভাবে চৰ-অঞ্চল, বনাঞ্চল, ট্ৰাইবেল বেল্ট আৰু ব্লক আদি খাচ্ মাটিৰ পৰা যুগ যুগ ধৰি বসবাস কৰি অহা হেজাৰ হেজাৰ সংখ্যালঘু পৰিয়ালক পট্টা দিয়াৰ পৰিবৰ্ত্তে বিকল্প ব্যৱস্থা নকৰাকৈয়ে উচ্ছেদ কৰি সৰ্বশ্ৰান্ত কৰি পেলোৱা হৈছে। চাউলখোৱাৰ মোৱামাৰী আৰু মুকালমোৱাৰ লটবিয়া ৰিজাৰ্ভ বৰ্ত্তমান তাৰেই জলন্ত প্ৰমাণ।

১৯৮৬ চনত সাম্প্ৰদায়িক অসম চৰকাৰখনে তথাকথিত সাৰ্বজনীনতাৰ নামত ঐতিহ্য মণ্ডিত নব্বৈ বছৰীয়া পুৰণি কটন মুছলিম আৰু জনজাতি ছাত্ৰবাস দুটাত মুছলিম আৰু জনজাতি সকলৰ ধৰ্ম্মীয় আৰু সাংস্কৃতিক অধিকাৰ ক্ষুণ্ণ কৰাৰ লগতে শিক্ষাদীক্ষাৰ পথও ৰুদ্ধ কৰিলে। মুছলিম আৰু জনজাতি সকলে তীব্ৰ প্ৰতিবাদ আৰু ক্ষোভ প্ৰকাশ কৰা সত্বেও সংখ্যালঘু আৰু জনজাতি বিদ্বেষী সাম্প্ৰদায়িক এ জি পি চৰকাৰখনে উক্ত ছাত্ৰবাস দুটা এতিয়ালৈকে উক্ত সম্প্ৰদায় দুটাৰ ছাত্ৰ সকলক উভতাই দিয়া নাই।

**সেইদৰে হুছেইন শ্বাহৰ** দিনত নিৰ্মিত অসমৰ আটাইতকৈ পুৰণি ধুবুৰী জিলাৰ পানবাৰীৰ ঐতিহ্য মণ্ডিত মছজিদটো চৰকাৰৰ পুৰাতত্ব বিভাগে বুৰঞ্জী প্ৰসিদ্ধ বস্তু হিচাবে সংৰক্ষণ কৰিবলৈ অধিগ্ৰহণ কৰাত, কটন মুছলিম ছাত্ৰবাসৰ দৰে ষড়যন্ত্ৰ থকা বুলি অথবা মুছিদাবাদৰ বিখ্যাত কটৰা মছজিদৰ দৰে পুৰাতত্ব বিভাগে প্ৰথমে মছজিদটো সংৰক্ষণৰ বাবে অধিগ্ৰহণ কৰি অৱশেষত নামাজ পঢ়া নিষিদ্ধ কৰাৰ দৰে এক পৰিকল্পিত ষড়যন্ত্ৰ থকা বুলি আমাৰ সন্দেহ হৈছে। এই ক্ষেত্ৰত অসমৰ মছজিদ কমিটিবোৰৰ লগতে সংখ্যালঘু জনসাধাৰণক সতৰ্ক দৃষ্টি ৰাখিবলৈ আমি অনুৰোধ জনাইছো।

ইয়াৰ উপৰিও সম্প্ৰদায়িক অসম চৰকাৰে চিনিয়ৰ মাদ্ৰাছাত অধ্যয়নৰত মুছলিম ছাত্ৰ-ছাত্ৰী সকলৰ উচ্চ শিক্ষাৰ পথ ৰূদ্ধ কৰিলে। বিনামূলীয়া পাঠ্যপুথি আদি বিতৰণৰ ক্ষেত্ৰতো চৰকাৰে বৈষম্য নীতি প্ৰয়োগ কৰি আছে। সেইদৰে চলিত বছৰত অসমত হৈ থকা বানপানীত ক্ষতিগ্ৰস্থ সংখ্যালঘু এলেকা সমূহলৈ সাহাৰ্য্য বিতৰণৰ ক্ষেত্ৰতো সাম্প্ৰদায়িক মনোবৃত্তি আৰু চৰম বৈষম্য পৰিলক্ষিত হৈছে।

সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিৰক্ষা দপ্তৰত সামৰিক আৰু অৰ্দ্ধসামৰিক বিভাগৰ প্ৰাৰ্থী নিযুক্তিৰ ক্ষেত্ৰতো বৈষম্য মূলক ভাবে অসমৰ অকল মুছলিম, বঙালী আৰু গোৰ্খা সকলৰ পৰা স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ বিচাৰি চাকৰিৰ পৰা বঞ্চিত কৰাৰ চক্ৰান্ত চলাই থকা হৈছে। ইফালে অসম চৰকাৰে

OKDISCD

চাকৰিৰ বাবে স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ দিয়াও বন্ধ কৰিছে। ইয়াৰোপৰি আমি দাবী কৰা সত্বেও অসম চৰকাৰে জনসংখ্যা অনুপাতে চৰকাৰী সা-সুবিধা, চাকৰি, ঠিকা, অনুজ্ঞাপত্ৰ, ঋণ আদি প্ৰদান নকৰি চৰম প্ৰবঞ্চনা আৰু বৈষম্য মূলক নীতি প্ৰয়োগৰ কৰি আহিছে।

উদ্বেগৰ বিষয় যে, অ-গ-প চৰকাৰ ক্ষমতাৰ মছনদলৈ অহাৰ পিছৰে পৰাই অগণন ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত হৈ আছে। বহুতো সংখ্যালঘু প্ৰেমী নেতাক হত্যা কৰা হৈছে। সংখ্যালঘু অধ্যুষিত অঞ্চলবোৰত বোমা আদিৰে সন্ত্ৰাসবাদী কাৰ্য্য কলাপ চলোৱা হৈছে। অথচ অসম চৰকাৰে ইয়াৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা লোৱা আমাৰ দৃষ্টি গোচৰ হোৱা নাই। কিন্তু তাৰ বিপৰীতে বিদেশী খেদাৰ নামত পুলিছে অযথা যধে-মধে সংখ্যালঘু নাগৰিকক হাৰাশাস্তি কৰি আছে।

বিগত বিদেশী খেদা আন্দোলনৰ সময়ত নিহত হোৱা সংখ্যালঘু ব্যক্তিৰ পৰিয়াল বৰ্গলৈ চৰকাৰী সাহাৰ্য্য এতিয়ালৈকে দিয়া নহ'ল। অতি আচৰিত কথা, পৃথিৱীৰ জঘন্যতম নেলী হত্যাকাণ্ডৰ বিচাৰ এতিয়ালৈকে হোৱা নাই। সংখ্যালঘু অধ্যুষিত অঞ্চলৰ উন্নয়নৰ বাবে এতিয়ালৈকে চৰকাৰে কোনো প্ৰকাৰৰ ব্যৱস্থা লোৱা নাই। দেখ দেখকৈ অসমৰ ধৰ্ম্মীয়, ভাষিক আৰু সংস্কৃতিক সংখ্যালঘু সকলে আফ্ৰিকাৰ নিগ্ৰো সকলৰ দৰেই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৰা দীৰ্ঘদিন ধৰি চৰম বঞ্চনা আৰু অবিচাৰৰ বাহিৰে একোৱেই পোৱা নাই। গতিকে দেখা যায় যে, অসমৰ সংখ্যালঘু সকল বৰ্ত্তমানে আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈছে, বঞ্চিত হৈছে। কিন্তু পৰিতাপৰ কথা যে, অসমৰ সকলোবোৰ জন গোষ্ঠীয়ে নিজৰ নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে মূৰ ডাঙি উঠা দেখিয়ো সংখ্যালঘু সকলে কিন্তু আটাইকৈ বেছি নিমাত আৰু মৌনতা অৱলম্বনহে কৰি আছে। এনে এক পৰিস্থিতিত আন্দোলনৰ বাহিৰে আমাৰ আন কোনো পথ নাই। গতিকে আমি ছাত্ৰ-যুৱক সকলে এই মৌনতা ভংগ কৰি আমাৰ প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবই লাগিব।

সেয়েহে আমি 'সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নে' অসমৰ গণতন্ত্ৰ প্ৰেমী, সুবিচাৰ প্ৰিয় সমূহ ৰাইজৰ লগতে ছাত্ৰ-যুৱক, শিক্ষক, কৰ্মচাৰী, খেতিয়ক আৰু বুদ্ধিজীৱি সকলক সংখ্যালঘু সকলৰ প্ৰতি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৰা অন্যায়-অবিচাৰ আৰু বৈষম্য নীতিৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনাইছো।

এই আন্দোলনৰ প্ৰথম পৰ্য্যায়ৰ কাৰ্য্যসূচী হিচাবে অহা ১৫ আগষ্টত ( যি দিনত অবৈধ অসম চুক্তি স্বাক্ষৰিত হৈছিল ) "বৈষম্য বিৰোধী দিৱস" হিচাবে পালন কৰিবলৈ আহ্বান জনাইছো। উক্ত 'বৈষম্য বিৰোধী দিৱস' সফল কৰি তোলাৰ বাবে—

★ স্বাধীনতা দিৱসত চৰকাৰে লোৱা সকলো কাৰ্যসূচী বৰ্জন কৰক।

★ চৰকাৰৰ বৈষম্য নীতিৰ প্ৰতিবাদত ক'লা বেজ পৰিধান কৰি বিভিন্ন ঠাইত জন সভা পাতি চৰকাৰৰ সংখ্যালঘু বিৰোধী নীতিৰ বিৰুদ্ধে জনমত গঢ়ি তোলাক।

**ইয়াৰ পৰবৰ্ত্তী কাৰ্য্যসূচী হিচাবে অহা—**

★ ১ অক্টোবৰত—অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত ৰাতিপুৱা চাৰিটাৰ পৰা আবেলি চাৰিটা বজালৈ ১২ ঘণ্টীয়া বন্ধ সফল কৰি তোলাৰ বাবে আমি সমূহ ৰাইজলৈ আহ্বান জনাইছো।

---

আমছুৰ সভাপতি মহম্মদ গিয়াছুদ্দিন, উপ-সভাপতি শ্ৰীউৎপল নন্দী, সা: সম্পাদক মঃ তাইজুদ্দিন আহমেদ আৰু সাংগঠনিক সম্পাদক শ্ৰীবিভাষ চক্ৰৱৰ্ত্তীৰ দ্বাৰা প্ৰকাশিত-প্ৰচাৰিত ॥

OKDISCD

# প্ৰতি জনগোষ্ঠীৰ ন্যায্য অধিকাৰৰ দাবীত
# ৯ মে'ৰ জনসমাবেশ সফল কৰক
## জজ খেলপথাৰ, গুৱাহাটী

এতিয়া চৌদিশে বিদ্ৰোহ, আন্দোলন। জুই, ধোঁৱা, আৰু তেজ। মাত্ৰ তিনিটা বছৰত ভাঙি চুৰমাৰ হৈ গ'ল সোণৰ অসমৰ মিছা শ্লোগান। বৈচিত্ৰৰ মাজত ঐক্যৰ যাউতি যুগীয়া সৌন্দৰ্য্য এতিয়া হেৰাই যাব ধৰিছে। অসমৰ প্ৰতিখন দেৱালে দেৱালে ঘোষিত হৈছে আপোন অস্তিত্ব ৰক্ষাৰ যুদ্ধৰ আৱাজ। বড়ো, কাৰবি, মিচিং, ৰাভা, লালুং (টিৱা), দেউৰী, ডিমাছা, সোনোৱাল, তাই-আহোম, মান-টাই ভাষী, চুতীয়া, কোচ ৰাজবংশী, মৰাণ মটক, অনুঃ জাতি, চাহ-জনজাতি, সংখ্যালঘু, নেপালী আদি কৰি অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে আজি অসমৰ মাটিত নিজা অস্তিত্ব আৰু আপোন অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে ৰাজপথলৈ ওলাই আহিছে।

এনেকুৱা এটা পৰিস্থিতি হব বুলি আমি আগতেই জানিছিলো। কাৰণ, ১৯৪৭ ৰ ১৫ আগষ্টত অসমৰ শাসন ক্ষমতা গ্ৰহণ কৰা অসমৰ উচ্চ বৰ্ণবাদী ব্ৰাহ্মণ্যবাদী শক্তিটোৱে আৰম্ভনীৰে পৰাই জন্ম দিছে এক অসমীয়া উগ্ৰ জাতিদাম্ভিকতা, ব্ৰাহ্মন্যবাদী এক বৰ্ণব্যৱস্থা যি ব্যৱস্থাত অসমৰ সংখ্যাগৰিষ্ঠ ৮৭% মানুহক কৰি তোলা হৈছে তেওঁলোকৰ গোলাম। বড়ো সকলৰ পাছতেই আজি অসমৰ প্ৰায় ৫০ লাখ চাহ-জনজাতিয়ে তীব্ৰ আন্দোলনৰ পথ লৈছে। এই ৫০ লাখ মানুহে হাড় ভঙা শ্ৰম কৰি তেজ আৰু ঘামেৰে গঢ়ি তুলিছে পৃথিৱী বিখ্যাত অসমৰ ৮০৮ খন চাহ বাগিছা। গঢ়ি তুলিছে হাজাৰ কিঃ মিঃ জোৰা মসৃণ পকী ৰাস্তা, ইটাৰ ভাটী, কয়লাৰ খনি, বৃহৎ বৃহৎ অট্টালিকা। কিন্তু তাৰ বিনিময়ত তেওঁলোকক দিয়া হৈছে অনাহাৰ, দৰিদ্ৰ আৰু অপমান। কুলী, বঙালী, মজদুৰ, চাহ বাগানীয়া, চাহপতীয়া আদি হাজাৰটা নাম তেওঁলোকক দিয়া হৈছে। কিন্তু তেওঁলোকক মানবীয়, জাতিগত অধিকাৰ দিবলৈ অসমৰ শাসকসকল ৰাজী নহয়। তেওঁলোকে ৰাজ্য বিচৰা নাই বিচাৰিছে মাথো উন্নতি প্ৰগতিৰ বাবে অনুসুচী কৰণ আৰু সংৰক্ষণৰ সুবিধা, বিচাৰিছে চাল-বেৰ নোহোৱা বাগানৰ স্কুল কেইখন চৰকাৰে লোৱাটো। কিন্তু চাহপাতৰ টকাৰেই বিৰাট অট্টালিকা সাজি তাৰ ওপৰত বহি থকা অসমৰ বৰ্ণবাদী শাসক সকল এতিয়া পিঠা প্ৰতিযোগীতা পতাত ব্যস্ত।

ঠিক তেনেদৰে ১৯৭৪-৭৫ চনত বড়োসকলে পৃথক ৰাজ্য বিচৰা নাছিল। বিচাৰিছিল মাথো বড়ো ভাষাৰ স্বীকৃতি। বড়ো ভাষাৰ বাবে সহজ ৰোমান লিপি। কিন্তু বৰ্ণহিন্দু শক্তিৰ দ্বাৰা পৰিচালিত অসমৰ তেতিয়াৰ কংগ্ৰেছ চৰকাৰে "বিনাযুদ্ধে বেজীৰ আগত অহাৰ সমান মাটিও নিদিওঁ" সুলভ দাম্ভিকতাৰে পুলিচ-চি-আৰ-পি লগাই শ-শ গাওঁ ৰেইড কৰি ১৮ জন যুৱক যুৱতীক হত্যা কৰি আন্দোলন দমন কৰিলে। হেচাত পৰি টাইবেল বেল্ট-ব্লকসমূহ সৃষ্টি কৰা হ'ল; কিন্তু কতোৱেই ট্ৰাইবেল সকলক মাটিৰ পট্টা দিয়া নহ'ল। বৰঞ্চ বনাঞ্চল সংৰক্ষণৰ নামত চলিল ব্যাপক জনজাতি উচ্ছেদ, ৫ পইছাও ক্ষতিপূৰণ নিদিয়াকৈ দিশপুৰত ৰাজধানীৰ নামত, কৰিলাবাৰীত বাঘ পোহা ফাৰ্ম খোলাৰ নামত জাগীৰোডত পেপাৰ মিলৰ নামত ইত্যাদি কৰি হাজাৰটা প্ৰতিষ্ঠানৰ নামত জনজাতি সকলক উচ্ছেদ কৰা হ'ল। বৰ্তমান চৰকাৰ খনে বিদেশী বাহিস্কাৰ কৰিম বুলি ক্ষমতালৈ আহি আৰম্ভ কৰিলে জনজাতি উচ্ছেদ।

এনেদৰে আজি স্বাধীনতাৰ ৪২ টা বছৰে পৰিকল্পিত ভাৱে অসমৰ শাসন ক্ষমতাত থকা ছক্ৰটোৱে অসমৰ প্ৰতিটো পিচপৰা জনগোষ্ঠীক পৰিকল্পিতভাৱে শোষণ, দমন নিষ্পেষণ কৰি অহাৰ প্ৰতিবাদতেই আজিৰ আন্দোলন সমূহ সংগঠিত হৈছে।

আজি অসমত দেখা দিয়া এই জটিল জনগোষ্ঠীগত সমস্যাৰ সময়তে অসমত দেখা দিছে গভীৰ অৰ্থনৈতিক সংকট, ভয়ংকৰ বানপানী আৰু গড়া খহনীয়া সমস্যা, সীমা সমস্যা, ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা, ভূমি সংকট, বিশৃংখল এক যুৱ মানসিকতা আদিয়ে। প্ৰতিষ্ঠিত তথাকথিত সাৰ্বজনীন নেতৃত্বই তেওঁলোকৰ সংকীৰ্ণ গোষ্ঠীগত চিন্তাৰ তথা সুবিধাবাদী চৰিত্ৰৰ বাবেই এই পৰিস্থিতিৰ মোকাবিলা কৰক চাৰি পৰিস্থিতি অধিক জটিলহে কৰি তুলিছে।

অন্যহাতেদি শাসনাধিষ্ঠ চৰকাৰে শান্তিপূৰ্ণ গনতান্ত্ৰিক ৰাজনৈতিক উপায়েৰে সমস্যা সমাধানৰ পথ বিচৰাৰ সলনি আন্দোলন দমন কৰাৰ নামত ব্যাপক নিৰীহ জনসাধাৰণৰ ওপৰত নমাই আনিছে বৰ্বৰ ৰাষ্ট্ৰীয় সন্ত্ৰাস। এবছু (উ) ৰ আন্দোলন শান্তিপূৰ্ণ হৈ থকা সময়তেই যে ১০ গৰাকী বড়ো নাবালিকা, বোৱাৰী, বৃদ্ধ বৰ্বৰ ভাবে পুলিচৰ দ্বাৰা ধৰ্ষিতা হৈছিল সেই কথা আমি পাহৰা নাই। বৰ্তমানে কোকৰাঝাৰ আৰু ওদালগুৰিত প্ৰকৃততে কি হৈছে তাৰ প্ৰকৃত ছবিখন অসমৰ বাতৰি কাকত সমূহে পৰিকল্পিত ভাবে ৰাইজৰ আগত দাঙি ধৰা নাই। দাঙি নধৰে। কিন্তু আমি নিজা তদন্তৰ পৰা জানো তলাচী অভিযানৰ নামত পুলিচ বাহিনীয়ে শ শ ঘৰ জ্বলাই ভষ্মিভূত কৰিছে। জিয়ৰী-বোৱাৰীক ধৰ্ষণ কৰিছে। বড়ো যুৱক মাত্ৰেই হয় পুলিছ হাজোতত চিৰদিনৰ বাবে পঙ্গু হৈছে নহয় পুলিচৰ গুলিত প্ৰান হেৰুৱাইছে। শ শ গাওঁ আজি জন শূণ্য। নিখিল বড়ো ছাত্ৰ

সন্থাৰ আন্দোলন আৰু দাবীকলৈ বিতৰ্কৰ অৱকাশ আছে৷ কিন্তু সমস্যা সমাধানৰ নামত এনে অমানবীয় বৰ্বৰ দমন নিপীড়নৰ সময়ত আমি মনে মনে থাকিব নোৱাৰো। আমি জানো, এনে বৰ্বৰ দমন-নিপীড়ণ অহা কালি আমাৰ ওপৰতো নামি আহিব। সেয়েহে আমি জাতি বৰ্ণ নিৰ্বিশেষে অসমৰ সকলো সংগঠন তথা ৰাইজক সাহস তথা একতাৰে বড়ো জনজাতি সহোদৰ সকলৰ বিৰুদ্ধে চলা বৰ্বৰ ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বিৰুদ্ধে থিয় দিবলৈ আহবান জনাইছো।

এই চৰকাৰী সন্ত্ৰাসৰ সমান্তৰালভাৱে চলিছে বড়ো তথা জনজাতি সকলক এঘৰীয়া কৰি এক ৰক্তক্ষয়ী ভাতৃঘাটী সংঘৰ্ষৰ ষড়যন্ত্ৰ। “এজন অসমীয়া মাৰিলে এশজন বড়োক হত্যা কৰা হব” আদি শ্লোগানেৰে অসমৰ বহু দেৱাল ভৰাই দিয়া হৈছে। এনে এক পৰিকল্পিত প্ৰচাৰ চলোৱা হৈছে যে বড়ো মাত্ৰেই সন্ত্ৰাসবাদী। অতএৱ বড়ো মাত্ৰেই মাৰিব লাগে। সিদিনা বঙাইগাঁৱত বোমা বিস্ফোৰণ হ'ল। নিঃসন্দেহে উক্ত বিস্ফোৰণ জঘন্য, নিন্দনীয় দানবীয় এক কাৰ্য্য। এনে কাৰ্য্যৰ বিৰুদ্ধে আমি মাৰবান্ধি যুঁজিবলৈ প্ৰস্তুত। কিন্তু বোমা বিস্ফোৰণৰ লগে লগে সমগ্ৰ বঙাইগাওঁ চহৰত এক বিশেষ দল আৰু গোষ্ঠীৰ নেতৃত্বত আৱাজ উঠিল বড়োৱে বোমা দিছে। বড়ো ধৰ-মাৰ। আৰম্ভ হ'ল বড়ো মাত্ৰেই ৰাস্তাত চোচৰাই বগৰাই নিৰ্মম মাৰ পিট। সেইদিনা বঙাইগাওঁ চহৰত বহু বড়ো ছোৱালী আৰু মহিলাক ৰাজপথত উলংগ কৰি অত্যাচাৰ কৰা হ'ল। এতিয়াও কোনোবাই কব খোজে নেকি যে এনে কাৰ্য্যৰ পাচতো বড়ো তথা আন জনজাতি সকল উত্তেজিত হব নালাগে, সেই দিনা বোমা কিয় আৰু কোনো ফুটাইছিল তাৰ বিচাৰ কৰা নহ'ল। আজিও কৰা হোৱা নাই। হয়তু কোনো দিন কৰা নহব। মাথো এই ঘটনাৰ আৰত এক অদৃশ্য দিল্লী বা দিশপুৰৰ শক্তিয়ে নিৰবে মিচিকিয়াই হাঁহি থাকিব। আৰু আমি শান্তি সম্প্ৰতিৰ সাতামপুৰুষীয়া কলিজাত এটকুৰা দগমগীয়া ঘাঁ লৈ ইটোৱে সিটোক কাটি অসম ৰাঙলী কৰি ৰাখিম।

বড়ো নেতৃবৃন্দ তথা আন্দোলনকাৰী জনসাধাৰনলৈ আমাৰ আহবানঃ—সকলো ধৰণৰ গোষ্ঠীগত তথা ব্যক্তি সন্ত্ৰাস তথা আন অগনতান্ত্ৰিক কাৰ্য্যসমূহক বিৰোধীতা কৰক আৰু সিবিলাক ৰোধ কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰক। অন্যথা বড়ো জনগণৰ বিৰুদ্ধে নামি অহা ব্যাপক চৰকাৰী সন্ত্ৰাসক পৰাস্ত কৰিব পৰা নাযাব। অসমৰ অন্যান্য নিপীড়িত জনগোষ্ঠী সমুহক সংগ্ৰামী বন্ধু হিচাবে গ্ৰহন কৰক আৰু তেওঁলোকৰ জনগোষ্ঠী / জাতিগত স্ব-নিয়ন্ত্ৰনৰ অধিকাৰ তথা আন গনতান্ত্ৰিক অধিকাৰ সমূহক স্বীকৃতি দি ঐক্যবদ্ধ সংগ্ৰামৰ পথ মুকলি কৰক। নিপীড়িত বড়ো জাতিসত্বাৰ বাবে যদি কোনো অকৃত্ৰিম বন্ধু আছে সেইয়া আন নিপীড়িত জাতি জনগোষ্ঠীসমূহ। বড়োসকলৰ জাতীয় মুক্তি এই সকলোৰে সংগ্ৰামী ভাতৃত্বৰেহে সম্ভৱ। দিল্লী দিশপুৰৰ বাদশ্বাহ নবাবহঁতৰ অনুগ্ৰহত ৰাজনৈতিক ক্ষমতা আদায় কৰা নাযায়। ঐক্যবদ্ধ অসমৰ ভিতৰতে স্বায়ত্বশাসন আদায়ৰ মাজেদিহে বড়ো জনতাৰ স্বপ্ন ৰূপায়িত হব।

শ্ৰদ্ধেয় ৰাইজ,

অসমৰ বৰ্ত্তমান পৰিস্থিতিৰ ওপৰত ওপৰোক্ত বিশ্লেষণ লৈয়েই আমি সদৌ তাই আহোম ছাত্ৰ সন্থা আৰু সদৌ অসম জনজাতি ছাত্ৰ সন্থাই যোৱা ২৫, ২৬ আৰু ২৭ মাৰ্চ '৮৯ তাৰিখে গোলাঘাট জিলাৰ সৰুপথাৰত অসমৰ আটাইবিলাক জনগোষ্ঠীগত ছাত্ৰ সংগঠনৰ এক সন্মিলিত অভিবৰ্ত্তন অনুষ্ঠিত কৰিছিলো। উক্ত অভিবৰ্ত্তনত সদৌ তাই আহোম ছাত্ৰ সন্থা আৰু সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ ওপৰিও অসম চাহ জনজাতি ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া যুৱ ছাত্ৰ সন্মিলন, স, অ, সোনোৱাল কছাৰী ছাত্ৰ সন্থা, সদৌ মিচিং ছাত্ৰ সন্থা, নিখিল ৰাভা ছাত্ৰ সন্থা, সঃ অঃ মান-টাই ভাষী ছাত্ৰ সন্থা, লালুং যুৱ মৰ্চা, সঃ অঃ অনুসূচীত জাতি ছাত্ৰ সন্থা, সঃ অঃ সংখ্যালঘু ছাত্ৰ সন্থাই যোগদান কৰে। অভিবৰ্ত্তনে অসমৰ আন্দোলনকাৰী আটাইবোৰ জনগোষ্ঠীক একোখন আলোচনাৰ মজিয়ালৈ আহিবলৈ আহবান জনায় আৰু খুব কম দিনৰ ভিতৰতে বহল ভিত্তিত আৰু এখন অভিবৰ্ত্তন পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অভিবৰ্ত্তনে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰক অসমৰ জনগোষ্ঠী / জাতিসত্বাসমূহৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবৰ বাবে বাস্তৱ পদক্ষেপ গ্ৰহন কৰিবলৈ দাবী জনায়।

উক্ত অভিবৰ্ত্তনত সিদ্ধান্ত অনুযায়ী বড়ো সমস্যাকে ধৰি অসমৰ সকলো জনগোষ্ঠী / জাতিসত্বা সমূহৰ সমস্যা সমূহৰ গণতান্ত্ৰিক সমাধানৰ দাবীত তথা চৰকাৰী সন্ত্ৰাসৰ প্ৰতিবাদত অহা ৯ মে' ৮৯ তাৰিখে অসমৰ আটাইবোৰ জনগোষ্ঠীগত ছাত্ৰ সংগঠনৰ এক সন্মিলিত জনসমাবেশ গুৱাহাটীৰ জজ খেল পথাৰত অনুষ্ঠিত কৰিবলৈ আমি আগবাঢ়িছো।

আহক আমি আটায়ে সমবেত হওঁ হাতত হাত মিলাই অহা ৯ মে '৮৯ ত। ৯ মে' হওক অসমৰ বাবে এক ইতিহাস। বৈচিত্ৰৰ মাজত একতাৰ দিন। এক নতুন সংগ্ৰামৰ শুভাৰম্ভৰ দিন। যি কোনো ত্যাগ আৰু কষ্টৰ বিনিময়ত আমি ১১ বজাৰ আগত পাবই লাগিব জজ খেলপথাৰ।

---

সন্মিলিত ছাত্ৰ সমাবেশ প্ৰস্তুতি সমিতিৰ হৈ চাও প্ৰমোদ বৰুৱা, চাও অৰুণ গগৈ, জয়ন্ত চুতীয়া, নামেশ্বৰ বড়ো বাবুল ৰাভা আৰু ৰনোজ পেগুৰ দ্বাৰা প্ৰকাশিত ও প্ৰচাৰিত।

# অ. গ. প. চৰকাৰৰ বাৰম্বাৰ জনজাতি উচ্ছেদ অভিযানৰ বিৰুদ্ধে ঐক্যবদ্ধ হওঁক আৰু ৩০ আগষ্ট '৮৭ত ৰাজহুৱা সভাত

# দলে দলে অংশ গ্ৰহণ কৰক

## সভাৰ স্থান ঃ- জাগীৰোড বাৰোৱাৰী পূজামণ্ডপ প্ৰাঙ্গণ

## সময় ঃ– দিনৰ ১ বজাত

শ্ৰদ্ধেয় দেশবাসী ৰাইজ,

আমি জনাত মানুহৰ বাবেহে দেশ, মানুহৰ বাবেহে গছ-গছনি, ৰাস্তা-ঘাট, মঠ-মন্দিৰ, । মানুহৰ বাবেহে শিল্প উদ্যোগ। যদি সেয়ে হয় মানুহৰ স্বাৰ্থত দেশ গঢ়িবলৈ গছ-গছনি, ৰাস্তা-ঘাটৰ নামত, মন্দিৰ, শিল্প উদ্যোগৰ নামত মানুহ উচ্ছেদ কৰা নীতি হব সম্পূৰ্ণ জনবিৰোধী। যোৱা চল্লিশটা বছৰে অসমৰ 'জনদৰদী' চৰকাৰবোৰে মানুহৰ স্বাৰ্থত দেশ গঢ়াৰ নামত তেনেধৰণৰ জনবিৰোধী নীতিকেই পৰিকল্পিতভাৱে কৰি আহিছে। গছ-গছনি, ৰাস্তা-ঘাট, মঠ মন্দিৰ, উদ্যোগ-কাৰখানা আদিৰ নামত বাৰম্বাৰ মানুহ উচ্ছেদ কৰা হৈছে। তাকো বাচি বাচি বিশেষকৈ জনজাতি সকলক উচ্ছেদ কৰা হৈছে। দিশপুৰত ৰাজধানী হ'ল উচ্ছেদিত হ'ল জনজাতি, গুৱাহাটীত বৰঝাৰ বিমান কোঠ হ'ল উচ্ছেদিত হ'ল জনজাতি। গুৱাহাটী বিশ্ববিদ্যালয় হ'ল, কমাৰ্চ কলেজ হ'ল উচ্ছেদিত হ'ল জনজাতি। মালীগাৱত ৰেলৱে কোৱাৰ্টাৰ হ'ল, নুনমাটিত তেল শোধনাগাৰ হ'ল উচ্ছেদিত হল জনজাতি। সাতগাৱঁত মিলিটাৰী কেণ্টনমেণ্ট হ'ল, মিচামাৰী মিলিটাৰী কেণ্টনমেণ্ট হ'ল উচ্ছেদিত হ'ল জনজাতি। গুৱাহাটীত দক্ষিণপাট সত্ৰৰ নামত জনজাতিৰ মাটি অধিগ্ৰহণ কৰিলে। আজি প্ৰতি মূহুৰ্ত্ততে আমি উচেছদিত হব লগা হৈছে নিজৰ মাটিৰ পৰা, নিজৰ পিতৃভূমিৰ পৰা আমি অসমৰ আদিম জনজাতিসকল এই দেশৰ এই মাটিৰ ভূমিপুত্ৰ। এই দেশ যেতিয়া হাবি জঙ্ঘলেৰে ভৰপুৰ আছিল, কেৱল বনৰীয়া জীৱজন্তুৰ ই চাৰণভূমি আছিল, তেতিয়া আমি ইয়াত প্ৰথম গাওঁ পাতিছিলো। ডিমাপুৰ, খাছপুৰ মাইবং হিড়িম্বাপুৰ, দিশপুৰ আদি পৌৰাণিক নগৰসমূহ গঢ়ি তুলিছিলো। আনকি আজিৰ গোভা, ডিমৰীয়া, বেলতলা আদি সৰু সৰু ৰাজ্যবোৰো গঢ়ি তুলিছিলো আমি। আজি যদি আমি একান্ত আন্তৰিকতাৰে প্ৰশ্ন উত্থাপন কৰো— অসম দেশক আটাইতকৈ বেছি মৰম কৰে কোনে? উত্তৰ সহজ— জনজাতিসকলে। কিন্তু অসমক ইমান মৰম কৰাৰ পিচতো কিয় আজি জনজাতিসকল নিজ পিতৃভূমিত, নিজ মাতৃভূমিত গৃহহীন, ভুমিহীন? কিয় আজি প্ৰতিটো উদ্যোগ কাৰখানাৰ নামত বাৰম্বাৰ জনজাতি উচেছদৰ তাণ্ডৱলীলা? কিয় আজি ভুমিপুত্ৰ সকলে নিজৰ দেশৰ মাটিতে শান্তিৰে বাস কৰিব নোৱাৰে?? তাতোকৈ লজ্জা আৰু অপমানৰ কথা আন কি হব পাৰে! এয়া আমাৰ বাবে অতি দুৰ্ভাগ্যজনক আৰু তিক্ততাপূৰ্ণ অভিজ্ঞতা যে সৌ সিদিনা "শান্তি প্ৰগতি ঐক্য"ৰ মন্ত্ৰেৰে দীক্ষিত অসমৰ নতুন "ৰাইজৰ চৰকাৰ" (?)খনে দিনৰ পোহৰত হাতী লগাই, ঘৰ জুই লগাই বগাজুলি বনাঞ্চলত ৮১৩টা জনজাতি পৰিয়ালক নিৰ্মমভাৱে উচেছদ কৰিলে। ককৌলাবাৰীত বাঘপোহা ফাৰ্ম খুলিবৰ বাবে হাজাৰ হাজাৰ জনজাতি লোকক উচেছদৰ ষড়যন্ত্ৰ কৰিলে। গুৱাহাটীৰ বাহিৰেদি ব্ৰডগজ ৰেল লাইন অনাৰ নামত এইখন 'ৰাইজৰ চৰকাৰে'ই দক্ষিণ গুৱাহাটীত ৩৩ খন জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ ২খন গাৱঁৰ লোকক উচেছদ কৰিব বিছাৰিছিল। ৰাইজৰ তীব্ৰ প্ৰতিবাদত আজি সেই উচেছদ স্থগিত কৰি ৰখা হৈছে। জনজাতিসকলক বনাঞ্চল ধ্বংসৰ অভিযোগ দি অঃ গ. প. চৰকাৰে চাৰি লাখতকৈ অধিক জনজাতি লোকক বে–দখলকাৰীৰ নামত উচেছদৰ জাননী দিলে। আমটেকা, হল্টগাওঁ বনাঞ্চলত বহু জনজাতিক উচেছদ কৰা [illegible]। টেঙানি বনাঞ্চলত অকল জনজাতি আৰু আদিবাসীসকলক বাচি বাচি কেইবাশ লোকক উচেছদ কৰা হ'ল। ইয়াৰ [illegible] ভাষা চাৰ্কুলাৰ, ৰেচম বিল, পৰিচয় পত্ৰ আদি বিভিন্ন জনজাতি বিৰোধী নীতিৰে নতুন চৰকাৰে "সোণৰ অসম" [illegible] উঠিপৰি লাগিল। তাকে বিৰোধিতা কৰি মানুহ হিচাবে জীয়াই থকাৰ ন্যায্য অধিকাৰৰ দাবীত আমি সংগ্ৰাম কৰাৰ বাবেই "সোণৰ অসম"ৰ নেতাসবে আমাৰ দৰে সংগঠনবোৰকো নাম দিলে "বিচ্ছিন্নতাবাদী", জনজাতিক বিপথে পৰিচালনা কৰা সংগঠন' ইত্যাদি। আমি জানো "সোণৰ অসম" গঢ়োতা (?) সেইসকল নেতা এবাৰো যদি ৰাজহুৱা বিতৰ্কত আমাৰ সৈতে মুখামুখি হয় 'বিচ্ছিন্নতাবাদী' কোন অচিৰেই প্ৰমাণ হব।

জনজাতি ৰাইজক এইদৰে ব্যাপক হাৰত উচ্ছেদ কৰাৰ অন্তৰালত কি ষড়যন্ত্ৰ আছে? এই ষড়যন্ত্ৰ হৈছে জনজাতিসকলক গৃহহীন, ভুমিহীন কৰি সস্তীয়া বনুৱাত পৰিণত কৰা আৰু গোলাম বন্দীত পৰিণত কৰা। ই সত্য ই পৰিকল্পিত। শাসক শোষকহঁতে পৰিকল্পিতভাৱে অংক কৰিয়েই থৈছে ক'ত ক'ত জনজাতি লোক আছে আৰু ক'ত কেতিয়া কি অজুহাতত উচ্ছেদ কৰা হব। এই পৰিকল্পিত আৰ্চনিমতেই জাগীৰোডত পেপাৰ মিল, পলিয়েষ্টাৰ মিল বহিল, জনজাতিক উচ্ছেদ কৰা হল, জনজাতিৰ মাটি বলপূৰ্ব্বক কাঢ়ি লোৱা হল। পেপাৰ মিলৰ বাবে উচ্ছেদিত জন-জাতি সকলে আজিলৈকে পাবলগীয়া মাটিৰ মূল্যও আদায় পোৱা নাই। আজিও সেইসকল জনজাতি ৰাইজ বোবা হৈ যোৱা নাই যি সকলে এই মিল সংস্থাপনৰ সময়ত জনজাতি ৰাইজে কি সুবিধা পাব তাৰ হেজাৰ প্ৰতিশ্ৰুতি দিয়া নেতাহঁতৰ বক্তৃতা শুনিছিল। আজি সেইবোৰ প্ৰতিশ্ৰুতিমতে জনজাতি ৰাইজে কি পালে কি নাপালে তাৰ হিচাপ কঢ়াই গণ্ডাই জনজাতি ৰাইজে দিব। সেই একেই পেপাৰ মিলৰ পৰা নিৰ্গত দুষীত পানী আৰু গেচৰ বাবে অঞ্চল-টোৰ জনজাতি ৰাইজৰ লগতে অন্যান্য ৰাইজে যি যন্ত্ৰণা ভুগিব লাগিছে অচিৰে অঞ্চলটোৰ ৰাইজ এই ঠাই এৰিবলৈ বাধ্য হব। ইও পৰিকল্পিত।

সিপিঠিত

OKDISCD

আজি আকৌ জাগীৰোড়বাসী জনজাতি ৰাইজৰ ওপৰত পুনৰ উচ্ছেদৰ জাননী আহিছে। H.P.C.ৰ মিল বাবুহঁতৰ সুবিধাৰ বাবে গুৱাহাটী-নগাওঁ ৩৭নং ৰাষ্ট্ৰীয় পথটো মিলৰ সমুখেদি যোৱাটো বন্ধ কৰি গোভা মৌজাৰ অন্তৰ্গত দেউশাল গাঁৱৰ মাজেদি নিয়াৰ সিদ্ধান্ত চৰকাৰে কৰিছে। বলিয়া বানৰ এই বতৰত যি সময়ত ৰাইজে বছৰৰ ভাত মুঠিৰ বাবে বানপানীৰ সৈতে হেতালি খেলিব লাগিছে সেই একে সময়তে উচ্ছেদৰ জাননীয়ে দেউশালবাসী ৰাইজক অধিক উদ্বিগ্ন কৰি তুলিছে। অসম চৰকাৰৰ মৰিগাওঁ মহকুমাধিপতিৰ কাৰ্য্যালয়ৰ ভূমি অধিগ্ৰহণ শাখাৰ পৰা জাননী যোগে জনোৱা হৈছে যে ১৮৯৪ খৃষ্টাব্দৰ ১ আইনৰ ৪ ধাৰা (১)দফা অনুসৰি ( স্মাৰক নং M.R.Q. ) জাগীৰোড হিন্দুস্থান কাগজ কলৰ ওচৰত ৰাষ্ট্ৰীয় পথৰ ডাইভাৰচনৰ বাবে অনতি পলমে মাটি অধিগ্ৰহণ কৰা হব। এই মৰ্ম্মে দেউশালবাসী বহু ৰাইজক উচ্ছেদৰ জাননী দিয়া হল।

হায় জনজাতি! অ.গ.প. চৰকাৰ শাসনাধীস্থ হোৱাৰ তিনি মাহৰ পিচতেই উচ্ছেদিত বগাজুলিৰ জনজাতি ৰাইজক ক্ষতিপূৰণ দিয়া হব বুলি প্ৰতিশ্ৰুতি দিয়াৰ পিছতো আজিলৈ সেইসকল লোকে পাঁচ পইচা এটাও ক্ষতিপূৰণ পোৱা নাই। আকৌ পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ নকৰো বুলি অ.গ.প. চৰকাৰে প্ৰতিশ্ৰুতি দিয়াৰ পিছতো কেইবা ঠাইতো জনজাতি লোকক উচ্ছেদ কৰা হল আৰু নতুনকৈ উচ্ছেদ জাননী দি থকা হৈছে। আমি চৰকাৰক প্ৰশ্ন কৰিব বিচাৰো যে- H.P.C.ৰ নামত পূৰ্ব্বতে উচ্ছেদিত হোৱা টেঘেৰীয়া শালবাগান, দেউশাল, শিলভাঙা গাঁৱৰ জনজাতি লোক সকলক কিমান জনক পুনৰ সংস্থাপন দিয়া হল, কিমান জনে পাবলগীয়া নিজা মাটিৰ মূল্যাংক পালে চৰকাৰে তাৰ হিচাপ ৰাখিছেনে? গতিকে আমি কি যুক্তিৰে বিশ্বাস কৰি এই সকল জনজাতি লোকক উচ্ছেদ কৰিবলৈ এৰি দিম? আমাৰ আই-বোপাই ভাই-ভনীহঁতক নিঠৰুৱা হবলৈ এটুকুৰা মাটিৰ বাবে বনাঞ্চলে বনাঞ্চলে জন্তুৰ দৰে খেদা খায় ফুৰিবলৈ কি সতে এৰি দিম? নাই নিদিওঁ! আজি প্ৰতিজন জনজাতি লোকে বুকুত হাত দি কওঁক যে এই দেশ এই মাটি আমাৰ, ইয়াৰ এক বিন্দু মাটিৰ পৰা যি অৱস্থাতেই নাথাকক লাগিলে এতিয়া আৰু এজনো জনজাতিৰ উচ্ছেদক সহ্য কৰা নহব। নিজৰ প্ৰতিটো জুপুৰী ঘৰত হাত দি প্ৰতি জনে প্ৰতি জনৰ গাত ধৰি দৃঢ়তাৰে কৈ দিয়ক চৰকাৰী উদ্যোগ কাৰখানাৰ নামত বাবু হাকিমহঁতৰ সুবিধাৰ্থে ভাল ৰাস্তা-ঘাটৰ নামত বাৰম্বাৰ জনজাতি ৰাইজক নাঙৰ নাংঠি খাবলৈ নিদিওঁ। আমিও মানুহ, জন্তু নহওঁ। এই উচ্ছেদ কাৰ্য্যক বাধা দিবলৈ যিমানেই মৰণ পণ সংগ্ৰাম নহওঁক কিয় তাক আমি পালন কৰিম। আমাৰ পিতৃ-পিতামহে ভোগ কৰি অহা মাটি টুকুৰা এৰি আমি কলৈকো নাযাওঁ। এই মাটিতেই প্ৰয়োজন হলে মৃত্যুক আকোৱালি লম। আমাৰ মৃতদেহৰ ওপৰতহে চৰকাৰে আমাক উচ্ছেদ কৰিব পাৰিব। চৰকাৰে যদি ব্যাপক জনজাতি উচ্ছেদৰ তাণ্ডৱলীলাৰে জনজাতি সকলৰ শক্তিক জুখি চাব খুজিছে তেনেহলে আমি এই কথা সোঁৱৰাই থবলৈও কুণ্ঠাবোধ নকৰো যে ইয়াৰ পৰিণতি হব ভয়াবহ। তাৰ বাবে চৰকাৰে পিছত জনজাতি সকলক জগৰীয়া কৰিব নোৱাৰিব।

এই ক্ষেত্ৰত মানুহ উচ্ছেদ কৰাৰ পৰিবৰ্ত্তে আমি চৰকাৰক এটাই পৰামৰ্শ আগবঢ়াব পাৰো সঁচাকৈ যদি মানুহৰ স্বাৰ্থতেই চৰকাৰে ৰাস্তা বনাব বিচাৰিছে তেনেহলে আগৰ পথটোকেই কিছু বহল কৰি দুয়োকাষে ফুটপাথৰ ব্যৱস্থা কৰক। মানুহো উচ্ছেদ নহব, ধনো কম খৰছ হব।

শ্ৰদ্ধাভাজন ৰাইজ এই সংকটপূৰ্ণ মুহূৰ্ত্তত আমাৰ বাবে জীয়াই থকাৰ একমাত্ৰ পথ সংগ্ৰাম। আপোনালোকে নিজ পিতৃ ভূমিত এটুকুৰা মাটিত স্বাধীনভাবে জীয়াই থাকিবলৈ মাৰ বান্ধি থিয় হওঁক। অন্যান্য অজনজাতীয় গণতান্ত্ৰিক ব্যক্তি সকললৈও আমাৰ আহ্বান জনজাতি সকলৰ ওপৰত অ,গ,প, চৰকাৰৰ এই ফেচীবাদী উচ্ছেদ নীতিৰ বিৰুদ্ধে মাত মাতক। আমি ভাবো ই সকলো গণতান্ত্ৰিক ব্যক্তিৰ কৰ্ত্তব্য।

ৰাইজ, জনজাতি ৰাইজৰ এনে ধৰণৰ জটিল সমস্যাবোৰ সমাধানৰ দাবীত "সদৌ অসম জনজাতি ছাত্ৰ সন্থা" (AATSU)ই বিৰাট গণ আন্দোলনৰ প্ৰস্তুতি চলাইছে। সেই উদ্দেশ্যে অহা আগষ্ট মাহৰ ৩০ তাৰিখ '৮৭ ৰবিবা[illegible] ১ বজাত জাগীৰোডৰ বাৰোৱাৰী পূজা মণ্ডপত এখন বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। উক্ত সভ[illegible] ছাত্ৰী তথা জনজাতীয় ৰাইজৰ লগতে সকলো গণতান্ত্ৰিক অজনজাতীয় লোক সকলকো দলে দলে যোগদান কৰিবলৈ আহ্বা[illegible] কৰিলো। সভাত মুখ্য বক্তা হিচাপে ভাষণ ৰাখিব সদৌ অসম জনজাতি ছাত্ৰ সন্থাৰ সভাপতি- ৰমোজ পেগু ৱে।

জনজাতি ঐক্য জিন্দাবাদ

আহবায়ক—

জাগীৰোড আঞ্চলিক জনজাতি ছাত্ৰ সন্থাৰ হৈ—

শ্ৰীজুৰচিং বৰদলৈ

শ্ৰীপ্ৰফুল্ল বৰদলৈ

শ্ৰীঅনন্ত বড়ো

শ্ৰীইন্দ্ৰেশ্বৰ দেউৰী

শ্ৰীনাম্বৰ বৰদলৈ

জাগীৰোড আঞ্চলিক জনজাতি ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক শ্ৰীনামেশ্বৰ বড়োৰ দ্বাৰা প্ৰকাশিত ও প্ৰচাৰিত

OKDISCD

# আৰ্মকা সংবাদ

**প্ৰথম বছৰ ○ প্ৰথম সংখ্যা ○ আগষ্ট, ২০০১**


*সম্পাদকীয়*

## তৰুণ গগৈ চৰকাৰৰ তিনি মাহ

নৱগঠিত তৰুণ গগৈ চৰকাৰৰ তিনিমাহ সম্পূৰ্ণ হ'ল। চৰকাৰ এখনৰ কাম-কাজৰ মূল্যায়ন কৰিবলৈ তিনিমাহ একেবাৰে যথেষ্ট নহয় যদিও যি মুলা বাঢ়িব তাৰ দুপাততে চিন নামৰ প্ৰবচন ফাকি যদি মানি লওঁ তেন্তে এই তিনিমাহতে চৰকাৰখনৰ কামকাজ আদৰ্শৰ যি প্ৰতিফলন ঘটিছে তাৰ পৰা সহজে অনুমান কৰিব পাৰি যে তৰুণ গগৈৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰখন পূৰ্বৰ হিতেশ্বৰ শইকীয়া আৰু প্ৰফুল্ল মহন্ত চৰকাৰতকৈ কোনো গুণে উন্নত নহ'বগৈ।

প্ৰফুল্ল মহন্ত চৰকাৰৰ দিনত হোৱা দুৰ্নীতিত স্বজনপ্ৰীতি, ৰাজহুৱা ধনৰ ব্যাপক হাতত লুণ্ঠন ৰাষ্ট্ৰ আৰু ব্যক্তি সন্ত্ৰাস চৰকাৰী কৰ্মচাৰীক দৰমহা দিব নোৱৰা অৱস্থা আদিত অতিষ্ঠ হৈ অসমৰ জনগণে কংগ্ৰেছ দলক আদৰি আনি দিছপুৰৰ গাদীত বহুৱাইছিল। কংগ্ৰেছ দলেও এইবাৰ পূৰ্বৰ ভুল ভ্ৰান্তিৰ পুণৰাবৃত্তি নকৰোঁ বুলি প্ৰায় প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। ভাল প্ৰশাসন, অসমৰ সমস্যা সমূহ সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। তৰুণ গগৈৰ ব্যক্তিগত ভাবমূৰ্ত্তিক কংগ্ৰেছ দলে ব্যৱহাৰো কৰিছিল। পিছে ৰাজ্যখনত বন্যা বোৱাই দিয়া প্ৰতিশ্ৰুতি সমূহ পালনত চৰকাৰখনে কোনোধৰণৰ সফলতা অৰ্জন কৰিব পৰা নাই— এই তিনি মাহত। পূৰ্বৰ মহন্ত চৰকাৰে জধেমধে দিয়া শিক্ষক নিযুক্তি সন্দৰ্ভত এক কঠোৰ ব্যৱস্থা লোৱাৰ বাদে নতুন চৰকাৰখনে যোৱা সময়ছোৱাত বিশেষ একো এটা উল্লেখযোগ্য পদক্ষেপ ল'ব পৰা নাই। জনগোষ্ঠীগত সমস্যাসমূহ সমাধান কৰা হ'ব বুলি কংগ্ৰেছ দলে নিৰ্বাচনৰ পূৰ্বে প্ৰতিশ্ৰুতি দিছিল। পিচে যোৱা তিনিটা মাহত এই সন্দৰ্ভত ৰাভাহাচং স্বায়ত্বশাসিত পৰিষদখন নিজৰ দলৰ মানুহৰ হাতত অৰ্পণ কৰাৰ বাদে বড়ো, আদিবাসী ঝাৰখণ্ডী, কোচৰাজবংশী আদি জনগোষ্ঠীৰ সমস্যাসমূহ সমাধানৰ কোনো প্ৰচেষ্টা লোৱা দেখা নগ'ল। কোচৰাজবংশী আৰু ঝাৰখণ্ডীসকলে অনুসূচীকৰণৰ দাবীটো মানি লোৱা বাবেই কংগ্ৰেছ দলক বিপুল সংখ্যাত ভোট দিছিল। পিচে এতিয়া জনগোষ্ঠী দুটাই এই সন্দৰ্ভত চৰকাৰে কেতিয়া প্ৰতিশ্ৰুতি পালন কৰে তালৈ বাট চাই থাকিব লগা হৈছে। এই প্ৰত্যাশা কিমান দিন ধৰি চলি থাকিব তাৰ কোনো নিশ্চয়তা নাই। বড়ো সমস্যাটোৰ গণতান্ত্ৰিক সমাধানৰ বেলিকাও কোনো উদ্যোগ পৰিলক্ষিত হোৱা নাই। সংখ্যালঘু জনগণ গগৈ চৰকাৰৰ কামকাজত মুঠেও সন্তুষ্ট হ'ব পৰা নাই। প্ৰতিশ্ৰুতি দিয়া গগৈ চৰকাৰৰ সতীৰ্থ মন্ত্ৰীসকলে ইতিমধ্যে ধনৰ বিনিময়ত বিষয়া কৰ্মচাৰীৰ বদলি, ভগ্য কলিতাৰ দৰে কুখ্যাত অপৰাধী ঠিকাদাৰক কোটি কোটি টকা লুণ্ঠনৰ সুযোগ আদি দিয়া বুলি বাতৰি কাকতত বাতৰি ওলাইছে। গগৈ চৰকাৰ যদি এনেকৈয়ে চলে ই তীব্ৰ গণ অসন্তোষ তথা আন্দোলনৰ সন্মুখীন হ'বলৈ বৰ বেছি দিন নালাগিব।

### কোচ-ৰাজবংশী সন্মিলনীৰ দাবী

## বি টি চি প্ৰসংগত অবড়ো জনগোষ্ঠী প্ৰতিনিধিক আস্থাত লওক

অবড়ো অধ্যুষিত বৃহৎ অঞ্চল সামৰি প্ৰস্তাৱিত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বি টি চি)ত সংখ্যাগুৰু অবড়ো লোকসকল দ্বিতীয় শ্ৰেণীৰ নাগৰিকত পৰিণত হোৱাৰ আশংকা প্ৰকাশ কৰি বি টি চি গঠন সম্পৰ্কীয় আলোচনাৰ মেজত অবড়ো জনগোষ্ঠীৰ প্ৰতিনিধিক আস্থাত ল'বলৈ সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীয়ে দাবী জনাইছে। সন্মিলনীৰ সঁজাতী দল এটাই অলপতে মুখ্যমন্ত্ৰী তৰুণ গগৈক সাক্ষাৎ কৰি এইমৰ্মে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাই এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সন্মিলনীৰ সভাপতি ফণী মেধিয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে যে বি এ চিৰ পিচত সম্প্ৰতি শান্তি স্থাপনৰ নামত কেন্দ্ৰই বড়ো নেতৃবৃন্দৰে একপক্ষীয় আলোচনাৰ যোগেদি অবড়ো অধ্যুষিত বৃহৎ অঞ্চল সামৰি বি টি চি গঠনৰ বাবে তৎপৰ হৈছে। প্ৰস্তাৱিত বি টি চি বৃহৎ এলেকাৰ অন্তৰ্ভুক্ত সংখ্যাগুৰু অবড়ো জনসাধাৰণৰ মতামতক আওকাণ কৰি কেন্দ্ৰই যদি একপক্ষীয়ভাৱে বি টি চি ব্যৱস্থা জাপি দিয়ে তেন্তে ইয়াৰ পৰিণতি যে ভয়ংকৰ হ'ব সেয়া সহজে অনুমেয়। বৰ্তমানৰ বি এ চি এলেকাতেই বড়োসকল সংখ্যালঘু হোৱা সত্বেও বি এ চিৰ অবড়ো লোকসকলৰ সামগ্ৰিক স্বাৰ্থ বিঘ্নিত হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়— 'স্থায়ী শান্তি প্ৰতিষ্ঠা হোৱাটো আমিও বিচাৰোঁ; কিন্তু স্থাপনৰ নামত একপক্ষীয় সিদ্ধান্তৰে ভাতৃঘাতী ৰক্তাক্ত পৰিস্থিতিৰ উদ্ভৱ হোৱাটো নিশ্চয় কাৰো বাবে কাম্য নহয়।' ৰাজ্য চৰকাৰক উপেক্ষা কৰি কেন্দ্ৰই কেৱল অস্ত্ৰসৰ্বস্ব আন্দোলনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰাৰ বাবেই সংখ্যাগুৰু অবড়ো নাগৰিকে যদি স্ব-ভূমিতে নাগৰিক হিচাপে জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত হ'বলগা হয়, তেন্তে ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হোৱাৰ কথা স্পষ্ট কৰি দি সভাপতিজনে বি টি চি সম্পৰ্কীয় আলোচনাত বৰ্তমানৰ চৰকাৰখনে অবড়ো জনগোষ্ঠীৰ প্ৰতিনিধিসকলক আস্থাত ল'বলৈ মুকলি আহ্বান জনায়। (প্ৰতিদিনৰ সৌজন্যত)

## নগা যুদ্ধবিৰতি চুক্তিৰ বিৰোধিতা অযুক্তিকৰ

নগা যুদ্ধ বিৰতি চুক্তিৰ পৰিসীমাক লৈ যি বিতৰ্ক তথা আলোড়ন সৃষ্টি কৰা হ'ল সি অত্যন্ত অযুক্তিকৰ আৰু হাস্যকৰ। নিজকে গণতান্ত্ৰিক আৰু শান্তিৰ সপক্ষে বুলি দাবী কৰা সংগঠন সমূহেও যেতিয়া এনে আন্দোলনৰ লগত জড়িত হৈ পৰে তেতিয়া ই হৈ পৰে অত্যন্ত দুৰ্ভাগ্যজনক।

চুক্তিখনত এনে কি আছিল যি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ, বিশেষকৈ মণিপুৰ আৰু অসমৰ স্বাৰ্থৰ বিৰুদ্ধে? এই দুই ৰাজ্যৰ উগ্ৰ জাতীয়তাবাদী সংগঠন সমূহতো হয়েই, বামপন্থী আনকি নকসালপন্থীবিলাকো উফৰি খাই উঠিল। আকৌ দেখা গৈছে সৰ্বভাৰতীয় সংগঠনৰ স্থানীয় গোটবোৰ প্ৰতিবাদত নামি পৰিছে, কিন্তু তেওঁলোকৰ সৰ্বভাৰতীয় নেতৃত্বই বিষয়টোৰ সম্পৰ্কে মৌনতা অবলম্বন কৰিছে।

সাম্প্ৰতিক সময়ত ৰাইজৰ মাজত শান্তিৰ সপক্ষে যিটো দাবী ক্ৰমবৰ্দ্ধমান ৰূপত প্ৰবল হৈ উঠিছে সেইটো হ'ল বিদ্ৰোহী সংগঠন আৰু ভাৰত ৰাষ্ট্ৰৰ মাজত আলোচনা অনুষ্ঠিত হ'ব লাগে, আৰু তাৰ স্বাৰ্থত বিদ্ৰোহী সংগঠন আৰু ৰাষ্ট্ৰ উভয়েই অস্ত্ৰ সংবৰণ কৰিব লাগে অৰ্থাৎ দ্বিপাক্ষিকভাৱে যুদ্ধ বিৰতি চুক্তি সম্পাদিত হ'ব লাগে। ৰাইজৰ এই দাবীৰ সৈতে সংগতিপূৰ্ণভাৱেই আজি যেনিবা নগা বিদ্ৰোহী গোট এটা আৰু ভাৰতৰাষ্ট্ৰৰ মাজত চুক্তিখন সম্পাদিত হৈছে কাইলৈ হয়তো (যদিহে সংশ্লিষ্ট পক্ষবোৰে ৰাইজৰ মতামতক সন্মান কৰে) আলফা বা এন ডি এফ বি-ৰ লগত একে ধৰণৰ চুক্তি সম্পাদিত হ'ব। আমি সেইখিনি অন্ততঃ আশা কৰা উচিত।

আৰু এই ধৰণৰ যুদ্ধ বিৰতি চুক্তিৰ আটাইতকৈ প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ চৰ্ত্তটোৱেই হোৱা উচিত, ইয়াতেই হওক বা অন্য ক'ৰবাতেই হওক, এইখন ৰাজ্যতেই হওক বা অন্য কোনো ৰাজ্য অথবা ৰাষ্ট্ৰতেই হওক, ক'তো চুক্তিবদ্ধ কোনো পক্ষই আনটো পক্ষক আক্ৰমণ নকৰিব বা গুলিয়াই নিদিব। এক কথাত ক'বলৈ গ'লে এনে চুক্তিৰ কোনো পৰিসীমাগত সীমাবদ্ধতা থকা নচলিব। চুক্তিৰ কাৰ্য্যকাৰীতাৰ পৰিসীমা হ'ব লাগিব সমগ্ৰ বিশ্ব। আৰু ঠিক এইটোৱেই বুজোৱা হৈছিল, যেতিয়া কোৱা হৈছিল "without any terrirtorial limit"। কিন্তু কি পৰিহাস, মণিপুৰৰ উগ্ৰজাতীয়তাবাদীবোৰে (যিবোৰে আজি ইটো দলৰ, কাইলৈ সিটো দলৰ লেমটোৰ দৰে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ মাজত নিমজ্জিত) অসম আন্দোলনৰ লেখীয়া এটা উগ্ৰ জাতীয়তাবাদী আন্দোলনৰ সৃষ্টি কৰিলে, অসম আন্দোলনৰ দিনবোৰৰ দৰে এক অনিশ্চিত অচলাৱস্থাৰ সৃষ্টি কৰিলে। আৰু তাকে দেখি অসম আন্দোলনৰ গুৰি ধৰোতা আছুৱে অসম বন্ধৰ আহ্বান দিলে; পূৰ্বাঞ্চলীয় লোক পৰিষদৰ পৰা আৰম্ভ কৰি হেমেন বাবু, প্ৰমোদ বাবু, আৰু দীপংকৰ বাবুৰ সকলো একাকাৰ হৈ গ'ল। সকলোৱে, (একমাত্ৰ পৰিসীমাগত ন্যায্য দফাটোৰ বিৰুদ্ধে।

আৰু আচৰিত কথা যে, তেওঁলোকে নাগালেণ্ড আৰু সন্নিহিত অঞ্চলসমূহৰ জনগাঁথনিৰ বৈশিষ্টসমূহকো আওপাকে আওকাণ কৰিলে, আৰু তেনেকৈয়ে জনপ্ৰিয় হোৱাৰ তাগিদাত গণতন্ত্ৰৰ মৌলিক নীতিসমূহকো অস্বীকাৰ কৰিলে। সোঁতৰ বিপক্ষে যোৱাৰ যি নৈতিক সাহস এই মূহুৰ্ত্তত আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজন আছিল। সেইখিনিক তেওঁলোকে অৱহেলাত পৰিত্যাগ কৰিলে।

আজিৰ জটিল ৰাজনৈতিক তথা জনগোষ্ঠীয় আত্মনিয়ন্ত্ৰণৰ পৰিস্থিতিত দেশ তথা নিপীড়িত জনগণৰ সপক্ষে থিয় হোৱাৰ কোনো সন্তীয়া উপায় থাকিব নোৱাৰে। আৰু উল্লেখিত দল বা ৰাজনৈতিক শক্তিসমূহে সেই সন্তীয়া উপায়টোকে কৰ্মসূচী হিচাবে আকোৱালি লৈছে।

—বিশ্বজিৎ চক্ৰৱৰ্তী

OKDISCD

*ভাৰত-পাক আলোচনা অব্যাহত থাকক*

## কাশ্মিৰী জনগণক এটা পক্ষ হিচাপে গণ্য কৰিব লাগিব

পাকিস্তানৰ ৰাষ্ট্ৰপতি পাৰভেজ মুশ্বাৰাফৰ ভাৰত আগমন সম্পৰ্কে এই দুয়োখন দেশ কেৱল নহয়, সমগ্ৰ বিশ্বৰে প্ৰচাৰমাধ্যম উত্তাল। বাজপেয়ীৰ লাহোৰ যাত্ৰাৰ কেইদিনমানৰ পিছতে কাৰ্গিলৰ যুদ্ধই ঘটোৱা বিপৰীত কাণ্ডৰ বিৰীতে আগ্ৰা আলোচনাৰ আহ্বানো আছিল সমানে নাটকীয়। কাৰ্গিলৰ তেজৰ দাগ নৌশুকাওঁতেই দুয়োপক্ষই আলোচনাত বহিবলৈ অস্থিৰ। মূল কাৰণ হৈছে 'আন্তৰ্জাতিক হেঁচা'। কথাটো আৰু ভাঙি পাতি ক'লে এনেকুৱা যে বৰ্তমানে ভাৰত আৰু পাকিস্তান দুয়ো দেশৰ চৰকাৰ মাৰ্কিনপন্থী অথবা আৰু খাৰাংখাচকৈ ক'লে আমেৰিকাৰ দালাল। সেয়ে আমেৰিকাৰ নিৰ্দেশমতেই এই আলোচনাৰ আয়োজন চলিল।

সমগ্ৰ উপমহাদেশত শান্তি হ'ব, সেই শান্তি আমাৰ দেশৰ ভিতৰত হিন্দু-মুছলীম ঐক্যৰ ক্ষেত্ৰতো সহায়ক হ'ব, তাতকৈ আনন্দৰ কথা আৰু কি থাকিব পাৰে। কিন্তু এইক্ষেত্ৰত আচল দৰকাৰী কামটোৱেই যে এতিয়ালৈকে কৰা হোৱা নাই। কাশ্মীৰৰ ভাগ্য নিয়ন্ত্ৰণ কৰিব ভাৰত আৰু পাকিস্তানে, আমেৰিকাৰ নিৰ্দেশক্ৰমে, অথচ কাশ্মীৰীসকলৰ এইক্ষেত্ৰত কোনো মত নৰজিব, এইটো শান্তিৰ পথ নহয়। সেয়েহে আৰ্মকাই দাবী কৰে, পৰবৰ্তী শীৰ্ষ আলোচনাত কাশ্মীৰীসকলক এটা পক্ষ হিচাপে নিমন্ত্ৰণ কৰা হওক আৰু কাশ্মীৰীসকলৰ আত্মনিৰ্ধাৰণৰ প্ৰশ্নটো নিষ্পত্তি কৰা হওক। এনে সফল আলোচনাৰ বাবে পূৰ্বচৰ্ত হৈছে কাশ্মীৰীসকলক এটা পক্ষৰূপে গণ্য কৰাৰ উপৰিও ভাৰতৰ দখলত থকা কাশ্মীৰ আৰু পাকিস্তানৰ দখলত থকা আজাদ কাশ্মীৰ উভয়ৰে পৰা দুই দেশৰ সৈন্যবাহিনী প্ৰত্যাহাৰ আৰু কাশ্মীৰত হস্তক্ষেপ বন্ধ কৰা।

দুই কাশ্মীৰৰ মাজত পাৰপত্ৰ-ভিচা নোহোৱাকৈ যাতায়াত, দুই কাশ্মীৰৰ সংসদৰ যুটীয়া অধিবেশন আদিৰ বিষয়বোৰো আলোচনালৈ আহিব। মনত ৰাখিব লাগিব যে প্ৰকৃত আত্মনিৰ্ধাৰণৰ লগত অনিবাৰ্যভাৱে সংযুক্ত হৈ থাকে বিচ্ছিন্নতাৰ অধিকাৰৰ প্ৰশ্নটো। বাজয়ী-মুশ্বাৰাফ শীৰ্ষ আলোচনাই আৰ্মকাৰ দৃষ্টিভংগীকে সঠিক প্ৰমাণ কৰিলে। সেই দৃষ্টিভংগীৰ মৰ্মবস্তু হ'ল এফ ফেজাৰেল ভাৰতবৰ্ষ আৰু কন্‌ফেডাৰেল উপমহাদেশৰ সপোন। (কোৱা বাহুল্য যে ফেডাৰেল ভাৰতৰ সদস্য অসমৰো ফেডাৰেল পুনৰগঠন অনিবাৰ্য।)

## পঞ্চায়ত নিৰ্বাচনৰ ডিচেম্বৰত?

তৰুণ গগৈ মন্ত্ৰীসভা গঠন হোৱাৰ পাছতে মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত নিৰ্বাচন এইবছৰৰ শেষৰ ফালে, ডিচেম্বৰ মাহমানত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। পূৰ্বৰ প্ৰফুল্ল মহন্ত চৰকাৰে পঞ্চায়ত নিৰ্বাচন পাতিম পাতিম বুলি কৈ অৱশেষত নাপাতিলে। এইবাৰ শাসনলৈ আহিয়েই কংগ্ৰেছ চৰকাৰে এই নিৰ্বাচন পতাৰ বাবে কৰা ঘোষণা বহুতৰে বিশ্বাস হোৱা নাই যদিও আৰ্মকাই ভাবে যে ঘোষণামতে এই নিৰ্বাচন নাপালে দিন যোৱাৰ লগে লগে চৰকাৰৰ প্ৰতি ৰাইজৰ অনাস্থা বাঢ়িব। তেতিয়া নিৰ্বাচনত জিকাটো কঠিন হ'ব পাৰে। আৰ্মকাই এই নিৰ্বাচনৰ বাবে সংশ্লিষ্ট সকলোকে প্ৰস্তুত হৈ থাকিবলৈ আহ্বান জনাইছে।

## কুকুৰমাৰাত বিষ্ণুৰাভা দিৱস

যোৱা বিশ জুন তাৰিখে ছয়গাওঁ কুকুৰমাৰাত দিনজোৰা কাৰ্য্যসূচীতে বিষ্ণুৰাভা দিৱস পালন কৰা হয়। ৰাভা দিৱস উৎযাপন সমিতিৰ সাধাৰণ সম্পাদক দেৱজিৎ চৌধুৰীয়ে জনোৱা মতে গতানুগতিকতাৰ বাহিৰত আন্তৰিক পৰিবেশত এই দিৱস উৎযাপিত হয়। এই উপলক্ষে পুৱা মিৰ্জাৰ প্ৰতিধ্বনি গোষ্ঠীয়ে "নিচা ফটা নাই" নামৰ এখন সুন্দৰ বাটৰ নাট পৰিবেশন কৰে। আবেলি সাম্প্ৰতিক পটভূমিৰ পৰিবৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত বিষ্ণুৰাভা জীৱনাদৰ্শৰ বিচাৰ শীৰ্ষক এখন মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হয়। ড° জীতেন দাসে সঞ্চালনা কৰা এই আলোচনাচক্ৰত বজালী কলেজৰ অধ্যাপক কংকন ডেকা, স্থানীয় শিক্ষক বিতাস্বৰ চৌধুৰীৰ ওপৰিও গণেশ মজুমদাৰ ধীৰেন কলিতা, প্ৰবীণ মজুমদাৰ, ৰজত তালুকদাৰ, জ্যোতিষ কলিতা, মনোজ কলিতা আৰু দেৱজিৎ চৌধুৰী আদিয়ে ভাষণ দি সাম্প্ৰতিক পৰিস্থিতিৰ ব্যাখ্যা কৰাৰ লগতে বিষ্ণুৰাভাৰ জীৱনাদৰ্শৰ মূল্যায়ন আগবঢ়ায়।

## শ্ৰীৰামপুৰত ক্ৰান্তি দিৱস

সাম্ৰাজ্যবাদ বিৰোধী আদিবাসী বিদ্ৰোহৰ নায়ক চিদুকানহুৰ স্মৃতিত যোৱা ৩০ জুন তাৰিখে অন্যান্য বছৰৰ দৰে এইবাৰো শ্ৰীৰামপুৰত জে এ এছ পি, আৰ্মকা আৰু চি পি আই (এম এল)-ৰ উদ্যোগত ক্ৰান্তি দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত গণসমাবেশত ৰবীন টুডু, কুশল মানকি, অনিল হাবদা, ৰবচন মুণ্ডা, ৰহেন ৰাভা আদি নেতৃবৃন্দই ভাষণ দিয়ে। উজনি অসমৰ কেইবাঠাইতো এই দিৱস পালনৰ খবৰ আহিছে।

## ৰাজেন মুছাহাৰীক গ্ৰেপ্তাৰ : গোষ্ঠীসংঘৰ্ষৰ তদন্ত কেতিয়া?

গোসাইগাঁৱৰ বিধায়ক প্ৰাক্তন মন্ত্ৰী ৰাজেন মুছাহাৰী মানিলা নামৰ এগৰাকী বড়ো যুৱতী-ধৰ্ষণৰ অভিযোগত অলপতে গ্ৰেপ্তাৰ হয়। আজি ভালেমান দিনৰ আগতেই মানিলাই আৰক্ষীৰ ওচৰত মুছাহাৰীৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ আনি গোচৰ তৰিছিল। প্ৰফুল্ল মহন্ত মন্ত্ৰীসভাৰ এগৰাকী ৰাজ্যিক মন্ত্ৰী মুছাহাৰীয়ে এই অভিযোগ অস্বীকাৰ কৰি আহিছিল যদিও পাছত আৰক্ষীয়ে মুছাহাৰীৰ ডি এন এ পৰীক্ষা কৰোৱায় আৰু মানিলাৰ নৱজাত সন্তানটিৰ যে তেৱেঁই পিতৃ সেই কথা প্ৰমাণিত হয়।

ৰাজেন মুছাহাৰী নামৰ এই অগপ নেতাজনৰ বিৰুদ্ধে থকা আটাইতকৈ গুৰুত্বৰ অভিযোগটো হ'ল— গোসাইগাঁৱত '৯৬ চনত হোৱা চাওতাল বিৰোধী গণহত্যাৰ অন্যতম নায়ক তেওঁ। এই সন্দৰ্ভত আৰ্মকা-জে এ এছ পিয়ে সংঘৰ্ষৰ তদন্ত কৰা চাৰিশ উনৈশ পৃষ্ঠাৰ স্মাৰক পত্ৰত মুছাহাৰীযে গোষ্ঠীসংঘৰ্ষৰ অন্যতম নেতা তাক প্ৰমাণিত কৰিব পৰা অজস্ৰ তথ্য সাক্ষ্য দাখিল কৰিছিল। তদন্ত আয়োগে তাৰ প্ৰতিবেদন এতিয়াও প্ৰকাশ কৰা নাই। আৰ্মকা-চিপিআই (এম এল)- জে এ এছ পিয়ে মুছাহাৰীক গোষ্ঠীসংঘৰ্ষ লগোৱাৰ অভিযোগতো গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে আৰু অনতিপলমে তদন্ত আয়োগৰ প্ৰতিবেদন প্ৰকাশ কৰাটো বিচাৰিছে।

## আৰ্মকা সংবাদ

- আৰ্মকা সংবাদ প্ৰতিমাহৰ প্ৰথম সপ্তাহত প্ৰকাশ পাব।
- আৰ্মকা তথা নিপীড়িত ৰাইজৰ সংগ্ৰামৰ বা-বাতৰি আৰু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আৰ্মকাৰ দৃষ্টভংগী ব্যাখ্যা কৰা লেখনি প্ৰকাশ পাব।
- আপোনাৰ জিলা/অঞ্চলৰ সাংগঠনিক সভাসমিতি তথা অন্যান খা-খবৰ আৰ্মকা সংবাদত প্ৰকাশৰ বাবে পঠাবলৈ অনুৰোধ জনোৱা হ'ল।
- আৰ্মকা সংবাদৰ বিক্ৰি মূল্য সময়মতে পঠাবলৈ নাপাহৰিব।
- আপোনাৰ জিলা/অঞ্চলৰ সাংগঠনিক সমস্যা সম্পৰ্কে অথবা সভা সমিতিৰ খা-খবৰ সময়মতে কেন্দ্ৰক জনোৱা উচিত। যোগাযোগৰ বাবে কেইটামান ফোন নম্বৰ— 571474 (সত্যেশ ভট্টাচাৰ্য), 551423 (বিশ্বজিৎ চক্ৰৱৰ্তী), 661450 (ভবানী), 668881 (যোগেশ)।

*আৰ্মকা মুখ্যকাৰ্যালয়ৰ পৰা সাধাৰণ সম্পাদক মুকুট সিংহ চুতীয়াৰ দ্বাৰা প্ৰকাশিত, সম্পাদিত আৰু ডিউ প্ৰিন্টাৰ্চ, গুৱাহাটী-৩ত মুদ্ৰিত। যোগাযোগ— আৰ্মকা সংবাদ, মাৰফৎ - ভৱানী তামুলী, ডিউ প্ৰিন্টাৰ্ছ, গান্ধীবস্তি তিনিআলি, (ডাকঘৰৰ কাষত) শিলপুখুৰী, গুৱাহাটী-৩ ফোন : ৬৬১৪৫০ অৰিহণা এটা মাত্ৰ।*

# —ঃ গোহাৰি ঃ—

## আসামঝাড়খণ্ডী ছাত্ৰ সন্থা

হামৰা ছাত্ৰ। ছাত্ৰ যদিও হামৰা হামদেৰ মাই বাপেৰ ছানা আৰ দেশেৰ ভবিষ্যৎ নাগৰিক। হামৰাই জাতিৰ ভৰসাৰ মুল গুড়ি। ঐ খাতিৰে হামৰা হামদেৰ জাতিকে দেশকে ভালচে জানা দৰকাৰ। আসামে বসবাস কৰা বিভিন্ন জইত গোষ্ঠীৰ ভিতৰে ঝাড়খণ্ড) সবেও একটা আসামেৰ জাতি। ৭৫০টা চেও বেছি চা-বাগানে এখন বা আগে দিনে কাম কৰা চাহ মজদুৰ সবেৰ জাতীয় পৰিচয় লোকাই ৰাখা হইচিল আৰ ভুলাই ৰাখা হইচিল। 'চা-মজদুৰ' কামেৰ নাম, জীবিকাৰ, নাম চা-মজদুৰ' কিন্তু কন জাতিৰ নাম নহয়; হতে কখনো নাই পাৰে। ৰাস্তাই কাম কৰা মানুষ চবকে লিয়ে যেই ৰকম ৰাস্তা জতি হতে নাই পাৰে, তেল খাদে কাম কৰা মানুষ চবকে লিয়ে চেই ৰকম তেল জতি হতে নাই পাৰে, স্কুল, কলেজেৰ ছকড়া ছকড়ি বা মাষ্টৰ চবকে লিয়ে যেই ৰকম স্কুল-কলেজ জতি হতে নাই পৰে। খেতি কৰে খৰা মানুষ চবকে লিয়ে সেই ৰকম খেতিয়ক জতি হতে নাই পাৰে, ঠিক ঐ ৰকম চা-বাগানে কাম কৰা মানুষ চবেৰ জাতি চা-মজদুৰ, চা-শ্ৰমিক, চা-বনুৱা চাপ্ৰাজজ, চা জনজাতি ইত্যাদি হতে নাই পাৰে। এই চব হামদেৰ জতিৰ নাম নহয়। হতে নাই পাৰে হামদেৰকে আসামেৰ উচ্চ বৰ্ণৰ মনুষ চবে কথই কথই 'কুলি-বঙালী লেবাৰ অদি বলে অপমান কৰে। কিন্তু এই গিলাকে হামৰা মানে নাই লেই আৰ নাই লিব। হামদেৰ পূৰ্ব্ব পুৰুষ চব আছে ছিল ঘই কৰে ভাৰতেৰ চাৰটা প্ৰদেশছে। বিহাৰ, উৰিষ্যা, মধ্য প্ৰদেশ আৰ পশ্চিম বঙ্গৰ মেদিনীপুৰ, বাঁকুৰা, পুৰুলিয়া বধমান, বীৰভুম, চিংভুম চঙ্গলপুৰ, ময়ুৰভঞ্জ, চন্দন গড়, কিৰণ-ঝাড় ৰাঁচি, হাজৰিবাগ পালামৌ, গিৰিডি ধানবাদ, আৰ চুৰগোজা, ৰাইগড় এই চুলটা জিলাছে। এই চুলটা জিলাৰ উপৰিও দক্ষিণ ভাৰতছে তেলেঙ্গাচব আছেচ্ছে। ঐ চুলটা জিলাই হামদেৰকে ঝাড়খণ্ডী বলেই জনজত। ঝাড় মানে জঙ্গল আৰ খণ্ড মানে অঞ্চল বা ৰাজ্য। হামদেৰ জইতেৰ এই ঝাড়খণ্ডী নাম মহাভাৰতেৰ আবুল ফজলেৰ আকবৰ নামাই চৈতন্য দেবেৰ কিতাবে উল্লেখ আছে।

ঝাড়খণ্ডীচব যুদ্ধ কৰা জতি। বৃটিচেৰ বিৰুদ্ধ ১৮৫৫-৫৬ চনেৰ সিদু কানহুৰ নেতৃত্ব বিৰাট হুল' মহা বিদ্ৰোহ হইছিল। ওৱাৰ পিছে হামদেৰ নেতা বিৰচা মুণ্ডাৰ নেতৃত্বই হোৱা আন্দোলনমে বৃটিচৰ ছাতি কাপাই দিয়ে ছিল। এই ৰকম একটা বীৰ, বাহাদুৰ জতিৰ সন্তান হামৰা। কিন্তু হামদেৰকে অতদিনে উচ্চ বৰ্ণৰ শোষক আৰ হামদেৰ নিজেৰ জতিৰ দালাল চবেৰ এই মহান পৰিচয়টা ভুলাই ৰাখেছিল। এখন মনে পড়ছে হামদেৰ চিদু কানহুৰ কথা। মনে পড়ছে ভগবান বিৰছাৰ কথা। মনে পড়ছে শিৱসাগৰ জিলাৰ চণ্ডক বাগানেৰ স্বাধীনতা আন্দোলনেৰ শ্বহীদ বাকু উৰাংকেৰ কথা। ঐ গিলা মনে পড়েই হামদেৰ খুনেৰ দপ-দপাই আগুন জলছে।

বৃটিচে লিয়ে আহিল হামদেৰকে আসামেৰ চা-বাগানে 'চল মিনি আসাম যাব, দেশে বড়ি দুখৰে"। বলে হামৰা চলে আইলি। আসামে আছে হাবি জঙ্গল কাটে চা-বাগান খেতিৰ পাথৰ, ৰাস্তা-ঘাটে বনাই বগা চাহাবে হামদেৰ খুন চুষে হামদেৰকে চেপ্টা কৰল। ছাৱা জীবন হাড় ভাঙা কাম কৰাৰ পিছে ও দুই বেলা, দুই চাইজ হামদেৰকে খাতে নাই দিয়া হইল। থাকতে দিল হামদেৰকে গাহৰি গড়াল পড়া-শুনাৰ কন প্ৰশ্নই নাই। অৰ্থাৎ বৃটিচেৰ দিনে হামদেৰ কন ছত্ৰই নাই ছিল। নিৰক্ষতা ছিল শতকৰা এক-শ ভাগ। ৮ (আঠ) বছৰছে (আশী) ৮০ বছৰতক হাড়কে মাটি কৰে, খুনকে পানী কৰে, মেহনত কৰাৰ পিছেও হামদেৰ ভাগ্যে গাখীৰ চিনি নাই দিয়া লাল চা-পানীটা। চাবুকেৰ মাৰ আৰ মা-বহিনেৰ বেইজ্জতি। বগা চাহাব চলে গেল কালা চাহেব আইল। কিন্তু ঝাড়খণ্ডীৰ অৱস্থা একেই থাকল। কালা চাহাব গিলা বেছি বদমাচ। মিঠা মিঠা বাত বলে বেছি খুন চুচ্ছে। পাৰ হই যাৱা ৩৯ (ঊনচল্লিশ) বছৰে কংগ্ৰেছী আসনে কংগ্ৰেছী নেতা মালিক আৰ মজদুৰ সংঘৰ ভাড়াই ৰাখা দালাল গিলা হামদেৰকে ধোঁকা কলে পিছে মাৰছে। হামদেৰ জাতিৰ ছানাকে গিয়ানেৰ আল নিতে হামদেৰকে তাৰা নাই দিয়ে। ১৯৭৮ চনেৰ একটা হিচাব মতে হাম[illegible] ৪৫ লাখ ঝাড়খণ্ডীৰ ভিতৰে নিৰক্ষৰ ছিল ৯৯[illegible] শতাংশ। হামদেৰ বাগান বা বস্তি গিলানে পড়া শুনাৰ কন সুবিধা নাই। পাতা-তুলা চময়ে হামৰা ঘৰে [illegible] খেলতে লাগে। গৰীবেৰ অভাবেৰ খাতিৰ কিতাপ পত্ৰ কিনতে পইচা নাই। মাই বাবা চবেই ভাবে হামাৰা পড়া শুনা কৰাছে বাগানে কাম কৰা লকেৰ ঘৰে [illegible] গৰু বাগাল কৰা বা হুটেলেৰ বয় বা গে[illegible] জোগালী কৰে দুই পইচা কামাই কৰাটা ভাল পায়। ইনউক্ৰম কিনতে পইচা পাৰ কাহাঁ? স্কুলে কেৱল মা[illegible]বেই নহয় একেই সঙ্গে পড়া উচ্চ বৰ্ণৰ ধনী [illegible]ৰ বেটা চবে কুলি বাঙালী বলে দাবী ধমকীত আছেই। এই অৱস্থাই উচ্চ শিক্ষা কৰা দূৰেৰ বাত, ক-খ, [illegible]ৰ শিক্ষাটাও হামদেৰ স্বপ্ন হই থাকে। বেছি ভা[illegible] ঝাড়খণ্ডী ছকড়া ছকড়ী এক শ্ৰেণী দুই শ্ৰেণী শিকেই স্কুল ছাড়ে দিতে বাধ্য হয়। এইটাই হচ্ছে হামদেৰ ঝাড়খণ্ডী ছাত্ৰৰ অৱস্থা।

সদৌ অসম চাহ মজদুৰ জনজতি ছাত্ৰ সন্থা। সদৌ অসম চা-জনজতি সন্থা (উত্তৰ পাৰ/দক্ষিণ পাৰ) আদি হামদেৰ জাতিৰ কিছুমান ছাত্ৰ সংগঠন আছে। এই সংগঠন সব কিন্তু হামদেৰ জতিৰ ছাত্ৰ সমাজেৰ গভীৰ সমস্যা লিয়ে কন দিনেই কন চিন্তা চৰ্চ্চা বা আন্দোলন নাই কৰে। বছৰেৰ পিছে অধিবেশন পাতে হাজাৰ টাকা উঠই ভুজ ভাত খাই ইংৰিচ হিন্দী গীত গাৱাটাই আদেৰ উদ্দেশ্য আৰ বহুত বহুত প্ৰস্তাৱ আৰ সিধান্ত লিয়াই অদেৰ শেষ কৰ্তব্য। প্ৰতিষ্ঠিত দুটা ছাত্ৰ সংগঠন অটা মজদুৰ চা জনজাতি অৰ্থাৎ কংগ্ৰেছৰ চাম-চা গিৰি কৰা দালাল সংগঠন আৰ দুচৰাটা হচ্ছে আসামেৰ উচ্চ বৰ্ণবাদী অসাম চৰকাৰেৰ ঝুঠা ছাঠা সংগঠন। পাৰ হৈ যাৱা ৬ বছৰীয়া আসামেৰ যি আন্দোলন চলতে ৰহে, ঐ আন্দোলন হামদেৰ ঝাড়খণ্ডীৰ উপৰে বহুত জালাই মাৰ ধৰ, অন্যায় অত্যাচাৰ চলা চত্তেও চা জনজাতি ছাত্ৰ সন্থাই কন ধৰণেৰ প্ৰতিবাদ নাই কৰে। বৰঞ্চ অচমীয়া উচ্চ বৰ্ণবাদী স্বাৰ্থ ৰক্ষাই সহায় কৰতে ৰহে। ১৯৫৮ চনে প্ৰতিষ্ঠা হোৱাৰ পিছেও (ত্ৰিদশ) বছৰে এই সংগঠন চবে কি কাম কৰল ওৱাৰ উত্তৰ খোজলে হামৰা পায় এক বিৰাট শূন্য। এইচৰ কথা ভালছে চিন্তা কৰে দেখে হামদেৰ জাতিৰ সংগ্ৰামী উজ্জ্বল ভবিষ্যৎ আৰ ৰত্তমানেৰ গভীৰ সমস্যাৰ দিগে চকু ৰাখে হামৰা একটা ভাৰৰ দায়িত্ব কান্ধে লিতে লাগবেক। হামদেৰ জতিয়ে হামদেৰ পড়াশুনা কৰা ছকড়া-ছকড়ী চবকে বহুত আশা কৰে আছে। হামৰা গাদ্দাৰ হতে তাই পাৰব— হামৰা গাদ্দাৰী কৰতে নাই পাৰব হামৰা হামদেৰ জাতিৰ ইজ্জত ৰাখতে লাগবেক। হামৰা ছাত্ৰৰ অধিকাৰেৰ খাতিৰ লড়তে লাগবেক। এই খতিৰ হামৰা আসামেৰ ৪৫ (পঞ্চলিশ) লাখ মহান ঝাড়খণ্ডী মহনতী মানুষেৰ সন্তান চবে নতুন দিনেৰ আল" আনব বলে শ্বহীদ চিদু-কানহু বিৰচা মুণ্ডাৰ নামে কচম খাই 'আসাম ঝাড়খণ্ডী ছাত্ৰ সন্থা গড়ে তুলেচি। আসামেৰ প্ৰত্যেকজন ঝাড়খণ্ডী ছাত্ৰ ঠিন হামদেৰ অনুৰোধ এই যে এই নতুন ছাত্ৰ সংগঠনেৰ পাতাকাৰ তলে এক হও আৰ বিশ্বাস ঘাতকতা, দালালী আৰ বিপথ গামীতাৰ বিৰুদ্ধে এক নতুন দিনেৰ খাতিৰ লড়াই কৰা আৰ এই লড়াই হামড়া চফল হবই হব।

### ঃ হামদেৰ কাৰ্য্য-সূচী ঃ

(১) শিক্ষা লাভেৰ মানবীয় আৰ গণতান্ত্ৰিক অধিকাৰেৰ খাতিৰ সংগ্ৰাম গড়ে তোলা।
(২) ভাৰতৰেৰ অন্য ৰাজ্যৰ ৰকম আসামেৰ ঝাড়খণ্ডী চবকেও অনুসূচীত জাতি-জনজতি বলে স্বীকৃতি দিয়াৰ দাবীয়ে সংগ্ৰাম কৰা।
(৩) শিক্ষাৰ শেষে অন্ততঃ প্ৰত্যেক চা-বাগানে বাবু চাকৰী ২২'৫ শতাংশ ঝাড়খণ্ডী জতি-জনজাতিৰ খতিৰ সংৰক্ষণ কৰাৰ দাবীয়ে সংগ্ৰাম কৰা।
(৪) ছাত্ৰ-ছাত্ৰী বাস, বিনামূলীয়া পাঠ্য পুথি ইনউক্ৰমেৰ দাবীয়ে সংগ্ৰাম কৰা
(৫ চবৰ কমেৰ অন্ধ বিশ্বাস কু-সংস্কাৰ অত্যাধিক মদ-পানীৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
(৬) বিনমূলীয়া শিক্ষাৰ প্ৰচাৰ ঝাড়খণ্ডী কলা সংস্কৃতি প্ৰচাৰ আৰ ঝাড়খণ্ডী নাৰীৰ উপৰে চলা অপমানেৰ বিৰুদ্ধে সংগ্ৰাম কৰা।
৭। চা-বাগানে চলা মালিকে অন্যায় অত্যাচাৰ শোষণ নিপীড়ণেৰ বিৰুদ্ধে সংগ্ৰাম কৰা।

এই মহান উদ্দেশ্য লেই কৰে ইং ৮৬ চেপ্তম্বৰ মাসেৰ ২৭/,২৮ তাৰিখে দু দিনীয়া কাৰ্য্য-সূচীয়ে চক্ৰাই বাগানে ঝাড়খণ্ডী ছাত্ৰ সন্থাৰ প্ৰথম অধিবেশন আসাম ভিত্তিতে কৰতে ঠলাইছি।

ঐ খাতিৰ সব ঝাড়খণ্ডী চাত্ৰ ছাত্ৰীকে এই অধিবেশনে দলে বলে যোগদান কৰতে আহবান জানালি। ইতি—

আহবায়ক মণ্ডলী—

শ্ৰীভাদৰ ক্ষেত্ৰ পাত্ৰ
শ্ৰীনুপুৰ ভুমিজ
শ্ৰীগগন মাল
শ্ৰীকুপা মুণ্ডা।

শ্ৰীধীৰেন তাঁতি (মুঃ আঃ)
শ্ৰীটুপীধৰ মানকি,
শ্ৰীবুধৰাম সিং ভুমিজ,
শ্ৰীযুহবিন মুৰ্ম্মু
শ্ৰীপোৱাল মুৰ্ম্মু।

ঝাড়খণ্ডী ছাত্ৰ সন্থাৰ হৈ শ্ৰীটুপীধৰ মানকিৰ দ্বাৰা প্ৰকাশিত আৰ প্ৰচাৰিত।

চৰাইদেউ প্ৰিণ্টাৰ্চ, সোণাৰি। ৫৬৫

OKDISCD